# Holy Bible

## Aionian Edition®

অসমীয়া বাইবেল

**Assamese Bible**

**Gospel Primer**

# সূচীপত্ৰ

ভূমিকা
আদিপুস্তক 1-4
যোহন 1-21
প্ৰকাশিত বাক্য 19-22
66 পদ
পাঠকৰ সহায়িকা
শব্দমালা
মানচিত্ৰ
ভাগ্য
ছবি, Doré

Welcome to the *Gospel Primer*. The Aionian Bible invites you to review popular Christian understanding. Is it possible that the most well-known verse in the Bible is mistranslated, John 3:16? Are the destinies of Heaven and Hell really the whole story? And are misunderstandings of this magnitude even possible? First, know that the Aionian Bible does not abandon Christian heritage. We have much to learn from godly people throughout all ages. Yet, this booklet is a new primer to the truly good news of Jesus Christ, the savior of all mankind.

---

*Holy Bible Aionian Edition ®*

অসমীয়া বাইবেল
Assamese Bible
Gospel Primer

Creative Commons Attribution ShareAlike 4.0 International, 2018-2025
Source text: eBible.org
Source version: 5/20/2025
Source copyright: Creative Commons Attribution ShareAlike 4.0
Bridge Connectivity Solutions, 2017, 2018

Formatted by Speedata Publisher 5.1.9 (Pro) on 6/2/2025
100% Free to Copy and Print
TOR Anonymously
https://AionianBible.org

Published by Nainoia Inc, https://Nainoia-Inc.signedon.net
All profits are given to https://CoolCup.org

We pray for a modern Creative Commons translation in every language
Translator resources at https://AionianBible.org/Third-Party-Publisher-Resources
Report content and format concerns to Nainoia Inc
Volunteer help is welcome and appreciated!

# ভূমিকা

অসমীয়া at AionianBible.org/Preface

The *Holy Bible Aionian Edition* ® is the world's first Bible *un-translation*! What is an *un-translation*? Bibles are translated into each of our languages from the original Hebrew, Aramaic, and Koine Greek. Occasionally, the best word translation cannot be found and these words are transliterated letter by letter. Four well known transliterations are *Christ*, *baptism*, *angel*, and *apostle*. The meaning is then preserved more accurately through context and a dictionary. The Aionian Bible un-translates and instead transliterates eleven additional Aionian Glossary words to help us better understand God's love for individuals and all mankind, and the nature of afterlife destinies.

The first three words are *aiōn*, *aiōnios*, and *aïdios*, typically translated as *eternal* and also *world* or *eon*. The Aionian Bible is named after an alternative spelling of *aiōnios*. Consider that researchers question if *aiōn* and *aiōnios* actually mean *eternal*. Translating *aiōn* as *eternal* in Matthew 28:20 makes no sense, as all agree. The Greek word for *eternal* is *aïdios*, used in Romans 1:20 about God and in Jude 6 about demon imprisonment. Yet what about *aiōnios* in John 3:16? Certainly we do not question whether salvation is eternal! However, *aiōnios* means something much more wonderful than infinite time! Ancient Greeks used *aiōn* to mean *eon* or *age*. They also used the adjective *aiōnios* to mean *entirety*, such as *complete* or even *consummate*, but never infinite time. Read Dr. Heleen Keizer and Ramelli and Konstan for proofs. So *aiōnios* is the perfect description of God's Word which has *everything* we need for life and godliness! And the *aiōnios* life promised in John 3:16 is not simply a ticket to eternal life in the future, but the invitation through faith to the *consummate* life beginning now!

The next seven words are *Sheol*, *Hadēs*, *Geenna*, *Tartaroō*, *Abyssos*, and *Limnē Pyr*. These words are often translated as *Hell*, the place of eternal punishment. However, *Hell* is ill-defined when compared with the Hebrew and Greek. For example, *Sheol* is the abode of deceased believers and unbelievers and should never be translated as *Hell*. *Hadēs* is a temporary place of punishment, Revelation 20:13-14. *Geenna* is the Valley of Hinnom, Jerusalem's refuse dump, a temporal judgment for sin. *Tartaroō* is a prison for demons, mentioned once in 2 Peter 2:4. *Abyssos* is a temporary prison for the Beast and Satan. Translators are also inconsistent because *Hell* is used by the King James Version 54 times, the New International Version 14 times, and the World English Bible zero times. Finally, *Limnē Pyr* is the Lake of Fire, yet Matthew 25:41 explains that these fires are prepared for the Devil and his angels. So there is reason to review our conclusions about the destinies of redeemed mankind and fallen angels.

The eleventh word, *eleēsē*, reveals the grand conclusion of grace in Romans 11:32. Please understand these eleven words. The original translation is unaltered and a highlighted note is added to 64 Old Testament and 200 New Testament verses. To help parallel study and Strong's Concordance use, apocryphal text is removed and most variant verse numbering is mapped to the English standard. We thank our sources at eBible.org, Crosswire.org, unbound.Biola.edu, Bible4u.net, and NHEB.net. The Aionian Bible is copyrighted with creativecommons.org/licenses/by/4.0, allowing 100% freedom to copy and print, if respecting source copyrights. Check the Reader's Guide and read at AionianBible.org, with Android, and with TOR network. Why purple? King Jesus' Word is royal and purple is the color of royalty! All profits are given to CoolCup.org.




এইদৰে ঈশ্বৰে মানুহক এদন বাৰীৰ পৰা খেদাই দিলে; তাৰ পাছত জীৱন-বৃক্ষৰ ওচৰলৈ যোৱাৰ পথ ৰখিবলৈ,
এদন বাৰীৰ পুবফালে কৰূবসকলক ৰাখিলে আৰু চাৰিওফালে ঘূৰি থকা এখন জলন্তময় তৰোৱালকো তাত থলে।
আদিপুস্তক ৩:২৪

# আদিপুস্তক

১ আদিতে ঈশ্বৰে আকাশ-মণ্ডল আৰু পৃথিৰী সৃষ্টি কৰিলে।
২ পৃথিবীৰ আকাৰ নাছিল আৰু সম্পূৰ্ণ শূণ্য আছিল;
তাৰ ওপৰত আন্ধাৰে ঢকা অগাধ জল আছিল আৰু ঈশ্বৰৰ
আত্মাই সেই জলৰ ওপৰত উমাই আছিল। ৩ ঈশ্বৰে
ক'লে, "পোহৰ হওক," তেতিয়া পোহৰ হ'ল। ৪ ঈশ্বৰে
পোহৰক অতি উত্তম দেখিলে; তেওঁ আন্ধাৰৰ পৰা পোহৰক
পৃথক কৰিলে। ৫ পাছত ঈশ্বৰে পোহৰৰ নাম "দিন" আৰু
আন্ধাৰৰ নাম "ৰাতি" হ'ল। এইদৰে গধূলি হ'ল আৰু
পুৱা হোৱাত এক দিন হ'ল। পাছত ঈশ্বৰে পোহৰৰ নাম
দিন, আৰু আন্ধাৰৰ নাম ৰাতি থলে। গধূলি আৰু পুৱা
হোৱাত প্ৰথম দিন হ'ল। ৬ তাৰ পাছত ঈশ্বৰে ক'লে,
"জলৰ মাজত ভাগ হৈ এক বিস্তৃত খালী অংশ হওঁক
আৰু ই জলক দুভাগ কৰক।" ৭ এইদৰে ঈশ্বৰে জলৰ
মাজত এক খালী অংশৰ সৃষ্টি কৰিলে আৰু তলত থকা
জল ভাগৰ পৰা ওপৰৰ জল ভাগক পৃথক কৰিলে; তাতে
তেনেদৰেই হ'ল। ৮ ঈশ্বৰে সেই বিস্তৃত খালী অংশৰ নাম
"আকাশ" ৰাখিলে। গধূলি আৰু পুৱা হ'লত, দ্বিতীয় দিন
হ'ল। ৯ তাৰ পাছত ঈশ্বৰে ক'লে, "আকাশৰ তলত থকা
জল ভাগ এক ঠাইত আহি গোট খাওঁক আৰু শুকান ভূমি
ওলাওক;" তেতিয়া তেনেদৰেই হ'ল। ১০ ঈশ্বৰে শুকান
ভূমিৰ নাম "স্থল" আৰু গোট খোৱা জল ভাগৰ নাম "সমুদ্ৰ"
হ'ল; তেতিয়া ঈশ্বৰে ইয়াক উত্তম দেখিলে। ১১ ঈশ্বৰে
ক'লে, "ভূমিয়ে ঘাঁহ-বন, শস্য উৎপাদনকাৰী উদ্ভিদ আৰু
বীজ থকা গছ উৎপন্ন কৰক; বিভিন্ন ধৰণৰ ভিতৰত গুটি
থকা ফলৰ গছ স্থলভাগৰ ওপৰত গজি উঠক।" তাতে
তেনেদৰেই হ'ল; ১২ ভূমিত ঘাঁহ-বন, শস্যদায়ী উদ্ভিদ
আৰু বীজ থকা গছ উৎপন্ন হ'ল; বিভিন্ন ধৰণৰ ফলৰ
গছ হ'ল আৰু ফলৰ ভিতৰত গুটি হ'ল। তেতিয়া ঈশ্বৰে
এইবোৰ উত্তম দেখিলে। ১৩ গধূলি আৰু পুৱা হোৱাৰ
পাছত তৃতীয় দিন হ'ল। ১৪ তাৰ পাছত ঈশ্বৰে ক'লে,
"পোহৰ হ'বলৈ আকাশত অনেক জ্যোতিবোৰ হওঁক;
সেই পোহৰে ৰাতিৰ পৰা দিনক পৃথক কৰিব। সেইবোৰ
বেলেগ বেলেগ ঋতু, দিন আৰু বছৰৰ চিন ৰূপে ব্যৱহাৰ
হওঁক। ১৫ সেইবোৰে পৃথিবীৰ ওপৰত পোহৰ দিবলৈ
আকাশত প্ৰদীপস্বৰূপ হওঁক।" তেতিয়া তেনেদৰেই হ'ল।
১৬ ঈশ্বৰে দিনৰ ওপৰত অধিকাৰ চলাবলৈ এক মহা-
জ্যোতি, আৰু ৰাতিৰ ওপৰত অধিকাৰ চলাবলৈ তাতকৈ
এক ক্ষুদ্ৰ-জ্যোতি, এই দুই বৃহৎ জ্যোতি আৰু তৰাবোৰকো
নিৰ্ম্মাণ কৰিলে। ১৭ ঈশ্বৰে সেইবোৰক আকাশৰ মাজত
স্থাপন কৰিলে যাতে সেইবোৰে পৃথিবীৰ ওপৰত পোহৰ
দিয়ে; ১৮ দিন আৰু ৰাতিৰ ওপৰত অধিকাৰ চলায় আৰু
আন্ধাৰৰ পৰা পোহৰক পৃথক কৰে। তেতিয়া ঈশ্বৰে ইয়াক
উত্তম দেখিলে। ১৯ গধূলি আৰু পুৱা হোৱাৰ পাছত চতুৰ্থ
দিন হ'ল। ২০ তাৰ পাছত ঈশ্বৰে ক'লে, "বিভিন্ন প্ৰাণীৰে
জল ভাগ পূৰ্ণ হওঁক আৰু পৃথিবীৰ ওপৰ ভাগত আকাশৰ
মাজত চৰাইবোৰ উড়ি ফুৰক।" ২১ এইদৰে ঈশ্বৰে ডাঙৰ
ডাঙৰ সাগৰীয় প্ৰাণী, জলৰ মাজত বিচৰণ কৰা বিভিন্ন
প্ৰকাৰৰ উৰগ প্ৰাণী আৰু নানাবিধ ডেউকা থকা চৰাই সৃষ্টি
কৰিলে; তেতিয়া ঈশ্বৰে এইবোৰ উত্তম দেখিলে। ২২
ঈশ্বৰে সেইবোৰক আশীৰ্ব্বাদ কৰি ক'লে, "বংশ বৃদ্ধি কৰি
তোমালোকে নিজৰ সংখ্যা বঢ়াই তোলা আৰু সমুদ্ৰবোৰৰ
পানী পৰিপূৰ্ণ কৰা; পৃথিবীৰ ওপৰত চৰাইবোৰেও নিজৰ
সংখ্যা বৃদ্ধি কৰক।" ২৩ গধূলি আৰু পুৱা হোৱাৰ পাছত
পঞ্চম দিন হ'ল। ২৪ তাৰ পাছত ঈশ্বৰে ক'লে, "পৃথিৰীত
বিভিন্ন ধৰণৰ প্ৰাণী উৎপন্ন হওঁক; ঘৰচীয়া পশু, বগাই ফুৰা
প্ৰাণী আৰু নানা বিধ বনৰীয়া জন্তু উৎপন্ন হওঁক।" তাতে
তেনেকুৱাই হ'ল। ২৫ ঈশ্বৰে বিভিন্ন বনৰীয়া জন্তু, বিভিন্ন
ঘৰচীয়া পশু আৰু মাটিত বগাই ফুৰা বিভিন্ন প্ৰাণী নিৰ্ম্মাণ
কৰিলে। তেতিয়া ঈশ্বৰে এইবোৰ উত্তম দেখিলে। ২৬ তাৰ
পাছত ঈশ্বৰে ক'লে, "আমি নিজৰ প্ৰতিমুৰ্ত্তিৰ দৰে আমাৰ
সাদৃশ্যেৰে মানুহ নিৰ্ম্মাণ কৰোঁহক; তেওঁলোকে সমুদ্ৰৰ
মাছ, আকাশৰ চৰাই, ঘৰচীয়া পশু, সমুদায় পৃথিৰী আৰু
পৃথিবীত বগাই ফুৰা প্ৰাণীৰ ওপৰত অধিকাৰ চলাওঁক।"
২৭ তেতিয়া ঈশ্বৰে নিজৰ প্ৰতিমূৰ্ত্তিৰে মানুহ সৃষ্টি কৰিলে;
ঈশ্বৰে নিজৰ প্ৰতিমূৰ্ত্তিৰেই মানুহ সৃষ্টি কৰিলে; তেওঁ
তেওঁলোকক পুৰুষ আৰু স্ত্ৰী কৰি সৃষ্টি কৰিলে। ২৮ পাছত
ঈশ্বৰে তেওঁলোকক আশীৰ্ব্বাদ কৰি ক'লে, "তোমালোক
বহুবংশ হোৱা; বাঢ়ি বাঢ়ি পৃথিবীখন পৰিপূৰ্ণ কৰা আৰু
তাক বশীভুত কৰা; সমুদ্ৰৰ মাছ; আকাশৰ চৰাই, আৰু
পৃথিবীৰ ওপৰত বিচৰণ কৰা সকলো প্ৰাণীৰ ওপৰত
অধিকাৰ চলোৱা।" ২৯ ঈশ্বৰে ক'লে, "চোৱা, গোটেই
পৃথিবীৰ ওপৰিভাগত গুটি উৎপন্ন কৰা গছ আৰু ভিতৰত
গুটি থকা সকলো ফলধৰা গছ মই তোমালোকক দিলোঁ;
সেয়ে তোমালোকৰ আহাৰ হ'ব। ৩০ সকলো বনৰীয়া
জন্তু, আকাশৰ সকলো চৰাই আৰু মাটিত বগাই ফুৰা
সকলো প্ৰাণীৰ আহাৰৰ কাৰণে সকলো কেচাঁ বন দিলোঁ।"
তাতে তেনেকুৱাই হ'ল। ৩১ পাছত ঈশ্বৰে নিজে নিৰ্ম্মাণ
কৰা সকলোকে চালে। সেইবোৰ চাই অতি উত্তম পালে।
গধূলি আৰু পুৱা হোৱাৰ পাছত ষষ্ঠ দিন হ'ল।

২ এনেদৰে আকাশ-মণ্ডল আৰু পৃথিৱী নিৰ্ম্মাণ কৰা
হ'ল; আৰু উভয়কে সকলোৰে পৰিপূৰ্ণ কৰা হ'ল।
২ ইতিমধ্যে ঈশ্বৰে তেওঁৰ কাম শেষ কৰি সপ্তম দিনত
সোমাল আৰু সেইদিনা সকলো কাৰ্যৰ পৰা তেওঁ বিশ্ৰাম
ল'লে। ৩ ঈশ্বৰে সেই সপ্তম দিনক আশীৰ্ব্বাদ কৰি পবিত্ৰ

করিলে; কিয়নো সেইদিনা ঈশ্বৰে নিজৰ সকলো সৃষ্টি
কাৰ্যৰ পৰা বিশ্ৰাম ল'লে। ৪ এয়াই হৈছে আকাশ-মণ্ডল
আৰু পৃথিৱী সৃষ্টিৰ ইতিহাস। ঈশ্বৰ যিহোৱাই যিদিনা
পৃথিৱী আৰু আকাশ-মণ্ডল নিৰ্ম্মাণ কৰিলে, সেই কালৰ
ঘটনাৰ বিৱৰণ এই। ৫ তেতিয়াও পৃথিৱীৰ পথাৰত একো
তৃণ আদি নাছিল; পথাৰত কোনো শস্যদায়ী গছ গজা
নাছিল; কিয়নো তেতিয়াও ঈশ্বৰ যিহোৱাই পৃথিৱীত বৰষুণ
বৰষোৱা নাছিল আৰু মাটি চহাবৰ কাৰণে মানুহো নাছিল।
৬ কিন্তু পৃথিৱীৰ পৰা এক ঘন কুঁৱলী উঠি আহিল আৰু
গোটেই ভূমি ভিজালে। ৭ ঈশ্বৰ যিহোৱাই মাটিৰ পৰা ধুলি
লৈ মানুহ নিৰ্ম্মাণ কৰিলে আৰু সেই মানুহৰ নাকত ফু দি
নিশ্বাস সুমুৱাই দিলে; তাতে মানুহ জীৱন্ত প্ৰাণী হ'ল। ৮
ঈশ্বৰ যিহোৱাই পূবফালে এদনত এখন বাৰী পাতিলে
আৰু তাতে তেওঁ নিজে নিৰ্ম্মাণ কৰা মানুহক ৰাখিলে।
৯ সেই ঠাইৰ মাটিত ঈশ্বৰ যিহোৱাই দেখিবলৈ সুন্দৰ,
খাবলৈকো ভাল এনে সকলো জাতৰ গছ উৎপন্ন কৰিলে;
বাৰীৰ মাজত তেওঁ জীৱন-বৃক্ষ আৰু ভাল বেয়া জ্ঞান
দিওঁতা বৃক্ষকো উৎপন্ন কৰিলে। ১০ সেই বাৰীত পানী
দিবৰ কাৰণে এদনৰ পৰা এখন নদী ওলাই আহিছিল আৰু
সেই ঠাইৰ পৰাই নদীখন চাৰিটা উপনৈত ভাগ হৈছিল।
১১ প্ৰথম নৈৰ নাম পীচোন; এই নদীখন সমুদায় হবীলা
দেশকে ঘেৰি বৈ গৈছে; এই দেশত সোণ পোৱা যায়।
১২ সেই দেশৰ সোণ উত্তম; তাত গুগগুলু আৰু বহুৰঙী
মূল্যৱান পাথৰো পোৱা যায়। ১৩ দ্বিতীয় নৈখনৰ নাম
গীহোন। এই নদী কুচ দেশখনক ঘেৰি বৈ গৈছে। ১৪
তৃতীয় নৈখনৰ নাম হিদ্দেকেল। সেই নদী অচুৰ দেশৰ
পূবদিশে বৈ গৈছে। চতুৰ্থ নদীখনৰ নাম হৈছে ফৰাৎ।
১৫ ঈশ্বৰ যিহোৱাই মানুহক নি এদন বাৰীত ৰাখিলে
যাতে তেওঁ তাত কাম কৰে আৰু তাৰ যত্ন লয়। ১৬ ঈশ্বৰ
যিহোৱাই মানুহক এই আজ্ঞা দিলে, "তুমি বাৰীৰ সকলো
গছৰ ফল স্বচ্ছন্দে খাব পাৰা; ১৭ কিন্তু ভাল বেয়া জ্ঞান
দিওঁতা গছৰ ফল হ'লে নাখাবা; কিয়নো যি দিনা তুমি তাক
খাবা, সেই দিনা অৱশ্যেই তোমাৰ মৃত্যু হ'ব।" ১৮ তাৰ
পাছত ঈশ্বৰ যিহোৱাই ক'লে, "মানুহ অকলে থকা ভাল
নহয়; মই তেওঁৰ বাবে এজন উপযুক্ত সহকাৰী নিৰ্ম্মাণ
কৰিম।" ১৯ ঈশ্বৰ যিহোৱাই মাটিৰ পৰা সকলো প্ৰকাৰৰ
জীৱ-জন্তু আৰু আকাশৰ চৰাইবোৰ নিৰ্ম্মাণ কৰিলে; তাৰ
পাছত তেওঁ সকলো প্ৰাণীকে মানুহৰ ওচৰলৈ আনিলে;
তেওঁ চাব বিচাৰিলে যে মানুহে সেই সকলোবোৰক কি
নাম দি মাতে। তেওঁ সেই প্ৰাণীবোৰৰ যাক যি নামেৰে
মাতিলে, তাৰ নাম সেয়ে হ'ল। ২০ মানুহে সকলো ঘৰচীয়া
পশু, আকাশৰ চৰাই, বনৰীয়া জন্তুবোৰৰ নাম দিলে;
কিন্তু মানুহে নিজৰ কাৰণে সেইবোৰৰ মাজত উপযুক্ত
সহকাৰী নাপালে। ২১ সেয়ে ঈশ্বৰ যিহোৱাই মানুহলৈ
গভীৰ টোপনি আনিলে; তাতে তেওঁ গভীৰ টোপনি গ'ল।
তেতিয়া ঈশ্বৰ যিহোৱাই তেওঁৰ এডাল কামী-হাড় উলিয়াই
সেই ঠাই মঙহেৰে পুৰালে। ২২ ঈশ্বৰ যিহোৱাই মানুহৰ
পৰা উলিওৱা কামী-হাড়ডালেৰে এগৰাকী স্ত্ৰী নিৰ্ম্মাণ
কৰি তেওঁক মানুহৰ ওচৰলৈ লৈ আনিলে। ২৩ তেতিয়া
মানুহে ক'লে, "এতিয়া হৈছে; এওঁ মোৰ হাড়ৰো হাড়,
মোৰ মঙহৰো মঙহ; এওঁক 'নাৰী' বুলি মতা হ'ব; কিয়নো
এওঁক নৰৰ পৰা লোৱা হৈছে।" ২৪ সেইবাবে মানুহে
নিজৰ পিতৃ মাতৃক ত্যাগ কৰি তেওঁৰ স্ত্ৰীৰ প্ৰতি আসক্ত
হ'ব আৰু তেওঁলোক দুয়োজন এক দেহ হ'ব। ২৫ সেই
সময়ত সেই মানুহ আৰু তেওঁৰ স্ত্ৰী দুয়োজন বিবস্ত্ৰ আছিল;
কিন্তু তাক তেওঁলোকে লাজ বুলি নাজানিছিল।

৩ ঈশ্বৰ যিহোৱাই নিৰ্ম্মাণ কৰা সকলো বন্য প্ৰাণীৰ মাজত
সৰ্প আছিল আটাইতকৈ টেঙৰ। সেই সৰ্পই এদিন নাৰী
গৰাকীক ক'লে, "ঈশ্বৰে কি সঁচাই 'তোমালোকে বাৰীত
থকা কোনো গছৰ ফল নাখাবা'এইবুলি তোমালোকক
ক'লে নে?" ২ নাৰীয়ে সৰ্পক ক'লে, "বাৰীৰ গছবোৰৰ ফল
আমি খাব পাৰোঁ; ৩ কিন্তু বাৰীৰ মাজত থকা গছ জোপাৰ
ফলৰ বিষয়ে হ'লে আমাক ঈশ্বৰে ক'লে, 'তোমালোকে
তাক নাখাবাও, নুচুবাও; তাকে কৰিলে তোমালোকৰ
মৃত্যু হ'ব'।" ৪ তেতিয়া সৰ্পই নাৰীক ক'লে, "দৰাচলতে
তোমালোকৰ মৃত্যু নহয়। ৫ কিয়নো ঈশ্বৰে জানে যে,
যিদিনাই তোমালোকে সেই গছৰ ফল খাবা, সেইদিনাই
তোমালোকৰ চকু মুকলি হ'ব। তাতে তোমালোকে ভাল
বেয়া জানোঁতা হৈ ঈশ্বৰৰ নিচিনা হ'বা।" ৬ নাৰীগৰাকীয়ে
যেতিয়া বুজিলে যে সেই গছৰ ফল খাবলৈ ভাল হব;
ই দেখাত লোভনীয় আৰু জ্ঞান লাভ কৰা কথাটোও
মনোমোহা; তেতিয়া নাৰীগৰাকীয়ে তাৰ পৰা কেইটামান
ফল চিঙি খালে আৰু লগত থকা তেওঁৰ গিৰিয়েককো দিলে;
তাতে তেৰোঁ খালে। ৭ তেতিয়া তেওঁলোক দুয়োজনৰ
চকু মুকলি হ'ল। তেওঁলোক যে বিবস্ত্ৰ অৱস্থাত আছে,
এই বিষয়ে বুজি পালে। সেয়ে তেওঁলোকে ডিমৰু গছৰ
পাতবোৰ একেলগে জোৰা লগাই নিজৰ কাৰণে কপিং
চিলাই ল'লে। ৮ পাছত যেতিয়া সন্ধ্যাবেলাৰ শীতল বতাহ
ববলৈ ধৰিলে, তেতিয়া সেই মানুহ আৰু তেওঁৰ স্ত্ৰীয়ে
বাৰীৰ মাজত ঈশ্বৰ যিহোৱাৰ খোজৰ শব্দ শুনিবলৈ পালে
আৰু তেওঁৰ সৈতে সাক্ষাৎ নহ'বলৈ গছবোৰৰ মাজত
লুকালগৈ। ৯ ঈশ্বৰ যিহোৱাই মানুহক মাতি সুধিলে, "তুমি
ক'ত আছা?" ১০ মানুহে ক'লে, "মই বাৰীত আপোনাৰ
শব্দ শুনি মোৰ বিবস্ত্ৰতাৰ কাৰণে ভয় কৰি লুকাই আছোঁ।"
১১ ঈশ্বৰে ক'লে, "তুমি যে বিবস্ত্ৰ, তাক তোমাক কোনে
ক'লে? যি গছৰ ফল নাখাবা বুলি মই তোমাক নিষেধ

কৰিছিলোঁ, তাক তুমি খালা নেকি?” ১২ তেতিয়া মানুহে
ক'লে, “যি স্ত্ৰী গৰাকীক আপুনি মোৰ সঙ্গীনী কৰি দিলে,
তেঁৱেই মোক সেই গছৰ ফল দিলে আৰু সেই ফল মই
খালোঁ।” ১৩ তেতিয়া ঈশ্বৰ যিহোৱাই সেই নাৰীক ক'লে,
“তুমি এইটো কি কৰিলা?” নাৰীয়ে ক'লে, “সৰ্পই মোক
ছলনা কৰি ভুলালে আৰু সেয়ে মই তাক খালো।” ১৪ ঈশ্বৰ
যিহোৱাই সৰ্পক ক'লে, “তোৰ এই কাৰ্যৰ কাৰণে ভূমিৰ
সকলো ঘৰচীয়া আৰু বনৰীয়া প্ৰাণীবোৰৰ মাজত কেৱল
তোকে অভিশপ্ত কৰা হ'ল। তই পেটেৰে গতি কৰিবি আৰু
তোৰ জীৱনৰ গোটেই কালত ধুলি খাবি। ১৫ মই তোৰ
আৰু নাৰীৰ মাজত, তোৰ বংশ আৰু নাৰীৰ বংশৰে মাজত
শত্ৰুতা সৃষ্টি কৰিম; তেওঁ তোৰ মূৰ গুড়ি কৰিব আৰু তই
তেওঁৰ ভৰিৰ গোৰোহা গুড়ি কৰিবি।” ১৬ তাৰ পাছত
ঈশ্বৰে নাৰীক ক'লে, “মই তোমাৰ গৰ্ভ-বেদনা অতিশয়
ৰূপে বৃদ্ধি কৰিম; তুমি কষ্টেৰে সন্তান প্ৰসৱ কৰিবা; স্বামীৰ
কাৰণে তোমাৰ কামনা হ'ব, কিন্তু তেওঁ তোমাৰ ওপৰত
অধিকাৰ চলাব।” ১৭ তেওঁ আদমক ক'লে, “যি গছৰ
ফল খাবলৈ মই তোমাক নিষেধ কৰিছিলোঁ, তুমি তোমাৰ
স্ত্ৰীৰ কথা শুনি তাক খালা। সেয়ে তোমাৰ কাৰণে ভূমি
অভিশপ্ত হৈছে। তুমি গোটেই জীৱন কালত কষ্টৰে পৰিশ্ৰম
কৰি তাৰ পৰা খাবলৈ পাবা। ১৮ ভূমিয়ে তোমালৈ কাঁইট
আৰু কাঁইটীয়া বন উৎপন্ন কৰিব আৰু তুমি পথাৰৰ শস্য
ভোজন কৰিবা। ১৯ মাটিলৈ উলটি নোযোৱা পৰ্যন্ত মূৰৰ
ঘাম পেলাই তুমি আহাৰ কৰিব লাগিব; কিয়নো তোমাক
মাটিৰ পৰা লোৱা হৈছিল; তুমি ধুলি মাথোন আৰু পুনৰায়
ধুলিলৈকে উলটি যাবা।” ২০ পাছত মানুহে নিজৰ ভাৰ্য্যাৰ
নাম হৱা ৰাখিলে; কিয়নো তেওঁ সকলো জীৱিত লোকৰ
মাতৃ। ২১ ঈশ্বৰ যিহোৱাই আদম আৰু তেওঁৰ ভাৰ্যাৰ
কাৰণে ছালৰ বস্ত্ৰ তৈয়াৰ কৰি তেওঁলোকক পিন্ধাই দিলে।
২২ তাৰ পাছত ঈশ্বৰ যিহোৱাই ক'লে, “চোৱা, ভাল বেয়া
জ্ঞান পাই মানুহ আমাৰ এজনৰ নিচিনা হৈ গৈছে। সেয়ে
এতিয়া আমি মানুহক এই অনুমতি দিব নালাগে যেন তেওঁ
হাত আগবঢ়াই জীৱন বৃক্ষৰ ফল পাৰি খাই সদাকাললৈকে
জীৱিত হৈ থাকে।” ২৩ এইবুলি কৈ ঈশ্বৰ যিহোৱাই মাটিৰ
পৰা নিৰ্ম্মাণ কৰা মানুহক মাটিত খেতি কৰিবৰ বাবে এদন
বাৰীৰ পৰা বাহিৰ কৰি দিলে। ২৪ এইদৰে ঈশ্বৰে মানুহক
এদন বাৰীৰ পৰা খেদাই দিলে; তাৰ পাছত জীৱন-বৃক্ষৰ
ওচৰলৈ যোৱাৰ পথ ৰখিবলৈ, এদন বাৰীৰ পুবফালে
কৰূবসকলক ৰাখিলে আৰু চাৰিওফালে ঘূৰি থকা এখন
জলন্তময় তৰোৱালকো তাত থলে।

**4** মানুহে তেওঁৰ ভাৰ্যা হৱাৰ সৈতে একেলগ হোৱাত
তেওঁ গৰ্ভৱতী হৈ কয়িনক প্ৰসৱ কৰিলে। তেতিয়া
হৱাই ক'লে, “যিহোৱাৰ সহায়ত মই এটি পুত্ৰ সন্তান
পালোঁ।” ২ পাছত তেওঁ পুনৰায় কয়িনৰ ভায়েক হেবলক
প্ৰসৱ কৰিলে। হেবল এজন মেৰ-ছাগৰ পালক আৰু কয়িন
কৃষক হ'ল। ৩ পাছত এটা সময়ত কয়িনে যিহোৱাৰ
উদ্দেশ্যে তেওঁৰ ভূমিত উৎপন্ন হোৱা কিছু ফল উৎসৰ্গ
কৰিলে; ৪ হেবলেও নিজৰ জাকৰ পৰা প্ৰথমে জগা
কেইটামান পশু আৰু সেইবোৰৰ চৰ্বি উৎসৰ্গ কৰিলে।
যিহোৱাই হেবলক আৰু তেওঁৰ উৎসৰ্গ গ্ৰহণ কৰিলে; ৫
কিন্তু কয়িনক আৰু তেওঁৰ উৎসৰ্গক হলে গ্ৰহণ নকৰিলে।
সেয়ে কয়িনৰ অতিশয় খং উঠিল আৰু তেওঁৰ মুখো ক'লা
পৰি গ'ল। ৬ তেতিয়া যিহোৱাই কয়িনক ক'লে, “কিয় খং
কৰিছা আৰু কেলেই বা মুখ ক'লা কৰি আছা? ৭ তুমি যদি
ভাল কাম কৰা, তেন্তে জানো তোমাক গ্ৰহণ কৰা নহ'ব?
কিন্তু যদি ভাল কাম নকৰা, তেন্তে পাপে তোমাক তাৰ
বশ কৰিবলৈ দুৱাৰ মুখত খাপ পাতি থাকে; সেয়ে তুমি
তাক দমন কৰিব লাগে।” ৮ তাৰ পাছত এদিন খেতি-
পথাৰত থকাৰ সময়ত কয়িনে ভায়েক হেবলৰ লগত কথা
কৈ আছিল আৰু তেতিয়া কয়িনে নিজ ভায়েক হেবলৰ
বিৰুদ্ধে উঠি তেওঁক বধ কৰিলে। ৯ তেতিয়া যিহোৱাই
কয়িনক সুধিলে, “তোমাৰ ভাই হেবল ক'ত আছে?”
কয়িনে ক'লে, “মই নেজানো, মই মোৰ ভাইৰ ৰখীয়া
নেকি?” ১০ তেতিয়া যিহোৱাই ক'লে, “তুমি কি কৰিলা?
তোমাৰ ভাইৰ তেজে ভূমিৰ পৰা মোলৈ চিঞৰি মাতিছে।
১১ সেয়ে যি ভূমিয়ে তোমাৰ হাতৰ পৰা তোমাৰ ভাইৰ
তেজ গ্ৰহণ কৰিবৰ কাৰণে মুখ মেলিলে, সেই ভূমিৰ পৰাই
তুমি অভিশপ্ত হ'লা। ১২ এতিয়াৰে পৰা তুমি ভূমিত খেতি
কৰিলেও ভুমিৰ পৰা উৎপাদিত বহু শস্য তুমি নাপাবা।
তুমি পৃথিৱীত পলৰীয়া আৰু থানথিত নোহোৱা হ'বা।”
১৩ তেতিয়া কয়িনে যিহোৱাক ক'লে, “এই শাস্তি মোৰ
বাবে অসহনীয়। ১৪ আজি আপুনি মোক ভূমিৰ পৰা খেদি
পঠালে; মই আপোনাৰ সন্মুখৰ পৰা লুকাই থকিব লগা
হ'ব; এই পৃথিৱীত পলৰীয়া হৈ মই যেতিয়া ঘূৰি ফুৰিব লগা
হ'ব, তেতিয়া যেয়ে মোক পাব তেৱেঁ মোক বধ কৰিব।” ১৫
তেতিয়া যিহোৱাই তেওঁক ক'লে, “তেনেহলে যি কোনোৱে
তোমাক বধ কৰিব, তেওঁৰ ওপৰত সাতগুণ প্ৰতিশোধ
লোৱা হ'ব।” তাৰ পাছত যিহোৱাই কয়িনৰ বাবে এনে
এটা চিন দিলে যেন কোনেও তেওঁক পাই বধ নকৰে।
১৬ তাৰ পাছত কয়িনে যিহোৱাৰ সন্মুখৰ পৰা ওলাই গৈ,
এদনৰ পূব দিশে থকা নোদ দেশত বাস কৰিলে। ১৭
কয়িনে তেওঁৰ ভাৰ্য্যাৰ সৈতে একেলগ হোৱাত, তেওঁ
গৰ্ভৱতী হৈ হনোকক প্ৰসৱ কৰিলে; কয়িনে এখন নগৰ
নিৰ্ম্মাণ কৰিলে আৰু পুত্ৰৰ নাম অনুসাৰে সেই নগৰখনৰ
নাম হনোক ৰাখিলে। ১৮ হনোকৰ পুতেকৰ নাম ঈৰদ,
ঈৰদৰ পুতেকৰ নাম মহুৱায়েল, মহুৱায়েলৰ পুতেকৰ

নাম মথুচায়েল, মথুচায়েলৰ পুতেকৰ নাম লেমক। ১৯
লেমকৰ দুগৰাকী ভাৰ্য্যা আছিল। এগৰাকীৰ নাম আদা
আৰু আনগৰাকীৰ নাম চিল্লা। ২০ আদাৰ গৰ্ভত যাবলৰ
জন্ম হ'ল; তম্বুত বাস কৰি পশুপালন কৰা লোকসকলৰ
তেওঁ পূৰ্বপুৰুষ আছিল। ২১ তেওঁৰ ভায়েকৰ নাম আছিল
যুবল; তেওঁ বীণা আৰু বাঁহী বজোৱাসকলৰ আদি পুৰুষ
আছিল। ২২ চিল্লাৰ গৰ্ভত তুবল-কয়িনৰ জন্ম হ'ল; তেওঁ
পিতল আৰু লোহাৰ নানাবিধ অস্ত্ৰ গঢ়োতা আছিল; সেই
তুবল-কয়িনৰ নয়মা নামেৰে এজনী ভনীয়েক আছিল। ২৩
লেমকে তেওঁৰ দুই ভাৰ্য্যাক ক'লে, "হে আদা আৰু চিল্লা,
তোমালোকে মোৰ কথা শুনা; হে লেমকৰ ভাৰ্য্যাসকল,
মোৰ কথালৈ কাণ দিয়া; কিয়নো আঘাত কৰাৰ বাবে
এজন লোকক, আঘাত কৰাৰ বাবে এজন যুবকক মই বধ
কৰিলোঁ। ২৪ কয়িনে হত্যা কৰাৰ প্ৰতিশোধ যদি সাতগুণ
হয়, তেন্তে অৱশ্যেই লেমকৰ প্ৰতিশোধ হ'ব সাতসত্তৰ
গুণ।" ২৫ পাছত আদমে পুনৰায় তেওঁৰ ভাৰ্যাৰ সৈতে
একেলগ হোৱাত, তেওঁৰ পুনৰ এটি পুত্ৰ সন্তান জন্ম হ'ল।
হৱাই সেই সন্তানৰ নাম চেথ ৰাখিলে আৰু ক'লে, "কয়িনে
হেবলক বধ কৰাৰ কাৰণে ঈশ্বৰে মোক হেবলৰ সলনি
পুনৰ এটি সন্তান দিলে।" ২৬ পাছত চেথৰো এটি পুত্ৰ
জন্মিল। তেওঁ তেওঁৰ নাম ইনোচ ৰাখিলে। সেই সময়ৰ
পৰা লোকসকলে যিহোৱাৰ নামেৰে প্ৰাৰ্থনা আদি কৰিবলৈ
আৰম্ভ কৰিলে।




তেতিয়া যীচুৱে ক'লে, "হে পিতৃ, এওঁলোকক ক্ষমা কৰা; কিয়নো এওঁলোকে কি কৰিছে, সেই বিষয়ে নাজানে।"
পাছত তেওঁলোকে চিঠি খেলি তেওঁৰ বস্ত্ৰ ভগাই ললে।
লূক ২৩:৩৪

# যোহন

১ আদিতে বাক্য আছিল; বাক্য ঈশ্বৰৰ সৈতে আছিল আৰু
সেই বাক্যই স্বয়ং ঈশ্বৰ। ২ এই বাক্য আদিতে ঈশ্বৰে
সৈতে আছিল। ৩ তেওঁৰ দ্বাৰাই সকলো সৃষ্টি হ'ল আৰু যি
সকলো হ'ল, সেইবোৰৰ এটাও তেওঁৰ অবিহনে নহ'ল।
৪ জীৱন বাক্যতেই আৰু সেই জীৱনেই সকলো মানুহৰ
বাবে পোহৰ। ৫ সেই পোহৰ আন্ধাৰত উজ্বলি উঠিল
আৰু আন্ধাৰে তাক পৰাভূত নকৰিলে। ৬ ঈশ্বৰে যোহন
নামেৰে এজন মানুহক পঠিয়াইছিল। ৭ তেওঁ সেই পোহৰৰ
বিষয়ে সাক্ষ্য দিবলৈ এজন সাক্ষীৰূপে আহিছিল যাতে
তেওঁৰ দ্বাৰাই সকলোৱে বিশ্বাস কৰে। ৮ যোহন নিজে
সেই পোহৰ নাছিল; তেওঁ সেই পোহৰৰ বিষয়ে সাক্ষ্য
দিবলৈহে আহিছিল। ৯ সেই পোহৰ জগতলৈ আহিছিল
আৰু সকলো মানুহকে পোহৰ দিয়া, সেই সত্য পোহৰ
আছিল। ১০ তেওঁ জগততে আছিল; জগত তেওঁৰ দ্বাৰাই
সৃষ্টি হৈছিল, কিন্তু জগতে তেওঁক নাজানিলে। ১১ যি
জগত তেওঁৰ নিজৰেই, তেওঁ সেই ঠাইলৈ আহিল, কিন্তু
তেওঁৰ নিজৰ লোকেই তেওঁক গ্ৰহণ নকৰিলে। ১২ কিন্তু
যিমান মানুহে তেওঁক গ্ৰহণ কৰিলে আৰু তেওঁৰ নামত
বিশ্বাস কৰিলে, সেই লোক সকলক ঈশ্বৰৰ সন্তান হ'বলৈ
তেওঁ ক্ষমতা দিলে। ১৩ তেওঁলোকৰ জন্ম তেজৰ পৰা
বা মাংসিক অভিলাষৰ পৰা বা মানুহৰ ইচ্ছাৰ পৰা হ'ল,
এনে নহয়, কিন্তু ঈশ্বৰৰ ইচ্ছাৰ পৰাহে হৈছে। ১৪ সেই
বাক্যই মাংস হ'ল; অনুগ্ৰহ আৰু সত্যতাৰে পৰিপূৰ্ণ হৈ
আমাৰ মাজত বসতি কৰিলে; তাতে পিতৃৰ একমাত্ৰ পুত্ৰ
হিচাপে তেওঁৰ যি মহিমা, সেই মহিমা আমি দেখিলোঁ।
১৫ যোহনে তেওঁৰ বিষয়ে সাক্ষ্য দি চিঞৰি ক'লে, "যি
জনৰ বিষয়ে মই কৈছিলোঁ, এৱেঁই সেই জন। যি জন মোৰ
পাছত আহিছে, তেওঁ মোতকৈ আগ হ'ল, কাৰণ তেওঁ মোৰ
পূৰ্বেও আছিল।" ১৬ আমি সকলোৱে তেওঁৰ সেই পূৰ্ণতাৰ
পৰা অনুগ্ৰহৰ ওপৰিও বিনামূলীয়া অনুগ্ৰহ পালোঁ। ১৭
কাৰণ মোচিৰ দ্বাৰা বিধান দিয়া হৈছিল; কিন্তু অনুগ্ৰহ আৰু
সত্যতা যীচু খ্ৰীষ্টৰ দ্বাৰাহে আহিল। ১৮ ঈশ্বৰক কোনেও
কেতিয়াও দেখা নাই; পিতৃৰ কোলাত থকা একমাত্ৰ পুত্ৰই
তেওঁক প্ৰকাশ কৰিলে। ১৯ যোহনে এই সাক্ষ্য দিলে:
ইহুদী সকলে যিৰূচালেমৰ পৰা কেইজনমান পুৰোহিত
আৰু লেবীক যোহনৰ ওচৰলৈ পঠালে। তেওঁলোকে আহি
যোহনক সুধিলে, "আপুনি কোন?" ২০ যোহনে অস্বীকাৰ
নকৰি মুকলিকৈ উত্তৰ দিলে, "মই খ্ৰীষ্ট নহয়।" ২১ তেতিয়া
তেওঁলোকে তেওঁক সুধিলে, "তেনেহলে কোন? আপুনি
এলিয়া নেকি?" তেওঁ ক'লে, "নহয়, মই নহওঁ;" তেওঁলোকে
ক'লে, "তেনেহলে আপুনি সেই ভাৱবাদী নেকি?" তেওঁ
উত্তৰ দিলে, "নহওঁ।" ২২ তেতিয়া তেওঁলোকে তেওঁক
ক'লে, "তেনেহলে আপুনি কোন হয়? আমাক কওক যাতে
যি সকলে আমাক পঠাইছে, তেওঁলোকক আমি উত্তৰ
দিব পাৰোঁ। আপোনাৰ নিজৰ বিষয়ে আপুনি কি কয়?"
২৩ তেওঁ ক'লে, "যিচয়া ভাববাদীয়ে যি দৰে কৈছিল,
'ময়েই সেই মাত, যি জনে মৰুপ্ৰান্তত ৰিঙিয়াই কয়,
প্ৰভুৰ পথ পোন কৰা'।" ২৪ যোহনৰ ওচৰলৈ যি সকলক
পঠোৱা হৈছিল, তেওঁলোক ফৰীচী সম্প্ৰদায়ৰ আছিল।
তেওঁলোকে যোহনক সুধিলে, ২৫ "আপুনি যদি খ্ৰীষ্টও
নহয়, এলিয়াও নহয় বা ভাৱবাদীও নহয়, তেনেহলে কিয়
বাপ্তিস্ম দিছে?" ২৬ যোহনে তেওঁলোকক উত্তৰ দি ক'লে,
"মই হ'লে পানীতহে বাপ্তিস্ম দিছোঁ, কিন্তু আপোনালোকৰ
মাজত এনে এজন থিয় হৈ আছে, যি জনক আপোনালোকে
চিনি নাপায়। ২৭ তেৱেঁই সেই লোক যি জন মোৰ পাছত
আহিছে। মই তেওঁৰ ভৰিৰ পাদুকাৰ ফিটাৰ বান্ধ খুলিবৰো
যোগ্য নহওঁ।" ২৮ যৰ্দ্দন নদীৰ সিপাৰে বৈৎথনিয়া গাৱঁত,
য'ত যোহনে বাপ্তিস্ম দি আছিল, তাতে এই সকলো ঘটিল।
২৯ পাছদিনা যোহনে যীচুক তেওঁৰ ওচৰলৈ অহা দেখি
ক'লে, "সৌৱা চোৱা, ঈশ্বৰৰ মেৰ-পোৱালি, জগতৰ পাপ
বহন কৰি নিওঁতা জন! ৩০ এৱেঁই সেই লোক যি জনৰ
বিষয়ে মই কৈছিলোঁ যে, 'যি জন মোৰ পাছত আহিছে,
তেওঁ মোতকৈ আগ হ'ল, কাৰণ তেওঁ মোৰ বহু আগেয়ে
আছিল'। ৩১ মই তেওঁক চিনি পোৱা নাছিলো; কিন্তু তেওঁ
যেন ইস্ৰায়েলবাসীৰ আগত প্ৰকাশিত হব পাৰে, সেই বাবে
মই আহি পানীত বাপ্তিস্ম দিছোঁ।" ৩২ তাৰ পাছত যোহনে
সাক্ষ্য দি ক'লে, "মই স্বৰ্গৰ পৰা আত্মাক কপৌৰ নিচিনাকৈ
নামি অহা, আৰু তেওঁৰ ওপৰত থকা দেখিলোঁ। ৩৩ মই
তেওঁক চিনি নাপালোঁ। কিন্তু যি জনে পানীত বাপ্তিস্ম
দিবলৈ মোক পঠালে, তেৱেঁ মোক কৈছিল, 'তুমি যি জনৰ
ওপৰত আত্মাক নামি অহা দেখিবা, তেৱেঁ সেই জন, সেই
জনে পবিত্ৰ আত্মাত বাপ্তিস্ম দিব।' ৩৪ মই সেয়া দেখিলোঁ
আৰু সাক্ষ্যও দিওঁ যে, এওঁ ঈশ্বৰৰ পুত্ৰ।" ৩৫ পাছদিনা
যোহন, তেওঁৰ দুজন শিষ্যৰে সৈতে থিয় হৈ আছিল। ৩৬
সেই সময়তে তেওঁলোকে যীচুক খোজকাঢ়ি যোৱা দেখি
যোহনে ক'লে, "সৌৱা, ঈশ্বৰৰ মেৰ-পোৱালিক চোৱা!"
৩৭ সেই দুজন শিষ্যই যোহনৰ কথা শুনি যীচুক অনুসৰণ
কৰিবলৈ ধৰিলে। ৩৮ যীচুৱে মুখ ঘূৰাই তেওঁলোকক
পাছে পাছে অহা দেখি ক'লে, "তোমালোকক কি লাগে?"
তেওঁলোকে যীচুক ক'লে, "ৰব্বি, অৰ্থাৎ গুৰু, আপুনি
ক'ত থাকে?" ৩৯ যীচুৱে তেওঁলোকক ক'লে, "আহা,
চোৱাহি।" তেতিয়া তেওঁলোকে গৈ তেওঁৰ থকা ঠাই চালে
আৰু সেইদিনা তেওঁৰ লগতে থাকিল, কাৰণ তেতিয়া
প্ৰায় সন্ধিয়া হবলৈ হৈছিল। ৪০ যি দুজনে যোহনৰ কথা

শুনি, তেওঁৰ পাছে পাছে গৈছিল তেওঁলোকৰ মাজৰ এজন
হৈছে চিমোন পিতৰৰ ভায়েক আন্দ্ৰিয়। ৪১ তেওঁ প্ৰথমতে
তেওঁৰ ককায়েক চিমোনক লগ পাই ক'লে, "আমি মচীহক
অৰ্থাৎ খ্ৰীষ্টক দেখা পালোঁ।" ৪২ আন্দ্ৰিয়ই চিমোনক যীচুৰ
ওচৰলৈ লৈ আহিল। যীচুৱে তেওঁলৈ চাই ক'লে, "তুমি
যোহনৰ পুতেক চিমোন, তোমাক কৈফা বুলি মতা হব।"
"কৈফা" নামৰ অৰ্থ 'পিতৰ' অৰ্থাৎ শিল। ৪৩ পাছদিনা
যীচুৱে যেতিয়া গালীল প্ৰদেশলৈ যাবৰ বাবে ইচ্ছা কৰিলে,
তেতিয়া যীচুৱে ফিলিপক দেখা পাই ক'লে, "মোৰ পাছে
পাছে আহা।" ৪৪ ফিলিপ বৈৎ-চৈদা গাৱঁৰ লোক আছিল।
আন্দ্ৰিয় আৰু পিতৰো সেই একে গাৱঁৰে লোক আছিল।
৪৫ ফিলিপে পাছত নথনেলক দেখা পাই ক'লে, "মোচিয়ে
বিধান-শাস্ত্ৰত যি জনৰ বিষয়ে লিখিছিল আৰু ভাববাদী
সকলেও যি জনৰ বিষয়ে লিখিছে, আমি তেওঁক দেখা
পালোঁ; তেওঁ নাচৰত নিবাসী যোচেফৰ পুতেক যীচু।" ৪৬
নথনেলে ফিলিপক ক'লে, "নাচৰতৰ পৰা কোনো উত্তম
বস্তু জানো ওলাব পাৰে?" ফিলিপে তেওঁক ক'লে, "আহি
চোৱাহি।" ৪৭ যীচুৱে নথনেলক নিজৰ ফালে আহি থকা
দেখি, তেওঁৰ বিষয়ে ক'লে, "এওঁক চোৱা, এজন প্ৰকৃত
ইস্ৰায়েলী লোক। তেওঁৰ ভিতৰত একো ছলনা নাই!" ৪৮
নথনেলে যীচুক সুধিলে, "আপুনি মোক কেনেকৈ চিনি
পালে?" যীচুৱে উত্তৰ দি তেওঁক ক'লে, "ফিলিপে তোমাক
মতাৰ আগেয়ে যেতিয়া তুমি ডিমৰু গছৰ তলত আছিলা,
মই তেতিয়াই তোমাক দেখিছিলোঁ।" ৪৯ নথনেলে তেওঁক
উত্তৰ দিলে, "ৰব্বি, আপুনিয়েই ঈশ্বৰৰ পুত্ৰ! আপুনিয়েই
ইস্ৰায়েলৰ ৰজা!" ৫০ যীচুৱে উত্তৰ দি তেওঁক ক'লে,
"তোমাক ডিমৰু গছৰ তলত দেখিছিলোঁ, এই কথা কোৱাৰ
কাৰণেই বিশ্বাস কৰিছা নেকি? ইয়াতকৈয়ো অনেক মহৎ
বিষয় তুমি দেখিবলৈ পাবা।" ৫১ যীচুৱে ক'লে, "মই
তোমালোকক সঁচাকৈয়ে কওঁ, তোমালোকে স্বৰ্গৰ দুৱাৰ
মুকলি হোৱা দেখিবা আৰু ঈশ্বৰৰ দূত সকলে মানুহৰ
পুত্ৰৰ ওপৰেদি উঠি যোৱা আৰু নামি অহা দেখিবা।"

২ তিন দিনৰ দিনা গালীল প্ৰদেশৰ কান্না নগৰত এখন
বিয়া হৈছিল আৰু যীচুৰ মাক তাত আছিল। ২ সেই
বিয়ালৈ যীচু আৰু তেওঁৰ শিষ্য সকলকো নিমন্ত্ৰণ কৰা
হৈছিল। ৩ পাছত যেতিয়া দ্ৰাক্ষাৰস শেষ হৈ আহিল,
তেতিয়া যীচুৰ মাকে আহি যীচুক ক'লে, "তেওঁলোকৰ
দ্ৰাক্ষাৰস শেষ হ'ল।" ৪ যীচুৱে তেওঁক ক'লে, "হে নাৰী,
এই কথাত মোৰ সৈতে কি কাম? মোৰ এতিয়াও সময়
হোৱা নাই।" ৫ তেওঁৰ মাকে দাস সকলক ক'লে, "এওঁ
তোমালোকক যিহকে কয়, তাকে কৰিবাহঁক।" ৬ সেই
ঠাইতে ইহুদী সকলৰ ৰীতি অনুসাৰে শুচি হবৰ কাৰণে
পাথৰৰ ছয়টা পানী থোৱা শিলৰ পাত্ৰ আছিল। সেইবোৰৰ
প্ৰত্যেকতে প্ৰায় আশীৰ পৰা এশ বিশ লিটাৰ পানী ধৰে।
৭ যীচুৱে দাসবোৰক ক'লে, "এই পাত্ৰকেইটাত পানী ভৰাই
দিয়া।" দাসবোৰে তেতিয়া সেই পাত্ৰকেইটাৰ কাণলৈকে
পূৰ্ণ কৰি পানী ভৰাই দিলে। ৮ তাৰ পাছত যীচুৱে
সিহঁতক ক'লে, "এতিয়া তাৰ পৰা অলপ উলিয়াই ভোজৰ
অধিকাৰীৰ ওচৰলৈ লৈ যোৱা।" তাতে দাসবোৰে সেইদৰে
কৰিলে। ৯ ভোজৰ অধিকাৰীয়ে পানীৰ পৰা হোৱা সেই
দ্ৰাক্ষাৰস চাকি চালে; কিন্তু সেই ৰস ক'ৰ পৰা আহিল,
তেওঁ নাজানিলে। যি দাসবোৰে পানী তুলিছিল, সিহঁতেহে
জানিলে। তেতিয়া ভোজৰ অধিকাৰীয়ে দৰাক মাতি ক'লে,
১০ "সাধাৰণতে সকলো মানুহে প্ৰথমে উত্তম দ্ৰাক্ষাৰস
পৰিবেশন কৰে আৰু অতিথি সকলে সেয়া ইচ্ছামতে
খোৱাৰ পাছত, তেওঁলোকক আগতকৈ নিম্নমানৰ দ্ৰাক্ষাৰস
পৰিবেশন কৰে। কিন্তু তোমালোকে হ'লে এতিয়ালৈকে
উত্তম দ্ৰাক্ষাৰস ৰাখি থৈছা।" ১১ গালীল প্ৰদেশৰ কান্না
নগৰত এই প্ৰথম আচৰিত চিনৰ কাৰ্য কৰি যীচুৱে নিজৰ
মহিমা প্ৰকাশ কৰিলে। তাতে তেওঁৰ শিষ্য সকলে তেওঁৰ
ওপৰত বিশ্বাস কৰিলে। ১২ তাৰ পাছত যীচুৱে তেওঁৰ
মাক, ভায়েকহঁত আৰু শিষ্য সকলৰ সৈতে কফৰনাহূমলৈ
গ'ল আৰু তাতে তেওঁলোক কিছুদিন থাকিল। ১৩ ইহুদী
সকলৰ নিস্তাৰ-পৰ্ব পালনৰ সময় ওচৰ হোৱাত যীচু
যিৰূচালেমলৈ গ'ল। ১৪ তেওঁ তাত গৈ দেখিলে যে মন্দিৰৰ
মাজত লোক সকলে ষাঁড়-গৰু, মেৰ, কপৌ চৰাই বেচি
আছে আৰু ধন সলোৱা লোক সকলো তাত বহি আছে।
১৫ তেতিয়া তেওঁ কিছুমান ৰছীৰে এডাল চাবুক বনাই
ললে আৰু সেইডালেৰে ষাঁড়-গৰু, মেৰবোৰেৰে সৈতে
সকলোকে মন্দিৰৰ পৰা খেদাই দিলে, আৰু ধন সলোৱা
সকলৰ টকা-পইচা সকলো বাকি দি সিহঁতৰ মেজবোৰ
লুটিয়াই পেলালে। ১৬ যি সকলে পাৰচৰাই বেচিছিল,
তেওঁলোকক ক'লে, "ইয়াৰ পৰা এইবোৰ লৈ যোৱা! মোৰ
পিতৃৰ গৃহক ব্যৱসায়ৰ গৃহ নকৰিবা।" ১৭ ইয়াতে শাস্ত্ৰত
লিখা এই কথা তেওঁৰ শিষ্য সকলৰ মনত পৰিল: "তোমাৰ
গৃহৰ প্ৰতি মোৰ আগ্ৰহে মোক গ্ৰাস কৰিব।" ১৮ তেতিয়া
ইহুদী নেতা সকলে যীচুক সুধিলে, "এইবোৰ আচৰিত
কাৰ্য কৰিবলৈ তুমি যে অধিকাৰ পাইছা, তাৰে কি প্ৰমাণ
তুমি আমাক দেখুৱাব পাৰিবা?" ১৯ যীচুৱে তেওঁলোকক
ক'লে, "তোমালোকে এই মন্দিৰ ভাঙি পেলোৱা, মই তিনি
দিনত তাক তুলি ধৰিম।" ২০ তেতিয়া ইহুদী সকলে ক'লে,
"এই মন্দিৰ নিৰ্ম্মাণ কৰোঁতে ছয়চল্লিশ বছৰ লাগিছিল
আৰু তুমি তাক তিন দিনতে তুলিবা নে?" ২১ কিন্তু যীচুৱে
মন্দিৰ বুলি নিজৰ দেহ-মন্দিৰৰ বিষয়লৈহে সেই কথা
কৈছিল। ২২ সেয়ে, পাছত যেতিয়া যীচুক মৃত লোকৰ
মাজৰ পৰা তোলা হ'ল, তেতিয়া তেওঁৰ শিষ্য সকলৰ মনত

পৰিল যে তেওঁ এই কথাই কৈছিল। তেতিয়া তেওঁলোকে
ধৰ্মশাস্ত্ৰৰ কথাত আৰু যীচুৰ এই কথাত বিশ্বাস কৰিলে।
২৩ নিস্তাৰ-পৰ্বৰ সময়ত যিৰূচালেমত থাকোতে যীচুৱে
যিবোৰ আচৰিত কাম কৰি চিন দেখুৱালে, সেইবোৰ দেখি
বহু মানুহে তেওঁৰ নামত বিশ্বাস কৰিলে। ২৪ কিন্তু যীচুৱে
হ'লে তেওঁলোকৰ ওপৰত নিজে কোনো বিশ্বাস স্থাপন
নকৰিলে, কাৰণ তেওঁ সকলো লোকক জানিছিল। ২৫
মানুহৰ সম্পৰ্কে কোনো লোকৰ সাক্ষ্যৰ প্ৰয়োজন তেওঁৰ
নাছিল; কিয়নো মানুহৰ অন্তৰত কি আছে, তেওঁ নিজে
তাক জানিছিল।

৩ ফৰীচী সকলৰ মাজত নীকদীম নামেৰে এজন লোক
আছিল। তেওঁ ইহুদী পৰিষদৰ এজন অধিকাৰী
আছিল। ২ এদিন ৰাতি তেওঁ যীচুৰ ওচৰলৈ আহি ক'লে,
"ৰব্বি, আমি জানো যে আপুনি ঈশ্বৰৰ ওচৰৰ পৰা অহা
এজন শিক্ষক। কিয়নো আপুনি এই যি যি আচৰিত চিন
দেখুৱাইছে, ঈশ্বৰ সঙ্গী নহ'লে এনে চিন কোনেও দেখুৱাব
নোৱাৰে।" ৩ উত্তৰত যীচুৱে নীকদীমক ক'লে, "মই
আপোনাক সঁচাকৈয়ে কওঁ, নতুন জন্ম নহ'লে, কোনেও
ঈশ্বৰৰ ৰাজ্য দেখা পাব নোৱাৰে।" ৪ নীকদীমে তেওঁক
ক'লে, "মানুহ বুঢ়া হ'লে, কেনেকৈ তেওঁৰ জন্ম হ'ব পাৰে?
তেওঁ দ্বিতীয় বাৰ মাকৰ গৰ্ভত সোমাই জন্ম গ্ৰহণ কৰিব
পাৰিব নে?" ৫ যীচুৱে উত্তৰ দিলে, "মই আপোনাক
সঁচাকৈয়ে কৈছোঁ, জল আৰু আত্মাৰ পৰা জন্ম নহ'লে,
কোনেও ঈশ্বৰৰ ৰাজ্যত সোমাব নোৱাৰে।" ৬ শৰীৰৰ
পৰা যাৰ জন্ম হয়, সেয়ে শৰীৰ হয় আৰু আত্মাৰ পৰা
যাৰ জন্ম হয়, সেয়ে আত্মা হয়। ৭ মই যে আপোনাক
'আপোনালোকৰ নতুনকৈ জন্ম হোৱা প্ৰয়োজন' বুলি
ক'লো, এই কথাত বিস্মিত নহ'ব। ৮ বায়ুৱে যি দিশলৈ
ইচ্ছা কৰে সেই দিশলৈকে বয়। আপুনি তাৰ শব্দ শুনিবলৈ
পায়, কিন্তু ক'ৰ পৰা আহে বা ক'লৈনো যায়, সেই বিষয়ে
আপুনি নাজানে। আত্মাৰ পৰা যি সকলৰ জন্ম হয়,
তেওঁলোক সকলোৱে তেনেকুৱা হয়।" ৯ নীকদীমে উত্তৰ
দি তেওঁক ক'লে, "এইবোৰ কেনেকৈ হ'ব পাৰে?" ১০
যীচুৱে উত্তৰ দি তেওঁক ক'লে, "আপুনি ইস্ৰায়েলৰ শিক্ষক
হৈয়ো এইবোৰ কথা নুবুজে নে? ১১ আপোনাক সঁচাকৈয়ে
কওঁ, আমি যি জানো তাকে কওঁ আৰু যি দেখো সেই
বিষয়ত সাক্ষ্য দিওঁ, কিন্তু আপোনালোকে আমাৰ সাক্ষ্য
গ্ৰহণ নকৰে। ১২ মই আপোনালোকক পাৰ্থিৱ বিষয়ৰ
কথা ক'লে আপোনালোকে যদি বিশ্বাস নকৰে, তেনেহলে
মই স্বৰ্গীয় বিষয়ৰ কোনো কথা ক'লে কেনেকৈ বিশ্বাস
কৰিব? ১৩ যি জন স্বৰ্গৰ পৰা নামি আহিল, সেই মানুহৰ
পুত্ৰৰ বাহিৰে কোনো স্বৰ্গলৈ উঠা নাই। ১৪ মোচিয়ে
যেনেকৈ মৰুপ্ৰান্তত সাপটোক ওপৰত তুলিছিল, তেনেকৈ
মানুহৰ পুত্ৰকো অৱশ্যেই ওপৰত উঠোৱা হ'ব, ১৫ যাতে
তেওঁত বিশ্বাস কৰা সকলোৱে অনন্ত জীৱন পাব পাৰে।
(aiōnios g166) ১৬ কাৰণ ঈশ্বৰে জগতক ইমান প্ৰেম কৰিলে
যে, তেওঁ নিজৰ একমাত্ৰ পুত্ৰকে দান কৰিলে, যাতে যি
কোনোৱে তেওঁত বিশ্বাস কৰে, তেওঁ নষ্ট নহয়, কিন্তু অনন্ত
জীৱন পায়। (aiōnios g166) ১৭ কিয়নো জগতক দোষী
সাব্যস্ত কৰিবলৈ নহয়, কিন্তু জগতে তেওঁৰ দ্বাৰাই পৰিত্ৰাণ
পাবলৈহে ঈশ্বৰে পুত্ৰক জগতলৈ পঠিয়ালে। ১৮ তেওঁত
বিশ্বাস কৰা জনৰ সোধ-বিচাৰ কৰা নহয়; বিশ্বাস নকৰা
জনক দোষী কৰা হ'ল, কিয়নো তেওঁ একমাত্ৰ ঈশ্বৰৰ
পুত্ৰৰ নামত বিশ্বাস কৰা নাই। ১৯ সোধ-বিচাৰৰ কাৰণ
এয়ে যে, জগতলৈ পোহৰ আহিল, কিন্তু মানুহে পোহৰতকৈ
আন্ধাৰক অধিক প্ৰেম কৰিলে; কাৰণ তেওঁলোকৰ কৰ্ম
মন্দ আছিল। ২০ কিয়নো যি জনে কু-আচৰণ কৰে, তেওঁ
পোহৰক ঘৃণা কৰে আৰু তেওঁৰ কৰ্ম যেন প্ৰকাশ নাপায়,
এই কাৰণে তেওঁ পোহৰলৈ নাহে। ২১ কিন্তু যি জনে সত্য
আচৰণ কৰে, তেওঁ পোহৰৰ ওচৰলৈ আহে যাতে সেই
পোহৰত স্পষ্ট বুজা যায় যে তেওঁৰ সকলো কৰ্ম ঈশ্বৰৰ
বাধ্যতাত হৈছে।" ২২ তাৰ পাছত যীচু আৰু তেওঁৰ শিষ্য
সকল যিহুদীয়া প্ৰদেশলৈ গ'ল। তাত তেওঁ শিষ্য সকলৰ
সৈতে কিছুদিন থাকি লোক সকলক বাপ্তিস্ম দি আছিল।
২৩ যোহনেও চালীম নামৰ গাওঁ খনৰ ওচৰতে থকা ঐনোন
নামৰ ঠাই খনত বহুত পানী থকাৰ কাৰণে তাতে বাপ্তিস্ম
দি আছিল আৰু লোক সকলেও তেওঁৰ ওচৰলৈ আহি
বাপ্তিস্ম লৈছিল। ২৪ তেতিয়াও যোহন বন্দীশালত বন্দী
হোৱা নাছিল। ২৫ সেই সময়ত ইহুদী ৰীতি অনুসাৰে শুচি
হোৱাৰ বিষয়টো লৈ যোহনৰ কেইজনমান শিষ্য আৰু এজন
ইহুদী মানুহৰ মাজত তৰ্ক-বিতৰ্কৰ সৃষ্টি হ'ল। ২৬ পাছত
তেওঁলোকে যোহনৰ ওচৰলৈ গৈ ক'লে, "ৰব্বি, যৰ্দ্দন নদীৰ
সিপাৰে যি জন লোক আপোনাৰ লগত আছিল আৰু যি
জনৰ বিষয়ে আপুনি সাক্ষ্য দিছিলে, চাওক, তেওঁ বাপ্তিস্ম
দি আছে। আৰু সকলো মানুহ তেওঁৰ ওচৰলৈ গৈ আছে।"
২৭ যোহনে উত্তৰ দিলে, "স্বৰ্গৰ পৰা দিয়া নহ'লে কোনেও
একোকে লাভ কৰিব নোৱাৰে। ২৮ মই কৈছিলোঁ যে 'মই
খ্ৰীষ্ট নহওঁ, কিন্তু মোক তেওঁৰ আগেয়ে পঠোৱা হৈছে' এই
কথাৰ সাক্ষ্য তোমালোকে নিজেই দিব পাৰা। ২৯ যি জনৰ
হাতত কইনাক দিয়া হয়, তেওঁ দৰা। কিন্তু দৰাৰ বন্ধু জন
থিয় হৈ থাকে আৰু দৰাৰ কথা শুনে। দৰাৰ মাত যেতিয়া
শুনে বন্ধু জন অতিশয় আনন্দিত হয়। তেনেহলে মোৰো
সেই আনন্দ সম্পূৰ্ণ হ'ল। ৩০ তেওঁ বাঢ়ি বাঢ়ি যাব লাগে,
কিন্তু মই হ'লে সৰু হৈ হৈ যাব লাগে। ৩১ যি জন ওপৰৰ
পৰা আহিছে, তেওঁ সকলোৱে ওপৰত। যি জন জগতৰ
পৰা আহে, তেওঁ জগতৰ আৰু তেওঁ জাগতিক কথাহে কয়;

কিন্তু যি জন স্বৰ্গৰ পৰা আহিছে, তেওঁ সকলোতকৈ উৰ্দ্ধত।
৩২ তেওঁ যি দেখিলে আৰু শুনিলে, তাৰে সাক্ষ্য দিয়ে; কিন্তু
তেওঁৰ সাক্ষ্য কোনেও গ্ৰহন নকৰে। ৩৩ যি জনে তেওঁৰ
সাক্ষ্য গ্ৰহন কৰিছে, তেওঁ তাৰ দ্বাৰাই প্ৰমাণ কৰে যে
ঈশ্বৰেই সত্য। ৩৪ কাৰণ ঈশ্বৰে যি জনক পঠিয়াইছে,
তেওঁ ঈশ্বৰৰ কথাকে কয়; ঈশ্বৰে তেওঁক জোখ-মাপ কৰি
তেওঁৰ আত্মা দিয়া নাই। ৩৫ পিতৃয়ে পুত্ৰক প্ৰেম কৰে
আৰু তেওঁৰ হাতত সকলো শোধাই দিলে। ৩৬ পুত্ৰত
বিশ্বাস কৰা জনৰ অনন্ত জীৱন আছে; পুত্ৰক অমান্য কৰা
জনে জীৱনৰ দৰ্শন নাপাব, কিন্তু ঈশ্বৰৰ ক্ৰোধহে তেওঁৰ
ওপৰত থাকে।” (aiōnios g166)

**4** যোহনতকৈ যীচুৱে যে বেছি শিষ্য কৰি বাপ্তিস্ম দি
আছে, এই কথা ফৰীচী সকলে শুনিছে বুলি যীচুৱে
জানিব পাৰিলে; ২ যদিও যীচুৱে নিজে বাপ্তিস্ম দিয়া
নাছিল, কিন্তু তেওঁৰ শিষ্য সকলেহে দিছিল। ৩ তেতিয়া
তেওঁ যিহুদীয়া প্ৰদেশ এৰি পুনৰ গালীল প্ৰদেশলৈ গ’ল। ৪
গালীললৈ যোৱাৰ সময়ত তেওঁ চমৰীয়া প্ৰদেশৰ মাজেদি
যাব লগা হ’ল। ৫ তেওঁ চমৰীয়াৰ চুখৰ নামৰ এখন নগৰলৈ
আহিল। এই নগৰ খন যাকোবে তেওঁৰ পুতেক যোচেফক
যি ডোখৰ মাটি দিছিল, তাৰ ওচৰতে আছিল। ৬ সেই
ঠাইতে যাকোবৰ নাদ আছিল। যাত্ৰা কৰি শ্ৰান্ত হৈ পৰাত
যীচুৱে গৈ সেই নাদৰ দাঁতিত বহিল। তেতিয়া সময় প্ৰায়
ভৰ-দুপৰীয়া আছিল। ৭ এনে সময়তে চমৰীয়াৰ এগৰাকী
মহিলাই পানী তুলিবলৈ আহিল। যীচুৱে তেওঁক ক’লে,
“মোক অলপ পানী খাবলৈ দিয়াছোন।” ৮ সেই সময়ত
যীচুৰ শিষ্য সকলে নগৰলৈ খোৱা বস্তু কিনিবলৈ গৈছিল।
৯ সেই চমৰীয়া মহিলা গৰাকীয়ে যীচুক ক’লে, “আপুনি
এজন ইহুদী মানুহ হৈয়ো মোৰ পৰা কেনেকৈ পানী খাব
খুজিছে? মইতো চমৰীয়া মহিলা!” কিয়নো সেই সময়ত
ইহুদী সকলে চমৰীয়া সকলৰ লগত কোনো ধৰণৰ মিলা
প্ৰীতি নাছিল। ১০ যীচুৱে উত্তৰ দি তেওঁক ক’লে, “তুমি যদি
জানিলাহেঁতেন যে ঈশ্বৰৰ দান কি আৰু কোনে তোমাক
‘মোক পানী খাবলৈ দিয়া’ বুলি কৈছে, তেনেহলে তুমিয়েই
তেওঁক খুজিলাহেঁতেন আৰু তেৰোঁ তোমাক জীৱনময় পানী
দিলেহেঁতেন।” ১১ সেই মহিলাই তেতিয়া উত্তৰ দিলে,
“মহাশয়, আপোনাৰ ওচৰত পানী তুলিবলৈ পাত্ৰ নাই
আৰু নাদটোও গভীৰ; তেনেহলে আপুনি ক’ৰ পৰা সেই
জীৱনময় পানী পাব? ১২ আপুনি জানো আমাৰ পিতৃপুৰুষ
যাকোবতকৈ মহান? তেওঁ আমাক এই নাদটো দি গ’ল।
তেওঁ নিজে এই নাদৰ পানী খাইছিল। তেওঁৰ সন্তান আৰু
পশুবোৰেও ইয়াৰ পানী খাইছিল।” ১৩ যীচুৱে উত্তৰ দি
তেওঁক ক’লে, “এই পানী খোৱা প্ৰতিজনৰ আকৌ পিয়াহ
লাগিব; ১৪ কিন্তু মই যি পানী দিম, তাক যি কোনোৱে পান
কৰে, তেওঁৰ কোনো কালে পিয়াহ নালাগিব। বৰং মই
যি পানী তেওঁক দিম, সেই পানী তেওঁৰ ভিতৰত অনন্ত
জীৱনলৈকে বুৰবুৰাই ওলাই থকা পানীৰ ভুমুক হ’ব।”
(aiōn g165, aiōnios g166) ১৫ সেই মহিলাই তেওঁক ক’লে,
“হে মহাশয়, মোৰ পিয়াহ যেন নালাগে আৰু পানী তুলিবলৈ
যেন ইয়ালৈ আহিব নালাগে, এই কাৰণে সেই পানী মোক
দিয়ক।” ১৬ যীচুৱে তেওঁক ক’লে, “যোৱা, তোমাৰ স্বামীক
ইয়ালৈ মাতি আনাগৈ।” ১৭ সেই মহিলাই উত্তৰ দি তেওঁক
ক’লে, “মোৰ স্বামী নাই।” যীচুৱে তেওঁক ক’লে, “তুমি
ঠিকেই কৈছা যে তোমাৰ স্বামী নাই। ১৮ কিয়নো তোমাৰ
স্বামী পাঁচ জন হৈ গ’ল আৰু এতিয়া যি জন আছে, তেৰোঁ
তোমাৰ স্বামী নহয়; সেয়ে তুমি যি কৈছা ই সঠিক!” ১৯ সেই
তিৰোতাই যীচুক ক’লে, “মহাশয়, মই দেখিছোঁ, আপুনি
এজন ভাৱবাদী। ২০ আমাৰ পিতৃপুৰুষ সকলে এই পৰ্বতৰ
ওপৰত ভজনা কৰিছিল; কিন্তু আপোনালোক ইহুদী সকলে
কয় যে যিৰূচালেমেই সেই ঠাই য’ত লোক সকলে ভজনা
কৰা উচিত।” ২১ যীচুৱে তেওঁক ক’লে, “হে নাৰী, মোৰ
কথা বিশ্বাস কৰা! এনে কাল আহিছে যেতিয়া তোমালোকে
পিতৃ ঈশ্বৰৰ ভজনা এই পৰ্বতত নাইবা যিৰূচালেমত
নকৰিবা। ২২ তোমালোকে যিহক নাজানা, তাৰ ভজনা
কৰা; আমি যিহক জানো তাৰ ভজনা কৰোঁ; কিয়নো
পৰিত্ৰাণ ইহুদী লোকৰ মাজৰ পৰাই আহিছে। ২৩ কিন্তু যি
কালত স্বৰূপ ভকত সকলে আত্মাৰে আৰু সত্যেৰে পিতৃৰ
ভজনা কৰিব, এনে কাল আহিছে, এনে কি এতিয়াই সেই
সময় হৈছে; কিয়নো পিতৃয়ে এনেকুৱা ভকত সকলকহে
বিচাৰে। ২৪ ঈশ্বৰেই আত্মা আৰু তেওঁৰ ভজনা কৰা সকলে
আত্মাৰে আৰু সত্যেৰে তেওঁক ভজনা কৰিব লাগে।” ২৫
সেই মহিলাই তেওঁক ক’লে, “মচীহ, যি জনক খ্ৰীষ্ট বোলা
হয়, তেওঁ যে আহি আছে সেই বিষয়ে মই জানো। তেওঁ
যেতিয়া আহিব, তেতিয়া আমাক সকলো কথা জনাব।”
২৬ যীচুৱে তেওঁক ক’লে, “তোমাৰে সৈতে কথা-বাৰ্ত্তা
হোৱা ময়েই সেই মচীহ।” ২৭ তেনে সময়তে তেওঁৰ শিষ্য
সকল ঘূৰি আহিল আৰু এগৰাকী মহিলাৰ সৈতে যীচুক
কথা পাতি থকা দেখি আচৰিত হ’ল। তথাপি কোনেও
তেওঁক এই কথা নুসুধিলে “আপুনি কি বিচাৰিছে?” বা
“কি কাৰণে আপুনি তেওঁৰ লগত কথা পাতিছে?” ২৮
সেই মহিলা গৰাকীয়ে তেতিয়া নিজৰ পানী লোৱা পাত্ৰ
তাতে এৰি থৈ নগৰলৈ গৈ লোক সকলক মাতি ক’লে,
২৯ “আহাঁছোন, এজন মানুহক চোৱাঁহি; মই যি সকলো
কৰিলোঁ, তেওঁ সেই সকলোকে মোক ক’লে। এই জনেই
সেই খ্ৰীষ্ট নেকি?” ৩০ তেতিয়া লোক সকলে নগৰৰ পৰা
ওলাই যীচুৰ ওচৰলৈ আহিব ধৰিলে।। ৩১ ইয়াৰ মাজতে
শিষ্য সকলে তেওঁক অনুৰোধ কৰি ক’লে, “ৰব্বি, আপুনি

অলপ মান কিবা খাই লওঁক।” ৩২ কিন্তু তেওঁ তেওঁলোকক
ক’লে, “মোৰ এনে আহাৰ খাবলগীয়া আছে, যিহৰ বিষয়ে
তোমালোকে নাজানা।” ৩৩ শিষ্য সকলে পৰস্পৰে কোৱা-
কুই কৰিবলৈ ধৰিলে, “তেনেহলে কি কোনোবাই তেওঁলৈ
খোৱা বস্তু আনি দিলে নেকি?” ৩৪ যীচুৱে তেওঁলোকক
ক’লে, “মোক পঠোৱা জনৰ ইচ্ছা পালন কৰা, আৰু তেওঁৰ
কাৰ্য সিদ্ধ কৰাই মোৰ আহাৰ। ৩৫ তোমালোকে প্ৰায়েই
নোকোৱা নে ‘আৰু চাৰিমাহ বাকী আছে, তাৰ পাছতে ধান
দাবৰ সময় হ’ব?’ কিন্তু, মই হ’লে তোমালোকক কওঁ,
তোমালোকে চকু তুলি পথাৰলৈ চোৱা, এতিয়াও দাবলৈ
ধান পকি আছে। ৩৬ যি জনে দায়, তেওঁ বেচ পায় আৰু
অনন্ত জীৱনলৈ শস্য চপায়; তাতে যি জনে ধান ৰোৱে
আৰু ধান দায়, দুয়োৰে একেলগে আনন্দ কৰে। **(aiōnios
g166)** ৩৭ ইয়াত এই কথাটো সত্য যে, ‘এজনে ৰোৱে আৰু
আন জনে দায়’। ৩৮ মই তোমালোকক এনে শস্য দাবলৈ
পঠালোঁ, যিহৰ কাৰণে তোমালোকে শ্ৰম কৰা নাই; তাৰ
কাৰণে আন লোকে পৰিশ্ৰম কৰিলে আৰু তোমালোকে
তেওঁলোকৰেই শ্ৰমৰ শস্য গোটাইছা।” ৩৯ যি মহিলা
গৰাকীয়ে সাক্ষ্য দিছিল যে “মই যি সকলো কৰিলোঁ, তেওঁ
মোক সেই সকলোকে ক’লে,” তেওঁৰ কথাত সেই নগৰৰ
অনেক চমৰীয়া মানুহে যীচুত বিশ্বাস কৰিলে। ৪০ লোক
সকলে যীচুৰ ওচৰলৈ আহি তেওঁক তেওঁলোকৰ লগত
কিছুদিন থাকিবলৈ অনুৰোধ কৰিলে। তেওঁ তাত দুদিন
থাকিল। ৪১ তেওঁৰ কথা শুনি অনেকে বিশ্বাস কৰিলে। ৪২
তেওঁলোকে সেই মহিলা গৰাকীক ক’লে, “এতিয়া যে আমি
বিশ্বাস কৰিছোঁ, কেৱল তোমাৰ কথাতে নহয়, কিন্তু আমি
নিজেই তেওঁৰ কথা শুনি বুজি পালোঁ যে, এওঁ সঁচাকৈয়ে
জগতৰ ত্ৰাণকৰ্তা।” ৪৩ দুদিনৰ পাছত তেওঁ তাৰ পৰা
গালীল প্ৰদেশলৈ গ’ল। ৪৪ কাৰণ যীচুৱে নিজে কৈছিল যে,
কোনো ভাববাদীয়ে নিজৰ দেশত মৰ্যদা নাপায়; ৪৫ তেওঁ
যেতিয়া গালীল প্ৰদেশলৈ আহিল, তেতিয়া গালীলীয়া লোক
সকলে তেওঁক সাদৰেৰে গ্ৰহণ কৰিলে; কাৰণ তেওঁলোকো
সেই নিস্তাৰ পৰ্বৰ সময়ত যিৰূচালেমলৈ গৈছিল আৰু
তাতে নিস্তাৰ পৰ্বৰ সময়ত তেওঁ যি যি কৰিছিল, সেই
সকলো তেওঁলোকে দেখিছিল। ৪৬ পাছত তেওঁ গালীল
প্ৰদেশৰ কান্না নগৰলৈ পুনৰ আহিল। ইয়াতে তেওঁ পানীক
দ্ৰাক্ষাৰসলৈ পৰিণত কৰিছিল। তেতিয়া কফৰনাহূম নগৰত
কোনো এজন ৰাজ-কৰ্মচাৰীৰ পুত্ৰ অসুস্থ হৈ আছিল। ৪৭
তেওঁ যেতিয়া শুনিলে যে যীচু যিহুদীয়াৰ পৰা গালীল
প্ৰদেশলৈ ঘূৰি আহিছে, তেতিয়া তেওঁ যীচুৰ ওচৰলৈ গৈ
অনুৰোধ কৰি ক’লে, যীচুৱে যেন আহি তেওঁৰ ল’ৰাক
সুস্থ কৰি দিয়ে; কিয়নো তেওঁৰ ল’ৰা জন তেতিয়া মৰোঁ
মৰোঁ অৱস্থাত আছিল। ৪৮ যীচুৱে তেতিয়া তেওঁক ক’লে,
“আপোনালোকে কোনো অদ্ভুত চিন আৰু আচৰিত কাৰ্য
নেদেখিলে, মোৰ ওপৰত বিশ্বাস নকৰিব।” ৪৯ সেই
ৰাজকৰ্মচাৰী জনে তেওঁক ক’লে, “মহাশয়, দয়া কৰি মোৰ
ল’ৰাটিৰ মৃত্যু নহওতেই আহক!” ৫০ যীচুৱে তেওঁক ক’লে,
“ঘৰলৈ যাওক, আপোনাৰ ল’ৰা জনে জীৱন পালে।”
মানুহ জনে যীচুৱে কোৱা কথাত বিশ্বাস কৰিলে আৰু
ঘৰলৈ গুছি গ’ল। ৫১ তেওঁ যেতিয়া ঘৰলৈ উলটি গৈ
আছিল, তেতিয়া বাটত তেওঁৰ দাসবোৰে লগ পাই ক’লে,
“আপোনাৰ ল’ৰা জন জীয়াই উঠিল।” ৫২ তেতিয়া তেওঁ
সিহঁতক সুধিলে, “সি কেতিয়াৰ পৰা ভাল হ’বলৈ ধৰিলে?”
সিহঁতে তেওঁক ক’লে, “কালি দুপৰীয়া সময়ত তাৰ জ্বৰ
এৰিলে।” ৫৩ ল’ৰাটোৰ বাপেকে বুজিব পাৰিলে যে ঠিক
সেই সময়তে যীচুৱে তেওঁক কৈছিল, “আপোনাৰ ল’ৰা
জনে জীৱন পালে।” তেতিয়া সেই ৰাজকৰ্মচাৰী আৰু
তেওঁৰ ঘৰৰ সকলোৱে যীচুত বিশ্বাস কৰিলে। ৫৪ যীচুৱে
পুণৰ যিহুদীয়াৰ পৰা গালীল প্ৰদেশলৈ গৈ এইটো দ্বিতীয়
আচৰিত চিন দেখুৱালে।

৫ এই ঘটনাৰ পাছত যীচু যিৰূচালেমলৈ গ’ল, কাৰণ
সেই সময়ত ইহুদী সকলৰ এটা পৰ্ব আছিল। ২
যিৰূচালেমত মেষ-দ্বাৰৰ ওচৰত এটা পুখুৰী আছে। ইব্ৰী
ভাষাত সেই পুখুৰীটোক ‘বৈথেচদা’ বোলা হয়। পুখুৰীটোত
পাঁচোটা চালি দিয়া ঘাট আছিল। ৩ সেইবোৰত কণা,
খোৰা, নিচলা আদি কৰি অনেক ৰুগীয়া মানুহ পৰি থাকে।
সেই লোক সকলে পানীত খলকনি উঠাৰ অপেক্ষাত থাকে।
কাৰণ সময়ে সময়ে প্ৰভুৰ এজন দূতে সেই পুখুৰীলৈ
নামি গৈ পানীত আলোড়ন তোলে আৰু সেই আলোড়নৰ
পাছতেই প্ৰথমে যি জনে পানীত নামিব পাৰে, তেওঁৰ
যি কোনো ৰোগ ভাল হৈ যায়। ৫ তাত আঠত্ৰিশ বছৰ
ধৰি বেমাৰ ভোগ কৰি থকা এজন ৰুগীয়া মানুহ আছিল।
৬ যীচুৱে তেওঁক পৰি থকা দেখি আৰু বহু দিনৰ ৰোগী
যেন জানি, তেওঁক সুধিলে, “তুমি সুস্থ হ’বলৈ ইচ্ছা কৰা
নে?” ৭ ৰোগী জনে তেওঁক উত্তৰ দিলে, “মহাশয়, যেতিয়া
পানীত খলকনি উঠে, তেতিয়া পুখুৰীত নমাই দিবলৈ মোৰ
কোনো মানুহ নাই; সেয়ে, মই যাওঁতে যাওঁতে মোতকৈ
আগেয়ে আনে নামেগৈ।” ৮ যীচুৱে তেওঁক ক’লে, “উঠা,
তোমাৰ শয্যা তুলি লৈ খোজকাঢ়ি ফুৰা।” ৯ তেতিয়াই
সেই মানুহ জনে সুস্থ হ’ল আৰু নিজৰ শয্যা তুলি লৈ খোজ
কাঢ়িবলৈ ধৰিলে। ১০ সেই দিনটো বিশ্ৰামবাৰ আছিল;
সেয়েহে ইহুদী সকলে সুস্থ হোৱা জনক ক’লে, “আজি
বিশ্ৰামবাৰ; বিধানৰ মতে শয্যা তুলি নিব নাপায়।” ১১
কিন্তু তেওঁ তেওঁলোকক উত্তৰ দিলে, “যি জনে মোক সুস্থ
কৰিলে, সেই জনেই মোক ক’লে, বোলে তোমাৰ শয্যা
তুলি লৈ খোজকাঢ়ি ফুৰা।” ১২ তেওঁলোকে তেওঁক সুধিলে,

“তোমাৰ শয্যা তুলি লৈ খোজকাঢ়ি যোৱা বুলি কোৱা সেই
মানুহ জন কোন?” ১৩ কিন্তু সুস্থ হোৱা মানুহ জনে ‘তেওঁ
কোন আছিল’ তাক জনা নাছিল। কিয়নো সেই ঠাইত
অনেকে ভিৰ কৰাত, যীচু আতৰি গৈছিল। ১৪ পাছত যীচুৱে
মন্দিৰত তেওঁক দেখা পাই ক’লে, “চোৱা তুমি এতিয়া
সুস্থ হ’লা! আৰু পাপ নকৰিবা, যাতে তোমাৰ অধিক ক্ষতি
নহয়।” ১৫ তেতিয়া সেই মানুহে গৈ ইহুদী সকলক ক’লে,
“যি জনে মোক সুস্থ কৰিলে, তেওঁ যীচু।” ১৬ এই কাৰণতে
ইহুদী সকলে যীচুক তাড়না কৰিবলৈ ধৰিলে, কাৰণ তেওঁ
বিশ্ৰামবাৰে এইবোৰ কৰ্ম কৰিলে। ১৭ যীচুৱে তেওঁলোকক
ক’লে, “মোৰ পিতৃয়ে এতিয়ালৈকে কৰ্ম কৰি আছে, ময়ো
কৰিছোঁ।” ১৮ যীচুৰ এই কথাৰ কাৰণে ইহুদী সকলে
তেওঁক বধ কৰিবলৈ উপায় বিচাৰিলে। কিয়নো যীচুৱে
যে কেৱল বিশ্ৰামবাৰৰ বিধান লঙ্ঘন কৰিলে, এনে নহয়,
তেওঁ ঈশ্বৰক নিজৰ পিতৃ বুলি মাতি নিজকে ঈশ্বৰৰ সমান
কৰিলে। ১৯ ইয়াৰ উত্তৰত যীচুৱে তেওঁলোকক ক’লে,
“মই সঁচাকৈয়ে আপোনালোকক কওঁ, পুত্ৰই নিজৰ পৰা
একো কৰিব নোৱাৰে। পিতৃক যি যি কৰা দেখে, কেৱল
তাকেহে কৰিব পাৰে। ২০ কাৰণ, পিতৃয়ে পুত্ৰক প্ৰেম
কৰে আৰু নিজে যি কৰে সেই সকলোকে পুত্ৰক দেখুৱায়।
আপোনালোক যেন অধিক আচৰিত হৈ যায়, তাৰ বাবে
তেওঁ ইয়াতকৈয়ো মহৎ মহৎ কৰ্ম পুত্ৰক দেখুৱাব। ২১
পিতৃয়ে যেনেকৈ মৃতকক তুলি জীৱন দিয়ে, পুত্ৰয়ো যি
জনকে ইচ্ছা কৰে, তেওঁক জীৱন দিয়ে। ২২ পিতৃয়ে
কোনো জনৰ সোধ-বিচাৰ নকৰে, কিন্তু সমস্ত বিচাৰৰ ভাৰ
তেওঁ পুত্ৰক দিলে, ২৩ যাতে পিতৃক যেনেকৈ সকলোৱে
সন্মান কৰে, তেনেকৈ পুত্ৰকো যেন সন্মান কৰে; যি জনে
পুত্ৰক সন্মান নকৰে, তেওঁ তেওঁক পঠোৱা পিতৃকো সন্মান
নকৰে। ২৪ মই সঁচাকৈয়ে কওঁ, যি জনে মোৰ কথা শুনি
মোক পঠোৱা জনত বিশ্বাস কৰে, তেওঁৰ অনন্ত জীৱন
আছে আৰু তেওঁ দোষীৰূপে বিবেচিত নহ’ব, কিন্তু মৃত্যুৰ
পৰা জীৱনলৈ পাৰ হ’ল। (aiōnios g166) ২৫ আপোনালোকক
সঁচাকৈয়ে কওঁ, যি সময়ত মৃত লোকে ঈশ্বৰৰ পুত্ৰৰ মাত
শুনিব, এনে সময় আহি আছে, বৰং আহি পালেহি আৰু
যি সকলে শুনিব, তেওঁলোক জীৱ। ২৬ কিয়নো পিতৃ
নিজে যেনেকৈ জীৱনৰ আধিকাৰী, তেনেকৈ তেওঁ পুত্ৰকো
নিজে জীৱনৰ অধিকাৰী হবলৈ দিলে। ২৭ পিতৃয়ে সেই
পুত্ৰৰ হাতত মানুহৰ সকলো সোধ-বিচাৰৰ ক্ষমতা দিলে,
কাৰণ তেওঁ মানুহৰ পুত্ৰ। ২৮ এই কথা শুনি বিস্মিত নহ’ব;
কিয়নো এনে সময় আহিছে, যি সকল মৈদামত আছে,
তেওঁলোক সকলোৱে মনুষ্য পুত্ৰৰ মাত শুনিব ২৯ আৰু
ওলাই আহিব। সৎকৰ্ম কৰা সকল জীৱনৰ পুনৰুত্থানলৈ,
দুষ্টকৰ্ম্ম কৰা সকল সোধ-বিচাৰৰ পুনৰুত্থানলৈ ওলাই
আহিব। ৩০ মই নিজে একো কৰিব নোৱাৰো; যেনেকৈ
শুনো, তেনেকৈয়ে বিচাৰ কৰোঁ আৰু মোৰ বিচাৰ ন্যায়;
কিয়নো মই মোৰ নিজৰ ইচ্ছা বিচৰা নাই, কিন্তু যি জনে
মোক পঠাইছে, তেওঁৰ ইচ্ছাহে বিচাৰো। ৩১ মই যদি
কেৱল নিজৰ বিষয়ে নিজে সাক্ষ্য দিওঁ, তেনেহলে মোৰ
সেই সাক্ষ্য সত্য নহয়। ৩২ আন এজন আছে, যি জনে মোৰ
বিষয়ে সাক্ষ্য দিয়ে আৰু মই জানো যে তেওঁ মোৰ বিষয়ে
যি সাক্ষ্য দিয়ে, সেই সাক্ষ্য সত্য। ৩৩ আপোনালোকে
যোহনৰ ওচৰলৈ লোক পঠাইছিল আৰু যোহনে সত্যৰ
পক্ষে সাক্ষ্য দিছিল। ৩৪ অৱশ্যে মোৰ মানুহৰ পৰা
পোৱা সাক্ষ্যৰ প্ৰয়োজন নাই; তথাপি মই এইবোৰ কথা
কৈছোঁ, যাতে আপোনালোকে পৰিত্ৰাণ পাব পাৰে। ৩৫
সেই যোহন আছিল এটি প্ৰদীপ স্বৰূপ, তেওঁ নিজে জ্বলি
পোহৰ বিলাই আছিল। আপোনালোকে অলপ কালৰ
বাবে তেওঁৰ পোহৰত আনন্দ উপভোগ কৰিবলৈ ইচ্ছুক
হৈছিল। ৩৬ কিন্তু মোৰ যি সাক্ষ্য আছে, সেয়া যোহনৰ
সাক্ষ্যতকৈয়ো মহত্বপূৰ্ণ; কাৰণ পিতৃয়ে মোক যি কামবোৰ
সম্পূৰ্ণ কৰিবলৈ দিছে, মই সেইবোৰ কামেই কৰিছোঁ আৰু
সেইবোৰে মোৰ বিষয়ে সাক্ষ্য দিয়ে যে পিতৃয়ে মোক
পঠাইছে। ৩৭ সেই পিতৃ, যি জনে মোক পঠালে, তেওঁ
মোৰ বিষয়ে সাক্ষ্য দিছে। আপোনালোকে তেওঁৰ মাত
কোনো কালে শুনা নাই; তেওঁৰ আকৃতিও দেখা নাই। ৩৮
তাৰ উপৰি তেওঁৰ বাক্যও আপোনালোকৰ অন্তৰত নাই;
কিয়নো যি জনক তেওঁ পঠালে, আপোনালোকে সেই জনক
বিশ্বাস নকৰে। ৩৯ আপোনালোকে সকলো ধৰ্মশাস্ত্ৰ অতি
মনোযোগ সহকাৰে পঢ়ে, কাৰণ আপোনালোকে ভাৱে
সেইবোৰৰ মাজেদিয়ে আপোনালোকে অনন্ত জীৱন পাব।
সেই শাস্ত্ৰবোৰে মোৰ বিষয়েই সাক্ষ্য দিছে; (aiōnios g166)
৪০ তথাপি আপোনালোকে জীৱন লাভ কৰিবলৈ, মোৰ
ওচৰলৈ আহিব নিবিচাৰে। ৪১ মই মানুহৰ প্ৰশংসাপাবলৈ
চেষ্টা নকৰোঁ; ৪২ কিন্তু মই আপোনালোকক জানো যে,
আপোনালোকৰ অন্তৰত ঈশ্বৰৰ প্ৰতি প্ৰেম নাই। ৪৩ মই
মোৰ পিতৃৰ নামেৰে আহিছোঁ আৰু আপোনালোকে মোক
গ্ৰহণ নকৰে; কিন্তু আন কোনো যদি নিজৰ নামেৰে আহে,
আপোনালোকে তেওঁক গ্ৰহণ কৰিব। ৪৪ আপোনালোকে
এজনে আন জনৰ পৰা প্ৰশংসাগ্ৰহন কৰিবলৈ আশা
কৰে, কিন্তু যি প্ৰশংসা একমাত্ৰ ঈশ্বৰৰ পৰা পোৱা যায়,
তালৈ আশা নকৰে। সেয়ে আপোনালোকে কেনেকৈ
বিশ্বাস কৰিব পাৰিব? ৪৫ নাভাবিব যে পিতৃৰ আগত
মই আপোনালোকক দোষী কৰিম; আপোনালোকক
দোষী কৰোঁতা আন এজন আছে। যি মোচিৰ ওপৰত
আপোনালোকে আশা কৰিছে, তেৱেঁই আপোনালোকক
দোষী কৰিছে। ৪৬ আপোনালোকে যদি মোচিক বিশ্বাস

কৰে, তেনেহলে মোকো বিশ্বাস কৰিলেহেঁতেন; কিয়নো মোচিয়ে মোৰেই বিষয়ে লিখিছে। ৪৭ কিন্তু তেওঁৰ লিখনি যদি আপোনালোকে বিশ্বাস নকৰে, তেনেহলে কেনেকৈ মোৰ কথা বিশ্বাস কৰিব?”

৬ ইয়াৰ পাছত যীচু গালীল সাগৰৰ সিপাৰলৈ গ’ল। এই সাগৰক তিবিৰিয়া সাগৰো কোৱা হয়। ২ তেতিয়া বহু মানুহৰ এটা দল যীচুৰ পাছে পাছে গ’ল, কাৰণ যীচুৱে ৰোগী সকললৈ যি যি কৰিছিল, সেই সকলো আচৰিত কাৰ্যৰ চিনবোৰ তেওঁলোকে দেখা পাইছিল। ৩ পাছত যীচু আৰু তেওঁৰ শিষ্য সকল পাহাৰৰ ওপৰলৈ উঠি গৈ বহিল। ৪ সেই সময়ত ইহুদী সকলৰ নিস্তাৰ-পৰ্বৰ দিন ওচৰ চাপি আহিছিল। ৫ যীচুৱে ওপৰৰ ফালে চাই দেখিলে যে এক বৃহৎ মানুহৰ দল তেওঁৰ ওচৰলৈ আহি আছে। তেতিয়া তেওঁ ফিলিপক সুধিলে, “এওঁলোকক খোৱাবৰ কাৰণে আমি ক’ৰ পৰা পিঠা কিনিবলৈ পাম?” ৬ ফিলিপক পৰীক্ষা কৰিবলৈকে যীচুৱে এই কথা ক’লে, কাৰণ যীচুৱে কি কৰিব তাক তেওঁ নিজে জানিছিল। ৭ ফিলিপে উত্তৰ দিলে, “এওঁলোক প্ৰত্যেকে যদি অলপকৈয়ো পায়, তথাপি দুশ আধলিৰ পিঠা কিনিলেও যথেষ্ট নহ’ব।” ৮ যীচুৰ শিষ্য সকলৰ মাজত এজনৰ নাম আছিল আন্দ্ৰিয়। তেওঁ চিমোন পিতৰৰ ভায়েক। তেওঁ যীচুক ক’লে, ৯ “ইয়াত এজন সৰু ল’ৰা আছে আৰু তেওঁৰ ওচৰত পাঁচোটা যৱৰ পিঠা আৰু দুটা সৰু মাছ আছে; কিন্তু ইমান মানুহৰ মাজত তাৰে কি হ’ব?” ১০ যীচুৱে ক’লে, “লোক সকলক বহিবলৈ দিয়া।” সেই ঠাইতে ভালেমান বন আছিল। তেতিয়া সকলো লোক তাৰ ওপৰতে বহিল। তাত পুৰুষৰ সংখ্যাই প্ৰায় পাঁচ হাজাৰ আছিল। ১১ তাৰ পাছত যীচুৱে সেই পিঠাকেইখন লৈ ঈশ্বৰক ধন্যবাদ দি বহি থকা সকলৰ মাজত ভগাই দিলে। তেনেদৰে তেওঁ পাছত মাছো ভগাই দিলে। যেয়ে যিমান বিচাৰিলে সিমানকৈ পালে। ১২ তেনেকৈ তেওঁলোক পৰিতৃপ্ত হোৱাৰ পাছত যীচুৱে শিষ্য সকলক ক’লে, “যি টুকুৰাবোৰ বাকী থাকিল, তাৰ একোৱেই যেন নষ্ট নহয়; সেইবোৰ একেলগে গোটাই লোৱা।” ১৩ তেতিয়া শিষ্য সকলে সেইবোৰ গোটালে আৰু লোক সকলে খোৱাৰ পাছত সেই পাঁচোটা যৱৰ পিঠাৰ যি টুকুৰাবোৰ বাকী থাকিল, সেইবোৰ গোটাই তেওঁলোকে বাৰটা পাচি পূৰ কৰিলে। ১৪ যীচুৰ এই আচৰিত কাৰ্য দেখি লোক সকলে কবলৈ ধৰিলে, “জগতলৈ যি জন ভাৱবাদী অহাৰ কথা আছে, এওঁ নিশ্চয়ে সেই ভাৱবাদী।” ১৫ যেতিয়া যীচুৱে বুজিলে যে লোক সকলে তেওঁক জোৰ কৰি তেওঁলোকৰ ৰজা পাতিবৰ কাৰণে ধৰি নিবলৈ উদ্যত হৈছে; তেতিয়া তেওঁ আতৰি অকলে সেই পাহাৰলৈ পুণৰ উঠি গ’ল। ১৬ যেতিয়া সন্ধিয়া নামি আহিল, যীচুৰ শিষ্য সকল সাগৰৰ তীৰলৈ নামি গ’ল। ১৭ তেওঁলোকে গৈ এখন নাৱত উঠিল আৰু কফৰনাহূম নগৰৰ ফালে সাগৰ পাৰ হৈ যাবলৈ ধৰিলে। ইতিমধ্যে আন্ধাৰ হৈ গৈছিল, কিন্তু যীচু তেতিয়াও তেওঁলোকৰ ওচৰ আহি নাপালে। ১৮ বৰ জোৰেৰে বতাহ বলাত সাগৰত ঢৌ উঠিছিল। ১৯ শিষ্য সকলে নাও বাই প্ৰায় পাঁচ ছয় কিলোমিটাৰমান যোৱাৰ পাছত দেখিলে, যীচু সাগৰৰ ওপৰেদি খোজকাঢ়ি নাৱঁৰ ওচৰলৈ আহি আছে। তাকে দেখি তেওঁলোকে অতিশয় ভয় খালে। ২০ তেতিয়া যীচুৱে তেওঁলোকক ক’লে, “এয়া মইহে! ভয় নকৰিবা।” ২১ শিষ্য সকলে যীচুক নাৱত তুলি লবলৈ বিচাৰিলে আৰু তেওঁলোক যি ঠাইলৈ গৈ আছিল, নাও খন তেতিয়াই সেই ঠাই পালেগৈ। ২২ পিছদিনা খনৰ কথা। যি সকল লোক সাগৰৰ আন পাৰত থিয় হৈ আছিল, তেওঁলোকে দেখিছিল যে কেৱল মাত্ৰ এখন নাৱৰ বাহিৰে সেই ঠাইত আন এখনো নাও নাছিল আৰু যীচু তেওঁৰ শিষ্য সকলৰ সৈতে তাত নুঠিল, অকল শিষ্য সকলহে আতৰি গৈছিল। ২৩ কিন্তু, প্ৰভুৱে ধন্যবাদ দিয়াৰ পাছত লোক সকলে যি ঠাইত পিঠা খাইছিল, সেই ঠাইৰ ওচৰতে তিবিৰিয়াৰ পৰা অহা কিছুমান নাও আছিল। ২৪ সেয়ে, লোক সকলে যেতিয়া জানিলে যে যীচু আৰু তেওঁৰ শিষ্য সকল সেই ঠাইত নাই, তেতিয়া তেওঁলোকে সেই নাওবোৰত উঠি যীচুক বিচাৰি কফৰনাহূমলৈ গ’ল। ২৫ সাগৰৰ সিটো পাৰত তেওঁলোকে যীচুক দেখা পাই ক’লে, “ৰব্বি, আপুনি ইয়ালৈ কেতিয়া আহিল?” ২৬ যীচুৱে তেওঁলোকক উত্তৰ দি ক’লে, “মই আপোনালোকক অতি সত্যৰূপে কওঁ, আপোনালোকে আচৰিত চিন দেখিছে কাৰণে নহয়, বৰং পিঠা খাই তৃপ্ত হোৱাৰ কাৰণেহে মোক বিচাৰিছে। ২৭ ক্ষয়ণীয় আহাৰৰকাৰণে শ্ৰম কৰিবলৈ এৰক; কিন্তু অনন্ত জীৱনলৈকে যি আহাৰ থাকে তাৰ কাৰণে শ্ৰম কৰক। সেই আহাৰ মানুহৰ পুত্ৰই আপোনালোকক দিব; কিয়নো পিতৃ ঈশ্বৰে তেওঁৰ ওপৰত নিজৰ মোহৰমাৰিলে।” **(aiōnios g166)** ২৮ লোক সকলে তেওঁক সুধিলে, “তেনেহলে ঈশ্বৰৰ কৰ্ম কৰিবলৈ আমি কি কৰিব লাগে?” ২৯ যীচুৱে উত্তৰ দিলে, “ঈশ্বৰে যি জনক পঠালে, আপোনালোকে তেওঁত বিশ্বাস কৰাই হৈছে ঈশ্বৰৰ মনোনীত কৰ্ম।” ৩০ তেতিয়া তেওঁলোকে তেওঁক সুধিলে, “আমি দেখি বিশ্বাস কৰিবলৈ আপুনি কি এনে কাৰ্য কৰি আচৰিত চিন দেখুৱাব? আপুনি কি কৰ্ম কৰিব? ৩১ আমাৰ পূৰ্বপুৰুষ সকলে মৰুপ্ৰান্তত মান্না খাইছিল; যেনেকৈ শাস্ত্ৰত লিখা আছে, ‘তেওঁ তেওঁলোকক খাবলৈ স্বৰ্গৰ পৰা পিঠা দিলে’।” ৩২ যীচুৱে তেওঁলোকক ক’লে, “মই আপোনালোকক সঁচাকৈয়ে কওঁ, স্বৰ্গৰ পৰা সেই পিঠা মোচিয়ে আপোনালোকক দিয়া নাছিল, কিন্তু মোৰ পিতৃয়েহে আপোনালোকক স্বৰ্গৰ পৰা প্ৰকৃত পিঠা

দিয়ে ৩৩ কিয়নো স্বৰ্গৰ পৰা নামি আহি যিহে জগতক
জীৱন দান কৰে, সেয়ে ঈশ্বৰে দিয়া পিঠা।” ৩৪ লোক
সকলে ক'লে, “তেনেহলে প্ৰভু, সেই পিঠা আমাক সকলো
সময়তে দিয়ক।” ৩৫ যীচুৱে তেওঁ তেওঁলোকক ক'লে,
“জীৱন দিওঁতা আহাৰ ময়েই; যি জন মোৰ ওচৰলৈ আহে,
তেওঁৰ কেতিয়াও ভোক নালাগিব; আৰু যি জনে মোত
বিশ্বাস কৰে, তেওঁৰ কেতিয়াও পিয়াহ নালাগিব। ৩৬
মই আপোনালোকক কৈছোঁ যে, আপোনালোকে মোক
দেখিছে, কিন্তু আপোনালোকে বিশ্বাস নকৰে। ৩৭ পিতৃয়ে
মোক যি সকলক দিছে, তেওঁলোক সকলোৱেই মোৰ
ওচৰলৈ আহিব; আৰু মোৰ ওচৰলৈ অহা জনক মই
কেতিয়াও বাহিৰ কৰি নিদিম। ৩৮ কিয়নো মই মোৰ নিজৰ
ইচ্ছা পূৰ কৰিবলৈ স্বৰ্গৰ পৰা নামি অহা নাই, কিন্তু মোক
পঠোৱা জনৰ ইচ্ছা পূৰ কৰিবলৈহে নামি আহিছোঁ। ৩৯
মোক পঠোৱা জনৰ ইচ্ছা এই যে, তেওঁ মোক যি সকলক
দিলে, তেওঁলোকৰ এজনকো যেন মই নেহেৰুৱাও, কিন্তু
শেষৰ দিনা তেওঁলোক সকলোকে যেন মই উঠাও। ৪০
মোৰ পিতৃৰ ইচ্ছা এই- যি কোনোৱে পুত্ৰক দেখি তেওঁত
বিশ্বাস কৰে, তেওঁ যেন অনন্ত জীৱন পায়; আৰু শেষৰ
দিনা মই তেওঁক তুলিম।” (aiōnios g166) ৪১ পাছত ইহুদী
নেতা সকলে যীচুৰ বিষয়ে ভোৰভোৰনি আৰম্ভ কৰিলে;
যিহেতু তেওঁ কৈছিল, “স্বৰ্গৰ পৰা নমা আহাৰ ময়েই;” ৪২
সেই নেতা সকলে কৈছিল, “এওঁ যোচেফৰ পুতেক যীচু,
যাৰ বাপেক-মাকক আমি জানো, সেই জনেই নহয় নে?
তেনেহলে 'মই স্বৰ্গৰ পৰা নামি আহিছোঁ' এই কথা এতিয়া
তেওঁ কেনেকৈ কৈছে?” ৪৩ যীচুৱে তেওঁলোকক উত্তৰ দি
ক'লে, “আপোনালোকে নিজৰ মাজত সেই ভোৰভোৰনি
বন্ধ কৰক। ৪৪ যি জনে মোক পঠাইছে, সেই পিতৃয়ে
চপাই নললে, কোনেও মোৰ ওচৰলৈ আহিব নোৱাৰে;
আৰু মই শেষৰ দিনা তেওঁক তুলিম। ৪৫ ভাববাদী সকলৰ
পুস্তকত এই বুলি লিখা আছে, 'তেওঁলোক সকলোৱে
ঈশ্বৰৰ পৰা শিক্ষা লাভ কৰিব।'যি জনে পিতৃৰ পৰা শুনি
শিক্ষা পাইছে, তেৱেঁই মোৰ ওচৰলৈ আহে। ৪৬ কোনোৱে
যে পিতৃক দেখিলে, এনে নহয়, কেৱল যি জন ঈশ্বৰৰ
পৰা হয়, তেৱেঁই পিতৃক দেখিলে। ৪৭ মই সঁচাকৈয়ে
কৈছোঁ, যি জনে বিশ্বাস কৰে, সেই জনৰ অনন্ত জীৱন
আছে। (aiōnios g166) ৪৮ জীৱন দিওঁতা আহাৰ (পিঠা)
ময়েই। ৪৯ আপোনালোকৰ পিতৃপুৰুষ সকলে মৰুপ্ৰান্তত
মান্না খাইছিল আৰু তেওঁলোক মৰিল৷ ৫০ স্বৰ্গৰ পৰা নামি
অহা আহাৰ এয়ে; যি মানুহে ইয়াক খায়, তেওঁ পুনৰ
নমৰে। ৫১ স্বৰ্গৰ পৰা নমা জীৱনময় আহাৰ ময়েই। যদি
কোনোৱে এই আহাৰ খায়, তেনেহলে তেওঁ চিৰকাল
জীৱ; আৰু জগতৰ জীৱনৰ কাৰণে মই যি আহাৰ দিম,
সেয়ে মোৰ মাংস।” (aiōn g165) ৫২ এই কথাত ইহুদী
সকল খঙত জ্বলি উঠি পৰস্পৰে বাকযুদ্ধত লিপ্ত হৈ ক'লে,
“কেনেকৈ এই মানুহ জনে তেওঁৰ দেহৰ মাংস আমাক
খাবলৈ দিব পাৰে?” ৫৩ যীচুৱে তেওঁলোকক ক'লে,
“সঁচাকৈয়ে মই আপোনালোকক কওঁ, মানুহৰ পুত্ৰৰ মাংস
নাখালে আৰু তেওঁৰ তেজ পান নকৰিলে, আপোনালোকৰ
ভিতৰত জীৱন নাই। ৫৪ যি কোনোৱে মোৰ মাংস খায়,
আৰু মোৰ তেজ পান কৰে, তেওঁৰ অনন্ত জীৱন আছে;
আৰু শেষৰ দিনা মই তেওঁক তুলিম। (aiōnios g166) ৫৫
কিয়নো মোৰ মাংসই প্ৰকৃত ভক্ষ্য আৰু মোৰ তেজেই
প্ৰকৃত পানীয়। ৫৬ যি জনে মোৰ মাংস খায় আৰু মোৰ
তেজ পান কৰে, সেই জন মোত থাকে, ময়ো তেওঁত
থাকোঁ। ৫৭ যেনেকৈ জীৱিত পিতৃয়ে মোক পঠালে আৰু
পিতৃৰ কাৰণে মই জীৱিত আছোঁ, তেনেকৈ যি কোনোৱে
মোক ভোজন কৰে, তেৱোঁ মোৰ দ্বাৰাই জীয়াই থাকিব।
৫৮ স্বৰ্গৰ পৰা নমা আহাৰ এয়েই। পিতৃপুৰুষ সকলে
যেনেকৈ খায়ো মৰিল, তাৰ নিচিনা নহয়; যি জনে এই
আহাৰ খায়, সেই জন চিৰকাল জীৱ।” (aiōn g165) ৫৯
এই সকলো কথা যীচুৱে কফৰনাহূমত উপদেশ দিয়াৰ
সময়ত নাম-ঘৰত ক'লে। ৬০ যীচুৰ শিষ্য সকলৰ মাজৰ
অনেকে এই কথা শুনি ক'লে, “ই বৰ কঠিন শিক্ষা; কোনে
ইয়াক গ্ৰহণ কৰিব পাৰে?” ৬১ যীচুৱে নিজৰ মনতে জানিব
পাৰিছিল যে তেওঁৰ শিষ্য সকলে এই বিষয়ত বু বু বা
বা কৰি আছে; সেয়ে তেওঁ শিষ্য সকলক সুধিলে, “এই
কথাত তোমালোকে মনত বিঘিনি পাইছা নেকি? ৬২
মানুহৰ পুত্ৰক যেতিয়া উৰ্দ্ধত তেওঁৰ আগৰ থকা ঠাইলৈ
উঠা দেখিবা, তেতিয়া তোমালোকে কি ভাবিবা? ৬৩
আত্মাইহে জীৱন দিয়ে। মাংস একো উপকাৰত নাহে;
মই তোমালোকক যিবোৰ কথা কৈছোঁ, সেই কথাই আত্মা
আৰু জীৱন। ৬৪ কিন্তু তোমালোকৰ মাজত এনে কিছুমান
আছে, যি সকলে বিশ্বাস নকৰে।” কিয়নো যীচুৱে আদিৰে
পৰা জানিছিল, কোনে কোনে বিশ্বাস নকৰে আৰু কোনে
তেওঁক শত্ৰুৰ হাতত শোধাই দিব। ৬৫ তেওঁ পুনৰ ক'লে,
“এই কাৰণে মই তোমালোকক কৈছিলোঁ যে, পিতৃয়ে ইচ্ছা
নকৰিলে কোনেও মোৰ ওচৰলৈ আহিব নোৱাৰে।” ৬৬
ইয়াৰ পাছতে তেওঁৰ শিষ্য সকলৰ মাজৰ অনেক উলটি
গ'ল; তেওঁৰ লগত পুনৰ অহা-যোৱা নকৰিলে। ৬৭ যীচুৱে
তেতিয়া সেই বাৰ জন পাঁচনিক ক'লে, “তোমালোকেও
যাবলৈ ইচ্ছা কৰা নে?” ৬৮ চিমোন পিতৰে তেওঁক উত্তৰ
দিলে, “প্ৰভু, আমি কাৰ ওচৰলৈ যাম? অনন্ত জীৱনৰ কথা
আপোনাৰ ওচৰতহে আছে। (aiōnios g166) ৬৯ আমি বিশ্বাস
কৰিছোঁ আৰু জানিছোঁ যে আপুনিয়েই ঈশ্বৰৰ পবিত্ৰ জন।”
৭০ যীচুৱে তেওঁলোকক ক'লে, “মই তোমালোক বাৰ জনক

মনোনীত কৰা নাই নে? কিন্তু তোমালোকৰ মাজতো
এজন দিয়াবলআছে।” ৭১ ইয়াত ঈষ্কৰিয়োতীয়া চিমোনৰ
পুত্ৰ যিহূদাৰ বিষয়ে কৈছিল; কিয়নো যদিও তেওঁ বাৰ
জনৰ মাজৰ এজন আছিল, তথাপি তেৱেঁ পাছত যীচুক
শত্ৰুৰ হাতত শোধাই দিছিল।

৭ তাৰ পাছত যীচুৱে গালীল প্ৰদেশৰ ভিন ভিন ঠাইত
ঘূৰি ফুৰিলে। ইহুদী সকলে তেওঁক বধ কৰিবলৈ
সুযোগ বিচাৰি থকা বাবে যীচুৱে যিহুদীয়া প্ৰদেশলৈ
যাবলৈ ইচ্ছা নকৰিলে। ২ তেতিয়া ইহুদী সকলৰ পঁজা-
পৰ্বৰ সময় প্ৰায় ওচৰ চাপিছিল। ৩ সেই কাৰণতে যীচুৰ
ভায়েকহঁতে তেওঁক ক'লে, “তুমি যি যি কাম কৰিছা,
সেইবোৰ তোমাৰ শিষ্য সকলে দেখা পাবৰ বাবে তুমিও
এই ঠাই এৰি যিহুদীয়ালৈ যোৱা। ৪ যদি কোনোবাই নিজে
জনাজাত হ'ব বিচাৰে, তেনেহলে তেওঁ গোপনে একো
নকৰে। তুমি যেতিয়া এইবোৰ কামকে কৰা, তেনেহলে
জগতৰ সন্মুখত নিজকে দেখুউৱা।” ৫ কিয়নো তেওঁৰ
ভায়েক সকলে তেওঁত বিশ্বাস কৰা নাছিল। ৬ সেয়ে যীচুৱে
তেওঁলোকক ক'লে, “মোৰ নিৰূপিত সময় এতিয়াও অহা
নাই, কিন্তু তোমালোকৰ সময় সদায় আছে। ৭ জগতে
তোমালোকক ঘৃণা কৰিব নোৱাৰে; মোকহে ঘৃণা কৰে;
কিয়নো মই জগতৰ বিষয়ে এই সাক্ষ্য দিওঁ যে, জগতৰ
সকলো কাম মন্দ। ৮ তোমালোকে পৰ্বলৈ যোৱা; মোৰ
সময় এতিয়াও পূৰ্ণ হোৱা নাই, সেয়ে মই এতিয়া পৰ্বলৈ
নাযাওঁ।” ৯ তেওঁলোকক এইবোৰ কথা কোৱাৰ পাছত
যীচু গালীল প্ৰদেশতে থাকি গ'ল। ১০ তেওঁৰ ভায়েক সকল
পৰ্বলৈ গ'ল আৰু পাছত তেৰোঁ তালৈ গ'ল। কিন্তু তেওঁ
মুকলিকৈ যোৱা নাছিল, গোপনে গ'ল। ১১ পৰ্বৰ সময়ত
ইহুদী সকলে যীচুক বিচাৰি সোধা-সুধি কৰিলে, “সেই
মানুহ জন ক'ত আছে?” ১২ লোক সকলৰ মাজত যীচুৰ
বিষয়ে নানা ধৰণৰ আলোচনা হবলৈ ধৰিলে। কোনো
কোনোৱে ক'লে, “তেওঁ এজন ভাল মানুহ।” আন কিছুমানে
আকৌ ক'লে, “নহয়, নহয়, তেওঁ লোক সকলক ভুল
পথত লৈ গৈছে।” ১৩ কিন্তু ইহুদী সকলৰ ভয়ত তেওঁৰ
বিষয়ে কোনেও মুকলিকৈ একো কথা নক'লে। ১৪ যেতিয়া
পৰ্বৰ আধা সময় পাৰ হ'ল, তেতিয়া যীচুৱে মন্দিৰলৈ গৈ
উপদেশ দিবলৈ আৰম্ভ কৰিলে। ১৫ তাতে ইহুদী সকলে
অতিশয় আচৰিত হৈ ক'লে, “এই লোক জনে কেতিয়াও
কোনো শিক্ষা নোলোৱাকৈ ইমানবোৰ ধৰ্ম কথা কেনেকৈ
জানিলে?” ১৬ যীচুৱে তেওঁলোকক উত্তৰ দি ক'লে, “এই
উপদেশ মোৰ নিজৰ নহয়, মোক পঠোৱা জনৰহে।”
১৭ যদি কোনোৱে তেওঁৰ ইচ্ছা পালন কৰিবলৈ বিচাৰে,
তেনেহলে তেওঁ জানিব যে এই শিক্ষা ঈশ্বৰৰ পৰা আহিছে
নে মই নিজৰ পৰা কৈছোঁ। ১৮ যি জনে নিজৰ পৰা কথা
কয়, তেওঁ নিজৰ মৰ্যদা বিচাৰে; কিন্তু কোনো জনে যদি
পঠোৱা জনৰ গৌৰৱ বিচাৰে, তেনেহলে তেওঁ সত্য, আৰু
তেওঁৰ ভিতৰত একো অসাধুতা নাই। ১৯ মোচিয়ে জানো
আপোনালোকক বিধান দিয়া নাই? কিন্তু আপোনালোকৰ
কোনেও যে সেই বিধান পালন নকৰে। আপোনালোকে
মোক কিয় বধ কৰিবলৈ বিচাৰিছে? ২০ লোক সকলে
উত্তৰ দিলে, “তোমাক ভূতে পাইছে; তোমাক কোনে বধ
কৰিবলৈ বিচাৰিছে?” ২১ যীচুৱে উত্তৰত তেওঁলোকক
ক'লে, “মই এটা কাম কৰিলোঁ, তাতে আপোনালোক
সকলোৱে বিস্ময় মানিছে। ২২ মোচিয়ে আপোনালোকক
চুন্নৎ কৰাৰ ৰীতি দিলে আৰু আপোনালোকে বিশ্ৰামবাৰেও
শিশু সকলৰ চুন্নৎ কৰে। (মূলত: এই বিধান মোচিৰ
পৰা নহয়, কিন্তু পিতৃপুৰুষ সকলৰ পৰাহে আহিছে); ২৩
মোচিৰ বিধান যেন উলঙ্ঘন কৰা নহয়, এই যুক্তিতে
যদি বিশ্ৰাম বাৰেও মানুহৰ চুন্নৎ কৰা হয়, তেনেহলে
মই বিশ্ৰামবাৰে এজন মানুহক সম্পূৰ্ণভাৱে সুস্থ কৰিলোঁ
কাৰণে আপোনালোকৰ মোৰ ওপৰত কিয় খং উঠিছে?
২৪ উপৰুৱাকৈ চাই বিচাৰ নকৰিব, বৰং ন্যায়-বিচাৰ
কৰক।” ২৫ তেতিয়া যিৰূচালেমৰ কেইজনমান লোকে
ক'লে, “যি জনক তেওঁলোকে বধ কৰিবলৈ বিচাৰিছে,
এৱেঁই জানো সেই জন নহয়? ২৬ কিন্তু চোৱা, এওঁতো
মুকলিকৈ কথা কৈ আছে, তথাপি তেওঁলোকে এওঁক
একো কোৱা নাই। তেনেহলে, এনে হব পাৰে নেকি,
শাসনকৰ্তা সকলে সঁচাই জানিব পাৰিছে যে এই লোক
জনেই খ্ৰীষ্ট? ২৭ এওঁ ক'ৰ পৰা আহিছে, তাক আমি
জানো; কিন্তু খ্ৰীষ্ট আহিলে, কোনেও নাজানিব, তেওঁ ক'ৰ
পৰা আহিছে।” ২৮ তেতিয়া যীচুৱে মন্দিৰত শিক্ষা দিলে
আৰু উচ্চস্বৰে ক'লে, “আপোনালোকে মোক জানে আৰু
মই ক'ৰ পৰা আহিছোঁ, সেই বিষয়েও জানে৷ মই নিজ
ইচ্ছাৰে অহা নাই, কিন্তু যি জনে মোক পঠালে, তেওঁ সত্য;
তেওঁক আপোনালোকে নাজানে। ২৯ মই হ'লে তেওঁক
জানো; কিয়নো মই তেওঁৰ পৰা আহিছোঁ আৰু তেৱেঁই
মোক পঠিয়ালে।” ৩০ তাতে সেই লোক সকলে তেওঁক
ধৰিবলৈ উপায় বিচাৰিলে; তথাপি কোনেও তেওঁৰ গাত
হাত নিদিলে; কিয়নো তেতিয়া তেওঁৰ সময় হোৱা নাছিল।
৩১ কিন্তু লোক সকলৰ অনেকে তেওঁত বিশ্বাস কৰিলে।
তেওঁলোকে ক'লে, “এই লোক জনে অনেক আচৰিত
কাম কৰিছে। কিন্তু খ্ৰীষ্ট যেতিয়া আহিব, তেতিয়া তেওঁ
এওঁতকৈ অধিক আচৰিত চিনৰ কাৰ্য কৰিব নেকি?” ৩২
লোক সকলে যে যীচুৰ বিষয়ে এনেবোৰ কথা কোৱা-কুই
কৰি আছে, সেই বিষয়ে ফৰীচী সকলে শুনিবলৈ পালে।
তেতিয়া প্ৰধান পুৰোহিত আৰু ফৰীচী সকলে তেওঁক বন্দী
কৰিবলৈ বিষয়া সকলক পঠিয়াই দিলে। ৩৩ যীচুৱে ক'লে,

“মই অলপ কালহে আপোনালোকৰ লগত আছোঁ। তাৰ
পাছত যি জনে মোক পঠিয়াইছে, মই তেওঁৰ ওচৰলৈ যাম।
৩৪ আপোনালোকে মোক বিচাৰিব, কিন্তু নাপাব; আৰু মই
যি ঠাইলৈ যাম, আপোনালোক তালৈ যাব নোৱাৰিব।” ৩৫
ইহুদী সকলে তেতিয়া পৰস্পৰে কথা পাতিলে, “আমি যে
তেওঁক বিচাৰি নাপাম, এনেকৈ তেওঁনো ক’লৈ যাব? গ্ৰীক
সকলৰ মাজত যি সকল ইহুদী বাস কৰিছে, তালৈ গৈ
তেওঁলোকক শিক্ষা দিব নেকি? ৩৬ তেওঁ যে কৈছে, ‘মোক
বিচাৰিবা, কিন্তু নাপাবা, আৰু মই যি ঠাইত থাকিম, তালৈ
যাব নোৱাৰিবা’, এইটোনো কি কথা?” ৩৭ পৰ্বৰ শেষৰ
দিন - যি দিনটো পৰ্বৰ প্ৰধান দিন, সেইদিনা যীচুৱে অশ্রু
টুকি থিয় হল, আৰু উচ্চস্বৰে ক’লে, “কোনো মানুহৰ যদি
পিয়াহ লাগে, তেওঁ মোৰ ওচৰলৈ আহি পান কৰক। ৩৮ যি
কোনোৱে মোত বিশ্বাস কৰে, ধৰ্মশাস্ত্ৰত কোৱাৰ দৰে,
তেওঁৰ ভিতৰৰ পৰা জীৱনময় জলৰ নৈবোৰ ওলাই বৈ
যাব।” ৩৯ যীচুক বিশ্বাস কৰা সকলে যে আত্মা পাব, সেই
বিষয়ে তেওঁ এই কথা ক’লে। কিয়নো তেতিয়ালৈকে আত্মা
দিয়া হোৱা নাছিল, কাৰণ তেতিয়ালৈকে যীচু মহিমান্বিত
হোৱা নাছিল। ৪০ এই সকলো কথা শুনি, লোক সকলৰ
কোনো কোনোৱে ক’লে, “এওঁ সঁচাই সেই ভাৱবাদী।”
আন কিছুমানে ক’লে, “এওঁ খ্ৰীষ্ট।” ৪১ কিন্তু কিছুমানে
ক’লে, “কি? খ্ৰীষ্ট জানো গালীল প্ৰদেশৰ পৰা ওলাব?
৪২ ধৰ্মশাস্ত্ৰত কোৱা নাই জানো, খ্ৰীষ্ট যে দায়ুদৰ বংশৰ
পৰা হব আৰু দায়ুদ যি বৈৎলেহেম নগৰত আছিল, তেওঁ
তাৰ পৰাই আহিব?” ৪৩ এইদৰে যীচুৰ বিষয়ক লৈ
লোক সকলৰ মাজত মতভেদ সৃষ্টি হ’ল। ৪৪ তেওঁলোকৰ
কোনো কোনোৱে তেওঁক ধৰিবলৈ বিচাৰিলে, তথাপি
কোনেও তেওঁৰ গাত হাত নিদিলে। ৪৫ তেতিয়া যি বিষয়া
সকলক পঠোৱা হৈছিল, তেওঁলোক প্ৰধান পুৰোহিত আৰু
ফৰীচী সকলৰ ওচৰলৈ ঘূৰি আহিল। তেওঁলোকে সিহঁতক
সুধিলে, “তাক কিয় নানিলা?” ৪৬ তেতিয়া বিষয়া সকলে
উত্তৰ দিলে, “সেই জনৰ দৰে কোনো মানুহে কেতিয়াও
আগেয়ে কথা কোৱা নাই।” ৪৭ তেতিয়া ফৰীচী সকলে
উত্তৰ দিলে, “তোমালোকো তেনেহলে ভোল গলা নেকি?
৪৮ শাসনকৰ্তা বা ফৰীচী সকলৰ মাজৰ কোনোবাই জানো
তাক বিশ্বাস কৰিছে? ৪৯ কিন্তু এই লোক সকলে বিধানৰ
একোকে নাজানে, তেওঁলোক অভিশপ্ত।” ৫০ তেওঁলোকৰ
মাজৰ নীকদীম, যি জনে আগেয়ে যীচুৰ ওচৰলৈ গৈছিল,
সেই জনে তেওঁলোকক ক’লে, ৫১ “প্ৰথমে কোনো মানুহৰ
কথা নুশুনিলে আৰু তেওঁৰ কৰ্ম নাজানিলে, আমাৰ বিধানে
জানো তেওঁক দোষী কৰে?” ৫২ তাতে তেওঁলোকে তেওঁক
উত্তৰ দিলে, “তুমিও গালীল প্ৰদেশৰ মানুহ নেকি? বিচাৰি
চোৱা, দেখিবা যে গালীল প্ৰদেশৰ পৰা কোনো ভাৱবাদীৰ
আবিৰ্ভাৱ হোৱা নাই।” ৫৩ তাৰ পাছত ইহুদী সকল নিজৰ
নিজৰ ঘৰলৈ গুছি গ’ল।

৮ যীচু জৈতুন পৰ্বতলৈ গ’ল। ২ অতি ৰাতিপুৱাতে তেওঁ
পুণৰ মন্দিৰলৈ আহিল; তেতিয়া সকলো মানুহ তেওঁৰ
ওচৰলৈ অহাত তেওঁ বহি তেওঁলোকক উপদেশ দিবলৈ
ধৰিলে। ৩ তেনেতে বিধানৰ অধ্যাপক আৰু ফৰীচী সকলে
ব্যভিচাৰ কৰ্মত ধৰা এগৰাকী মহিলাক আনি তেওঁলোকৰ
মাজত থলে। ৪ তেওঁলোকে যীচুক সুধিলে, “হে গুৰু, এই
মহিলা গৰাকী ব্যভিচাৰ কৰ্ম কৰোঁতেই ধৰা পৰিল। ৫
এতিয়া, মোচিৰ বিধানত আমাক আজ্ঞা দিছে যে, এনে
মহিলাক শিল দলিয়াই মাৰিব লাগে। এনে স্থলত আপুনি
তাইৰ বিষয়ে কি কয়?” ৬ এই কথা তেওঁলোকে যীচুক
পৰীক্ষা কৰিবলৈ ক’লে, যাতে তেওঁৰ নামত দোষাৰোপ
কৰিবলৈ কিবা সূত্ৰ পাব পাৰে। কিন্তু যীচুৱে তললৈ মুৰ কৰি
আঙুলিৰে মাটিত লিখিবলৈ ধৰিলে। ৭ কিন্তু তেওঁলোকে
যেতিয়া বাৰে বাৰে তেওঁক সুধিবলৈ ধৰিলে, তেওঁ মূৰ
দাঙি তেওঁলোকক ক’লে, “আপোনালোকৰ মাজত যি জন
নিষ্পাপী, তেৱেঁই প্ৰথমে তাইলৈ শিল দলিয়াওক।” ৮
পাছত তেওঁ পুণৰ বাৰ তললৈ মূৰ কৰি মাটিত আঙুলিৰে
লিখিব ধৰিলে। ৯ এই কথা শুনি তেওঁলোকৰ বয়সীয়া
সকলৰ পৰা আৰম্ভ কৰি শেষৰ জনলৈকে এজন এজনকৈ
সকলো বাহিৰলৈ ওলাই গ’ল৷ অৱশেষত কেৱল যীচু আৰু
তেওঁলোকৰ মাজত থিয় হৈ থকা সেই মহিলা গৰাকীহে
সেই ঠাইত থাকিল। ১০ যীচুৱে উঠি সেই মহিলা গৰাকীক
সুধিলে, “হে নাৰী, তোমাক অপবাদ দিয়া সকল ক’ত
গ’ল? তোমাক কোনেও দোষী নকৰিলে নেকি?” ১১ তাই
ক’লে, “নাই, কোনেও নকৰিলে প্ৰভু।” যীচুৱে ক’লে,
“ময়ো দোষী নকৰোঁ; যোৱা, এতিয়াৰ পৰা পুনৰ পাপ
নকৰিবা।” ১২ ইয়াৰ পাছত যীচুৱে আকৌ লোক সকলৰ
লগত কথা কবলৈ ধৰিলে, “মই জগতৰ পোহৰ; যি জন
মোৰ পাছে পাছে আহে, তেওঁ আন্ধাৰত নুফুৰি, জীৱনৰ
পোহৰ পাব।” ১৩ তেতিয়া ফৰীচী সকলে তেওঁক ক’লে,
“তোমাৰ সাক্ষ্য সত্য নহয়, কাৰণ তুমি নিজে নিজৰ বিষয়ে
সাক্ষ্য দিছা।” ১৪ যীচুৱে উত্তৰ দি তেওঁলোকক ক’লে,
“যদিও মই নিজৰ বিষয়ে নিজে সাক্ষ্য দিছোঁ, তথাপি মোৰ
সাক্ষ্য সত্য; কিয়নো মই ক’ৰ পৰা আহিলোঁ, আৰু ক’লৈ গৈ
আছোঁ, সেই বিষয়ে মই জানো; কিন্তু আপোনালোকে মই
ক’ৰ পৰা আহিছোঁ, বা ক’লৈ যাওঁ সেই বিষয়ে নাজানে।
১৫ আপোনালোকে মাংসিক ভাব অনুসাৰে সোধ-বিচাৰ
কৰিছে; মই এনেদৰে লোকৰ বিচাৰ নকৰোঁ। ১৬ তথাপি
যদি বিচাৰ কৰোঁ, তেনেহলে মোৰ সোধ-বিচাৰ সত্য;
কিয়নো মই অকলশৰীয়া নহওঁ; মইতো আছোঁৱেই, আৰু
মোক পঠোৱা পিতৃও আছে। ১৭ আপোনালোকৰ বিধানত

লিখা আছে, দুজনৰ সাক্ষ্য যদি একে হয়, তেনেহলে ই
সত্য হয়। ১৮ মই নিজৰ বিষয়ে নিজে সাক্ষ্য দিছোঁ, আৰু
মোক পঠোৱা পিতৃয়েও মোৰ বিষয়ে সাক্ষ্য দিছে।” ১৯
তেতিয়া তেওঁলোকে যীচুক সুধিলে, “তোমাৰ পিতৃ ক’ত
আছে?” যীচুৱে উত্তৰ দিলে, “আপোনালোকে মোকো
নাজানে আৰু মোৰ পিতৃকো নাজানে; মোক জনা হ’লে
মোৰ পিতৃকো জানিলেহেঁতেন।” ২০ মন্দিৰৰ ধনভঁৰালৰ
কাষত থাকি শিক্ষা দিওঁতে তেওঁ এইবোৰ কথা ক’লে;
তথাপি তেতিয়াও তেওঁৰ সময় উপস্থিত হোৱা নাই বাবে
কোনেও তেওঁক বন্দী নকৰিলে। ২১ পাছত তেওঁ আকৌ
ফৰীচী সকলক ক’লে, “মই যাওঁ; আপোনালোকে মোক
বিচাৰিব, কিন্তু আপোনালোক নিজ নিজ পাপতে মৰিব।
মই যি ঠাইলৈ যাওঁ, সেই ঠাইলৈ আপোনালোকে যাব
নোৱাৰে।” ২২ তেতিয়া ইহুদী সকলে ক’লে, “এওঁ কি
আপোনঘাতী হ’ব নেকি? কিয়নো ‘মই যি ঠাইলৈ যাওঁ
আপোনালোকে সেই ঠাইলৈ যাব নোৱাৰে’ বুলি যে কৈছে?”
২৩ তেওঁ তেওঁলোকক ক’লে, “আপোনালোক তলৰ পৰা
আহিছে আৰু মই ওপৰৰ পৰা আহিছোঁ; আপোনালোক
এই জগতৰ; কিন্তু মই এই জগতৰ নহওঁ। ২৪ এই
কাৰণতে আপোনালোকক ক’লো যে, ‘আপোনালোক নিজ
নিজ পাপ সমূহতে মৰিব’; আপোনালোকে যদি বিশ্বাস
নকৰে যে ময়েই সেই জন, তেনেহলে আপোনালোক
নিজ নিজ পাপ সমূহত মৰিব।” ২৫ তেতিয়া তেওঁলোকে
তেওঁক সুধিলে “তুমি নো কোন?” যীচুৱে তেওঁলোকক
ক’লে, “সেই বিষয়ে প্ৰথমৰে পৰা মই আপোনালোকক
কৈ আছোঁ। ২৬ আপোনালোকৰ বিষয়ে ক’বলৈ আৰু
বিচাৰ কৰিবলৈ অনেক কথা মোৰ আছে। কিন্তু মোক
যি জনে পঠিয়াইছে, তেওঁ সত্য; মই তেওঁৰ পৰা যি
শুনিলোঁ, সেই বিষয়ে জগতক কৈছোঁ।” ২৭ তেওঁ যে
পিতৃৰ বিষয়ে এই কথা ক’লে ইয়াক তেওঁলোকে বুজি
নাপালে। ২৮ সেয়ে যীচুৱে ক’লে, “আপোনালোকে যেতিয়া
মানুহৰ পুত্ৰক ওপৰলৈ তুলিব, তেতিয়া আপোনালোকে
জানিব যে মইয়ে সেই জন আৰু মই নিজৰ পৰা একো
নকৰোঁ। পিতৃয়ে যেনেকৈ মোক শিকাইছে, মই সেইদৰেই
এইবোৰ কথা কৈছোঁ। ২৯ মোক যি জনে পঠালে, তেওঁ
মোৰ লগত আছে। তেওঁ মোক অকলশৰীয়াকৈ ৰখা নাই,
কিয়নো মই সদায় তেওঁৰ সন্তোষজনক কাম কৰোঁ।” ৩০
যীচুৱে যেতিয়া এইবোৰ কথা কৈ আছিল, অনেকে তেওঁত
বিশ্বাস কৰিলে। ৩১ যি ইহুদী সকলে তেওঁক বিশ্বাস
কৰিলে, যীচুৱে তেওঁলোকক ক’লে, “মোৰ বাক্যতে যদি
আপোনালোক থাকে, তেনেহলে সঁচাকৈয়ে আপোনালোক
মোৰ শিষ্য; ৩২ আৰু আপোনালোকে সত্যক জানিব
আৰু সেই সত্যই আপোনালোকক মুক্ত কৰিব।” ৩৩
তেওঁলোকে তেওঁক উত্তৰ দিলে, “আমি অব্ৰাহামৰ বংশধৰ;
আৰু কেতিয়াও কাৰো সেৱাকৰ্ম কৰা নাই; তেনেস্থলত
‘আপোনালোকক মুক্ত কৰা হ’ব’, এনে কথা তুমি কেনেকৈ
কৈছা?” ৩৪ যীচুৱে উত্তৰ দিলে, “মই আপোনালোকক
সঁচাই কওঁ, যি কোনোৱে পাপ-আচৰণ কৰে তেওঁ পাপৰ
দাস। ৩৫ দাস পৰিয়ালত চিৰকাল নাথাকে, কিন্তু সন্তান
হ’লে সদায় পৰিয়ালত থাকে। **(aiōn g165)** ৩৬ এই
কাৰণে পুত্ৰই যদি আপোনালোকক মুক্ত কৰে, তেনেহলে
আপোনালোক অৱশ্যেই মুক্ত হ’ব। ৩৭ আপোনালোক
যে অব্ৰাহামৰ বংশধৰ, সেই বিষয়ে মই জানো; কিন্তু
আপোনালোকে মোক বধ কৰিবলৈ উপায় বিচাৰি ফুৰিছে;
কাৰণ আপোনালোকৰ অন্তৰত মোৰ বাক্যই ঠাই নাপায়।
৩৮ মই মোৰ পিতৃৰ ওচৰত যি দেখিলোঁ, সেই বিষয়েই
কৈ থাকো আৰু আপোনালোকেও আপোনালোকৰ পিতৃৰ
পৰা যি শুনিলে, তাকেই কৰি থাকে।” ৩৯ তাৰ উত্তৰত
তেওঁলোকে যীচুক ক’লে, “আমাৰ পিতৃ অব্ৰাহাম।” যীচুৱে
তেওঁলোকক ক’লে, “আপোনালোক যদি অব্ৰাহামৰ সন্তান
হয়, তেনেহলে অব্ৰাহামে যি কৰিলে, আপোনালোকেও
তেনে কৰ্ম কৰিলেহেঁতেন। ৪০ ঈশ্বৰৰ ওচৰৰ পৰা যি সত্য
মই শুনিলো, তাকেই আপোনালোকক কৈছোঁ। তথাপি
এতিয়া আপোনালোকে মোকে বধ কৰিবলৈ বিচাৰিছে;
কিন্তু অব্ৰাহামেতো এনে কৰ্ম কৰা নাই। ৪১ আপোনালোকৰ
পিতৃয়ে যি কৰ্ম কৰে, আপোনালোকে তাকে কৰে।”
তেওঁলোকে তেতিয়া যীচুক ক’লে, “আমি জাৰজ সন্তান
নহওঁ; আমাৰ এজন পিতৃ আছে, তেওঁ ঈশ্বৰ।” ৪২
যীচুৱে তেওঁলোকক ক’লে, “ঈশ্বৰ আপোনালোকৰ পিতৃ
হোৱা হ’লে, আপোনালোকে মোক প্ৰেম কৰিলেহেঁতেন;
কিয়নো মই ঈশ্বৰৰ ওচৰৰ পৰা আহিছোঁ; মই নিজৰ
পৰা আহি ইয়াত থকা নাই, কিন্তু ঈশ্বৰেহে মোক ইয়ালৈ
পঠিয়ালে। ৪৩ আপোনালোকে মোৰ কথাবোৰ কিয়
নুবুজে? তাৰ কাৰণ এই যে আপোনালোকে মোৰ কথাবোৰ
শুনি সহন কৰিব পৰা নাই। ৪৪ চয়তান আপোনালোকৰ
পিতৃ আৰু আপোনালোক তাৰ পৰা হৈছে। সেই কাৰণে
আপোনালোকে আপোনালোকৰ সেই পিতৃৰ অভিলাষ পূৰ্ণ
কৰিবলৈ ইচ্ছা কৰে। চয়তান আদিৰে পৰা নৰবধী; সি
সত্যত নাথাকে, কিয়নো তাৰ ভিতৰত সত্য নাই। সি
যেতিয়া মিছা কথা কয়, তেতিয়া সি নিজৰ স্বভাৱৰ পৰাই
কয়। কাৰণ সি মিছলীয়া আৰু সকলো মিছাৰ বাপেক। ৪৫
মই সত্য কথা কওঁ বাবে আপোনালোকে মোক বিশ্বাস
নকৰে। ৪৬ আপোনালোকৰ মাজৰ কোনে মোক পাপী বুলি
দোষী কৰিব পাৰে? মই যদি সত্য কথা কৈছোঁ, তেনেহলে
আপোনালোকে কিয় মোক বিশ্বাস নকৰে? ৪৭ যি জন
ঈশ্বৰৰ লোক, তেওঁ ঈশ্বৰৰ কথা শুনে। আপোনালোকে

সেই বাবেই নুশুনে, কাৰণ আপোনালোক ঈশ্বৰৰ লোক
নহয়৷” ৪৮ ইহুদী সকলে উত্তৰ দি তেওঁক ক’লে, “আমি
সঁচাকৈয়ে জানো কোৱা নাছিলো যে তুমি এজন চমৰীয়া,
আৰু তোমাৰ ভিতৰত এটা ভূত আছে?” ৪৯ যীচুৱে
উত্তৰ দিলে, “মোক ভূতে পোৱা নাই, বৰঞ্চ মই মোৰ
পিতৃক সন্মান কৰোঁ; কিন্তু, আপোনালোকে মোক অসন্মান
কৰে। ৫০ মই মোৰ নিজৰ মৰ্যদা নিবিচাৰোঁ; কিন্তু এজন
আছে যি জনে বিচাৰে আৰু তেওঁ বিচাৰো কৰে। ৫১ মই
আপোনালোকক সঁচাকৈয়ে কওঁ, কোনোৱে যদি মোৰ
বাক্য পালন কৰে, তেওঁ কোনো কালে মৃত্যুক নেদেখিব।”
(aiōn g165) ৫২ ইহুদী সকলে তেওঁক ক’লে, “এতিয়া আমি
সঁচাই বুজিছো যে তোমাৰ গাত ভূত আছে। অব্ৰাহাম আৰু
ভাৰবাদী সকল মৰি গ’ল, কিন্তু তুমি কৈছা, ‘কোনোৱে যদি
মোৰ বাক্য পালন কৰে, তেওঁ কোনো কালে মৃত্যুভোগ
নকৰিব।’ (aiōn g165) ৫৩ তুমি কি আমাৰ ওপৰ-পিতৃ
অব্ৰাহামতকৈয়ো মহান হ’লা নেকি? তেওঁৰ মৃত্যু হ’ল
আৰু ভাৰবাদী সকলৰো মৃত্যু হ’ল; তুমি নিজকে কোন
বুলি ভাৱিছা?” ৫৪ যীচুৱে উত্তৰ দিলে, “মই যদি নিজে
নিজক মহিমান্বিত কৰোঁ, তেনেহলে মোৰ মহিমাৰ একো
মূল্য নাই; কিন্তু মোৰ পিতৃ, যি জনক আপোনালোকে
আপোনালোকৰ ঈশ্বৰ বুলি দাবী কৰে, তেৱেঁই মোক
গৌৰৱান্বিত কৰে। ৫৫ আপোনালোকে তেওঁক নাজানে;
মই হ’লে তেওঁক জানো; মই তেওঁক নাজানো বুলি যদি
কওঁ, তেনেহলে আপোনালোকৰ নিচিনা মিছলীয়া হ’ম।
কিন্তু মই তেওঁক জানো, আৰু তেওঁৰ বাক্য পালন কৰোঁ।
৫৬ আপোনালোকৰ ওপৰ-পুৰুষ অব্ৰাহামে মোৰ দিন
দেখাৰ আশাত উল্লাসিত হৈছিল; তেওঁ সেইদিন দেখিলে
আৰু আনন্দ কৰিলে।” ৫৭ ইহুদী সকলে যীচুক ক’লে,
“তোমাৰ বয়স এতিয়াও পঞ্চাশ বছৰ হোৱাই নাই আৰু
তুমি অব্ৰাহামক দেখিলা নে?” ৫৮ যীচুৱে তেওঁলোকক
ক’লে, “সঁচাকৈয়ে মই আপোনালোকক কওঁ, অব্ৰাহামৰ
জন্মৰ আগৰে পৰা মই আছোঁ।” ৫৯ তেতিয়া তেওঁলোকে
তেওঁক মাৰিবৰ কাৰণে শিল তুলি ল’লে। কিন্তু যীচুৱে
গোপনে মন্দিৰৰ পৰা বাহিৰলৈ ওলাই গ’ল।

৯ যীচুৱে বাটেদি গৈ থকাৰ সময়ত এজন ওপজাৰে
পৰা অন্ধ মানুহক দেখিলে। ২ তেওঁৰ শিষ্য সকলে
তেওঁক সুধিলে, “ৰব্বি এই মানুহ কাৰ পাপৰ কাৰণে অন্ধ
হৈ উপজিল? সি নিজে পাপ কৰিলে, নে তেওঁৰ মাক-
বাপেকে পাপ কৰিলে?” ৩ যীচুৱে উত্তৰ দিলে, “সি নিজেও
পাপ কৰা নাই, আৰু তাৰ মাক-বাপেকেও কৰা নাই,
কিন্তু এওঁৰ মাধ্যমেদি ঈশ্বৰৰ কৰ্ম প্ৰকাশিত হ’বলৈহে
হৈছে। ৪ আমি দিন থাকোতেই মোক পঠোৱা জনৰ কৰ্ম
কৰিব লাগে। ৰাতি হৈ আহিছে, তেতিয়া কোনেও কৰ্ম
কৰিব নোৱাৰিব। ৫ যিমান দিন মই জগতত আছোঁ,
মইয়ে জগতৰ পোহৰ।” ৬ এই কথা কোৱাৰ পাছত তেওঁ
মাটিত থুই পেলাই, থুইৰে বোকা কৰিলে আৰু অন্ধ লোক
জনৰ চকুত সেই বোকা সানি বা লিপি দিলে। ৭ তাৰ
পাছত তেওঁক ক’লে, “যোৱা; চীলোহৰ পুখুৰীত গৈ ধুই
পেলোৱা।” (‘চীলোহ’ৰ অনুবাদিত অৰ্থ ‘পঠোৱা হ’ল’);
তেতিয়া মানুহ জনে গৈ ধুলে আৰু দৃষ্টি পাই ঘূৰি আহিল।
৮ তাকে দেখি তেওঁৰ প্ৰতিবেশী আৰু যি সকলে তেওঁক
আগেয়ে ভিক্ষা কৰা দেখিছিল, তেওঁলোকে কবলৈ ধৰিলে,
“ই সেই জন মানুহ নহয় নে, যি জনে বহি ভিক্ষা মাগি
থাকে?” ৯ কোনো কোনোৱে ক’লে, “হয়, ইয়েই সেই
জন।” আন কোনোবাই ক’লে, “নহয়; কিন্তু ই দেখাত তাৰ
নিচিনা।” কিন্তু মানুহ জনে নিজে ক’লে, “হয়, মই সেই
জনেই হওঁ।” ১০ তেওঁলোকে তেওঁক সুধিলে, “তেনেহ’লে
তোমাৰ চকু কেনেকৈ মুকলি হ’ল?” ১১ তেওঁ উত্তৰ দিলে,
“যীচু নামৰ মানুহ জনে মাটি বোকা কৰিলে আৰু মোৰ
চকুত সেই বোকা লিপি দি বা সানি দি ক’লে, ‘চীলোহ’লৈ
গৈ ধুই পেলোৱা’; সেইদৰে মই গৈ ধোৱাত দেখা পালোঁ।”
১২ তেতিয়া তেওঁলোকে তেওঁক সুধিলে, “সেই জন ক’ত
আছে?” তেওঁ ক’লে “মই নাজানো।” ১৩ যি জন মানুহ
আগেয়ে অন্ধ আছিল, লোক সকলে তেওঁক ফৰীচী সকলৰ
ওচৰলৈ লৈ গ’ল। ১৪ যিদিনা যীচুৱে বোকা কৰি তেওঁৰ
চকু মুকলি কৰিছিল, সেই দিনটো বিশ্ৰামবাৰ আছিল। ১৫
সেই কাৰণে ফৰীচী সকলে আকৌ তেওঁক প্ৰশ্ন সুধিলে
যে তেওঁ কেনেকৈ দৃষ্টি ঘূৰাই পালে। তেওঁ তেওঁলোকক
ক’লে, “তেওঁ মোৰ চকুত বোকা লগাই দিলে, আৰু মই ধুই
দিয়াত এতিয়া মই দেখা পাওঁ।” ১৬ তাতে ফৰীচী সকলৰ
কিছুমানে ক’লে, “এই মানুহ ঈশ্বৰৰ ওচৰৰ পৰা অহা
নাই; কিয়নো সি বিশ্ৰামবাৰ পালন নকৰে।” কিন্তু আন
কোনো কোনোৱে ক’লে, “কিন্তু পাপী মানুহে কেনেকৈ
এনে আচৰিত কাম কৰিব পাৰে?” এইদৰে তেওঁলোকৰ
মাজত ভাগ ভাগ হ’ল। ১৭ সেয়ে, তেওঁলোকে আকৌ সেই
অন্ধ জনক সুধিলে, “যি মানুহ জনে তোমাৰ চকু মুকলি
কৰিলে, তুমি তেওঁৰ বিষয়ে কি কোৱা?” মানুহ জনে ক’লে,
“তেওঁ এজন ভাৰবাদী।” ১৮ মানুহ জনৰ মাক-বাপেকক
মাতি আনি নুসুধা পৰ্যন্ত ইহুদী সকলে বিশ্বাস নকৰিলে যে
এই মানুহ জন আগতে অন্ধ আছিল আৰু এতিয়া দেখা
পাইছে। ১৯ তেওঁলোকে তেওঁৰ মাক-বাপেকক সুধিলে,
“এই জন তোমালোকৰ সেই ল’ৰা জন হয় নে, যি জনৰ
বিষয়ে তোমালোকে কৈ থাকা যে সি অন্ধ হৈয়ে জন্মিছিল।
তেনেহলে সি এতিয়া কেনেকৈ দেখা পাইছে?” ২০ তেওঁৰ
মাক-বাপেকে উত্তৰ দিলে, “আমি জানো, ই আমাৰে ল’ৰা
আৰু সি ওপজাৰে পৰা অন্ধ আছিল। ২১ কিন্তু সি এতিয়া

কেনেকৈ দৃষ্টি পাইছে, তাক নাজানো; আৰু কোনে তাৰ চকু
মুকলি কৰিলে, সেই বিষয়েও নাজানো; তাৰ বয়স হৈছে,
তাকে সুধক, সিয়ে নিজৰ বিষয়ে নিজে ক'ব।" ২২ ইহুদী
সকলৰ ভয়তে তেওঁৰ মাক-বাপেকে এই কথা ক'লে।
কিয়নো ইহুদী সকলে আগেয়ে স্থিৰ কৰিছিল যে কোনোৱে
যদি যীচুক মচীহ বুলি স্বীকাৰ কৰে, তেনেহলে তেওঁক
নাম-ঘৰৰ পৰা বাহিৰ কৰা হ'ব। ২৩ এই কাৰণতে, তেওঁৰ
মাক-বাপেকে ক'লে, "সি বয়সীয়া; তাক সোধক।" ২৪
তেতিয়া তেওঁলোকে আগেয়ে অন্ধ হৈ থকা মানুহ জনক
দ্বিতীয় বাৰ মাতি ক'লে, "ঈশ্বৰৰ মহিমা কৰা; সেই মানুহ
যে এজন পাপী তাক আমি জানো।" ২৫ তাতে তেওঁ উত্তৰ
দিলে, "তেওঁ পাপী হয় নে নহয়, তাক মই নাজানো; কিন্তু
এটা বিষয় জানো যে মই অন্ধ আছিলোঁ আৰু এতিয়া দেখা
পাইছো।" ২৬ তেওঁলোকে তেওঁক সুধিলে, "তেওঁ তোমাক
কি কৰিলে? তোমাৰ চকু কেনেকৈ মুকলি কৰিলে?" ২৭
তেওঁ উত্তৰ দিলে, "মইতো আপোনালোকক অথনিয়ে
ক'লো, কিন্তু আপোনালোকে নুশুনিলে; তেনেহলে আকৌ
কি কাৰণে শুনিব খোজিছে? আপোনালোকেও তেওঁৰ
শিষ্য হ'বলৈ ইচ্ছা কৰে নেকি?" ২৮ তেতিয়া তেওঁলোকে
সেই মানুহক ধিক্কাৰ দি ক'লে, "তইহে তাৰ শিষ্য; আমি
হ'লে মোচিৰ শিষ্য। ২৯ ঈশ্বৰে যে মোচিৰ কথা ক'লে,
তাক আমি জানো; কিন্তু এই মানুহ ক'ৰ পৰা আহিছে, তাক
আমি নাজানো।" ৩০ সেই মানুহে উত্তৰ দি তেওঁলোকক
ক'লে, "কি বিস্ময়জনক বিষয়! তেওঁ কৰ পৰা আহিছে
তাক আপোনালোকে নাজানে, অথচ তেওঁ মোৰ চকু মুকলি
কৰিলে। ৩১ আমি জানো যে, ঈশ্বৰে পাপী লোকৰ কথা
নুশুনে; কিন্তু যি জনে ঈশ্বৰৰ আৰাধনা কৰে আৰু তেওঁৰ
ইচ্ছা পালন কৰে সেই জনৰ কথা, ঈশ্বৰে শুনে। ৩২ জগত
সৃষ্টি হোৱাৰে পৰা কেতিয়াও শুনা নাই যে কোনোবাই
এজন ওপজাৰে পৰা অন্ধ লোকৰ চকু মুকলি কৰিলে।
**(aiōn g165)** ৩৩ সেই মানুহ যদি ঈশ্বৰৰ ওচৰৰ পৰা অহা
নাই, তেনেহ'লে একোকে কৰিব নোৱাৰিলেহেঁতেন।"
৩৪ তেওঁলোকে উত্তৰ দি তেওঁক ক'লে, "তইতো সম্পূৰ্ণ
পাপতে জন্ম পাইছ! এতিয়া তই আমাকে শিকাও নে?"
তাৰ পাছত ইহুদী সকলে তেওঁক নাম-ঘৰৰ পৰা বাহিৰ
কৰি দিলে। ৩৫ যীচুৱে শুনিলে যে ইহুদী নেতা সকলে সেই
লোক জনক নাম-ঘৰৰ পৰা বাহিৰ কৰি দিলে। পাছত
যীচুৱে তেওঁক দেখা পাই সুধিলে, "তুমি মানুহৰ পুত্ৰক
বিশ্বাস কৰিছা নে?" ৩৬ তেওঁ উত্তৰ দি ক'লে, "প্ৰভু,
তেওঁ কোন? মোক কওক, মই যেন তেওঁক বিশ্বাস কৰিব
পাৰোঁ।" ৩৭ যীচুৱে তেওঁক ক'লে, "তুমি তেওঁক দেখা
পালা; আৰু তোমাৰে সৈতে কথা পাতি থকা জনেই সেই
জন।" ৩৮ তেতিয়া মানুহ জনে ক'লে, "প্ৰভু, মই বিশ্বাস
কৰিছোঁ" এই বুলি তেওঁ যীচুক সেৱা কৰিলে। ৩৯ যীচুৱে
ক'লে, "মই এই জগতলৈ সোধ-বিচাৰ কৰিবলৈ আহিছোঁ,
যাতে যি সকলে দেখা নাপায়, তেওঁলোকে দেখা পায়
আৰু যি সকলে দেখা পায়, তেওঁলোক যেন অন্ধ হয়।" ৪০
কেইজনমান ফৰীচীও যীচুৰ লগত আছিল। তেওঁলোকে
ইয়াকে শুনি যীচুক সুধিলে, "আমিও অন্ধ নেকি?" ৪১
যীচুৱে তেওঁলোকক ক'লে, "আপোনালোক যদি অন্ধ হ'য়,
তেনেহলে আপোনালোকৰ কোনো পাপেই নহ'লহেঁতেন;
কিন্তু তোমালোকে এতিয়া কৈছা, 'আমি দেখিছোঁ;' গতিকে
তোমালোকৰ পাপ থাকি গ'ল।

১০ যীচুৱে ক'লে, "মই সঁচাকৈ আপোনালোকক কওঁ,
যি জনে মেৰৰ গৰাললৈ সোমাওঁতে দুৱাৰেদি
নোসোমায়, কিন্তু তাৰ পৰিবৰ্তে আন কোনো ফালে বগাই
সোমায়, সি এটা চোৰ আৰু ডকাইত। ২ যি জনে দুৱাৰেদি
সোমায়, তেওঁ মেৰৰখীয়া। ৩ দ্বাৰ-ৰক্ষকে মেৰৰখীয়াক
দুৱাৰ মেলি দিয়ে। মেৰবোৰে তেওঁৰ মাত শুনে আৰু তেওঁ
নিজৰ মেষবোৰক নাম ধৰি ধৰি মাতি বাহিৰলৈ লৈ যায়। ৪
নিজৰ সকলো মেষক বাহিৰ কৰাৰ পাছত তেওঁ মেৰবোৰৰ
আগে আগে যায় আৰু মেষবোৰ তেওঁৰ পাছে পছে গৈ
থাকে, কিয়নো সিহঁতে তেওঁৰ মাত বুজি পায়। ৫ সিহঁতে
এজন অচিনাকি লোকৰ পাছত কেতিয়াও নাযাব, বৰং
সিহঁত তেওঁৰ ওচৰৰ পৰা পলাইহে যাব। কাৰণ সিহঁতে
অচিনাকি লোকৰ মাত চিনি নাপায়। ৬ যীচুৱে তেওঁলোকক
এই দৃষ্টান্তটো ক'লে; কিন্তু তেওঁ যে কি কব বিচাৰিছে,
সেই বিষয়ে তেওঁলোকে নুবুজিলে। ৭ তেতিয়া যীচুৱে
পুনৰ তেওঁলোকক ক'লে, "মই আপোনালোকক সঁচাই
কওঁ, ময়েই মেৰৰ গৰালৰ দুৱাৰ। ৮ মোৰ আগেয়ে যি
সকল আহিল, তেওঁলোক সকলোৱেই চোৰ আৰু ডকাইত;
কিন্তু মেৰবোৰে সিহঁতৰ কথা নুশুনিলে। ৯ ময়েই দুৱাৰ;
যি কোনোৱে মোৰ মাজেদি সোমায়, তেওঁ ৰক্ষা পাব।
তেওঁ ভিতৰলৈ আৰু বাহিৰলৈ অহা-যোৱা কৰিব, আৰু
চৰণীয়া ঠাই পাব। ১০ চোৰে কেৱল চুৰ, বধ, আৰু
বিনাশ কৰিবলৈহে আহে; কিন্তু মই হ'লে, তেওঁলোকে যেন
জীৱন পায় আৰু তাকেই যেন প্ৰচুৰকৈ পায়, এই কাৰণে
আহিলোঁ। ১১ ময়েই সজ মেষৰখীয়া; সজ মেৰৰখীয়াই
তেওঁৰ মেৰৰ কাৰণে নিজৰ প্ৰাণকো দিয়ে। ১২ কিন্তু
এজন বেতনভোগী দাস, তেওঁ নিজে মেৰৰখীয়া নহয় আৰু
মেৰবোৰ তেওঁৰ নিজৰ নহয়; সেই বাবে তেওঁ যেতিয়া
ৰাংকুকুৰ অহা দেখে, মেৰবোৰ এৰি পলাই যায়; তাতে
ৰাংকুকুৰে সিহঁতক ধৰি লৈ যায় আৰু সিহঁত চাৰিওফালে
ছিন্ন-ভিন্ন হৈ পৰে। ১৩ এজন বেতনভোগী দাস হোৱাৰ
কাৰণে তেওঁ পলাই যায়; মেৰবোৰলৈ তেওঁৰ কোনো চিন্তা
নাথাকে। ১৪ ময়েই সজ মেষৰখীয়া; মই নিজৰ মেষবোৰক

জানো আৰু মোৰ মেষবোৰেও মোক জানে; ১৫ পিতৃয়ে
মোক জানে আৰু ময়ো পিতৃক জানো। মই মোৰ মেৰৰ
বাবে নিজৰ প্ৰাণকো দিওঁ। ১৬ মোৰ এনে অনেক মেৰ
আছে, যি এই গৰালৰ নহয়। মই অৱশ্যেই সিহঁতক আনিব
লাগে। সিহঁতেও মোৰ মাত শুনিব আৰু তেতিয়া সকলো
একেটা জাক হ'ব আৰু সিহঁতৰ ৰখীয়াও হ'ব এজন। ১৭
পিতৃয়ে মোক এই বাবেই প্ৰেম কৰে; কাৰণ মই নিজৰ
প্ৰাণ সমৰ্পণ কৰোঁ যাতে সেই প্ৰাণ পুনৰায় পাব পাৰোঁ।
১৮ কোনেও মোৰ পৰা মোৰ প্ৰাণ হৰণ কৰিব নোৱাৰে,
কিন্তু মই নিজে তাক সমৰ্পণ কৰোঁ আৰু তাক সমৰ্পণ
কৰাৰ ক্ষমতা মোৰ আছে; পুনৰায় তাক পোৱাৰ ক্ষমতাও
মোৰ আছে। এই আজ্ঞা মই মোৰ পিতৃৰ পৰা পাইছোঁ।"
১৯ এনেবোৰ কথাৰ কাৰণে ইহুদী সকলৰ মাজত আকৌ
মতৰ অমিল হ'বলৈ ধৰিলে। ২০ তেওঁলোকৰ মাজৰ
অনেকে ক'লে, "ইয়াক ভূতে পাইছে; ই বলিয়া; ইয়াৰ কথা
তোমালোকে কিয় শুনা?" ২১ আন সকলে ক'লে, "কিন্তু
এই সকলো কথাতো এজন ভূতে পোৱা মানুহে কোৱা
কথা নহয়। ভূতে জানো অন্ধৰ চকু মুকলি কৰিব পাৰে?"
২২ তাৰ পাছত যিৰূচালেমত মন্দিৰ প্ৰতিষ্ঠাৰ পৰ্ব উপস্থিত
হ'ল। ২৩ সেই সময়ত শীতকাল আছিল; যীচুৱে মন্দিৰত
চলোমনৰ বাৰাণ্ডাত খোজকাঢ়ি আছিল। ২৪ তেনেতে
ইহুদী সকলে তেওঁক আগুৰি ধৰি ক'লে, "আৰু কিমান
কাল তুমি আমাক সন্দেহৰ দোমোজাত ৰাখিবা? তুমিয়ে
যদি খ্ৰীষ্ট হোৱা, তেনেহলে আমাক স্পষ্টকৈ কোৱা।" ২৫
যীচুৱে উত্তৰ দিলে, "মই আপোনালোকক ক'লো, কিন্তু
আপোনালোকেতো বিশ্বাসেই নকৰে; মোৰ পিতৃৰ নামেৰে
মই যি সকলো কৰ্ম কৰিছোঁ, সেইবোৰেই মোৰ বিষয়ে
সাক্ষ্য দিছে। ২৬ তথাপি আপোনালোকে বিশ্বাস নকৰে;
কাৰণ আপোনালোক মোৰ মেৰৰ জাকৰ মাজৰ নহয়। ২৭
মোৰ মেৰবোৰে হ'লে মোৰ মাত শুনে। মই সেই সকলক
জানো, আৰু সেই সকল মোৰ পাছে পাছে আহে; ২৮
মই সেই সকলক অনন্ত জীৱন দিওঁ; তাতে তেওঁলোক
কোনো কালে বিনষ্ট নহ'ব, আৰু কোনেও মোৰ হাতৰ পৰা
তেওঁলোকক কাঢ়ি নল'ব। (aiōn g165, aiōnios g166) ২৯ মোৰ
পিতৃ, যি জনে তেওঁলোকক মোক দিলে, তেওঁ সবাতোকৈ
মহান; সেই পিতৃৰ হাতৰ পৰা তেওঁলোকক কোনেও কাঢ়ি
ল'ব নোৱাৰে। ৩০ মই আৰু পিতৃ এক।" ৩১ তেতিয়া ইহুদী
সকলে তেওঁক মাৰিবলৈ আকৌ শিল তুলি ল'লে। ৩২
যীচুৱে তেওঁলোকক উত্তৰ দিলে, "পিতৃৰ পৰা অনেক ভাল
কৰ্ম কৰি মই আপোনালোকক দেখুৱালোঁ; সেইবোৰৰ
কোন কৰ্মৰ কাৰণে আপোনালোকে মোক শিল দলিয়াই
মাৰিব বিছাৰিছে?" ৩৩ ইহুদী সকলে তেওঁক উত্তৰ
দিলে, "ভাল কৰ্মৰ কাৰণে আমি তোমাক শিল দলিয়াই
মাৰিব বিচৰা নাই, কিন্তু তুমি মানুহ হৈয়ো, নিজকে ঈশ্বৰ
বুলি ঈশ্বৰক নিন্দা কৰিছা, সেই কাৰণেহে বিচাৰিছোঁ।"
৩৪ যীচুৱে তেওঁলোকক উত্তৰ দিলে, "আপোনালোকৰ
বিধান-শাস্ত্ৰত জানো এইদৰে লিখা নাই 'মই ক'লো,
"তোমালোক ঈশ্বৰবোৰ?"' ৩৫ যি সকল লোকলৈ ঈশ্বৰৰ
বাক্য আহিছিল, সেই লোক সকলক তেওঁ যদি ঈশ্বৰবুলি
ক'লে (ধৰ্মশাস্ত্ৰৰ বচন অলৰ, এই বচন কেতিয়াও ভংগ
নহয়)। ৩৬ তেনেহলে যি জনক পিতৃয়ে পবিত্ৰ কৰিলে
আৰু জগতলৈ পঠালে, তেওঁক আপোনালোকে কিয় কয়,
'তুমি ঈশ্বৰ নিন্দা কৰিছা' বুলি; কাৰণ মই ক'লো যে,
'মই ঈশ্বৰৰ পুত্ৰ'? ৩৭ মোৰ পিতৃৰ কাৰ্য যদি মই নকৰোঁ,
তেনেহলে মোক বিশ্বাস নকৰিব; ৩৮ কিন্তু যদি কৰোঁ,
মোক বিশ্বাস নকৰিলেও, অন্তত: সেই কাৰ্যক বিশ্বাস
কৰক, যাতে আপোনালোকে জানিব পাৰে আৰু বুজিব
পাৰে যে পিতৃ মোত আছে আৰু মই পিতৃত আছোঁ।"
৩৯ তেতিয়া তেওঁলোকে আকৌ যীচুক ধৰিবলৈ উপায়
বিচাৰিলে; কিন্তু তেওঁ তেওঁলোকৰ হাতৰ পৰা ওলাই গ'ল।
৪০ পাছত যৰ্দ্দনৰ সিপাৰত য'ত যোহনে প্ৰথমতে বাপ্তিস্ম
দিছিল, যীচু সেই ঠাইলৈ পুণৰ গ'ল আৰু তাতে থকিল।
৪১ তাতে অনেক লোক যীচুৰ ওচৰলৈ আহিল আৰু কোৱা-
কুই কৰিবলৈ ধৰিলে "যোহনে একো আচৰিত চিন নকৰিব
পাৰে সঁচা, কিন্তু এই লোকৰ বিষয়ে তেওঁ যি যি কথা
কৈছিল, সেই সকলোৱেই সত্য।" ৪২ আৰু সেই ঠাইত
অনেকে যীচুক বিশ্বাস কৰিলে।

**১১** বৈথনিয়া গাৱঁৰ লাজাৰ নামৰ এজন ব্যক্তিৰ অসুখ
হৈ আছিল। মৰিয়ম আৰু তাইৰ বায়েক মাৰ্থাও সেই
গাৱঁতে থাকে। ২ এওঁ সেই জনী মৰিয়ম, যি গৰাকীয়ে
পাছত প্ৰভুৰ ওপৰত বহুমূল্য সুগন্ধি তেল ঢালি নিজৰ
চুলিৰে প্ৰভুৰ চৰণ মচি মচি সানি দিছিল। তেওঁৰে ভায়েক
এই লাজাৰ অসুস্থ আছিল। ৩ সেয়ে লাজাৰৰ বায়েক
ভনীয়েক দুজনীয়ে যীচুলৈ এই কথা কৈ পঠিয়ালে, "প্ৰভু,
চাওকহি, আপুনি যাক প্ৰেম কৰে, তেওঁ নৰিয়াত পৰি
আছে।" ৪ যীচুৱে এই কথা শুনি ক'লে, "এই অসুখ
তেওঁৰ মৃত্যুৰ কাৰণে হোৱা নাই, কিন্তু ঈশ্বৰৰ গৌৰৱৰ
কাৰণেই হৈছে, যেন তাৰ দ্বাৰাই ঈশ্বৰৰ পুত্ৰ মহিমান্বিত
হয়।" ৫ মাৰ্থা, তেওঁৰ ভনীয়েক আৰু লাজাৰক যীচুৱে
প্ৰেম কৰিছিল। ৬ তেওঁ যেতিয়া শুনিলে যে লাজাৰ অসুস্থ,
তেতিয়া তেওঁ যি ঠাইত আছিল তাতে পুনৰ দুদিন থাকিল।
৭ তাৰ পাছতহে তেওঁ শিষ্য সকলক ক'লে, "ব'লা, আমি
পুণৰ যিহুদীয়ালৈ যাওঁ।" ৮ শিষ্য সকলে তেওঁক ক'লে,
"ৰব্বি, এই কিছুদিনৰ আগেয়ে ইহুদী সকলে আপোনাক
শিল দলিয়াই মাৰিবলৈ বিচাৰিছিল; আকৌ তালৈকে যায়
নে?" ৯ যীচুৱে উত্তৰ দিলে, "দিনটোত বাৰ ঘণ্টা পোহৰ

হে নাথাকে জানো? কোনোৱে যদি দিনত ফুৰে, তেনেহলে
তেওঁ উজুটি নাখায়; কিয়নো তেওঁ এই জগতৰ পোহৰ
দেখে। ১০ কিন্তু কোনোৱে যদি ৰাতি ফুৰে, তেনেহলে
তেওঁ উজুটি খায়; কিয়নো পোহৰ তেওঁৰ মাজত নাই।”
১১ এই কথা কোৱাৰ পাছত তেওঁ শিষ্য সকলক ক’লে,
“আমাৰ বন্ধু লাজাৰ টোপনি গৈছে; তেওঁক টোপনিৰ পৰা
জগাবলৈ মই যাওঁ।” ১২ তাতে শিষ্য সকলে তেওঁক
ক’লে, “প্ৰভু, তেওঁ যদি টোপনি গৈছে, তেনেহলে ভাল
হৈ যাব।” ১৩ যীচুৱে লাজাৰৰ মৃত্যুৰ বিষয়ে কৈছিল,
কিন্তু শিষ্য সকলে ভাৱিলে যে যীচুৱে স্বাভাৱিক টোপনিত
জিৰণি লোৱাৰ কথা কৈছে। ১৪ যীচুৱে তেতিয়া স্পষ্টকৈ
তেওঁলোকক ক’লে, “লাজাৰ মৰিল। ১৫ তোমালোকৰ
বাবে মই আনন্দিত হৈছোঁ যে মই তাত নাছিলো; কাৰণ
তোমালোকে যেন বিশ্বাস কৰিব পাৰা। আহা, আমি তেওঁৰ
ওচৰলৈ যাওঁ।” ১৬ তেতিয়া থোমা, যি জনক দিদুমো
বোলা হয়, তেওঁ লগৰ শিষ্য সকলক ক’লে, “ব’লা, আমিও
যাওঁ, আমিও যীচুৰ লগতে মৰিব পাৰিম।” ১৭ যীচুৱে আহি
শুনিব পাৰিলে যে লাজাৰক মৈদাম দিয়া চাৰি দিন হ’ল।
১৮ বৈথনিয়া যিৰূচালেমৰ ওচৰতে, প্ৰায় দুই মাইলমানৰ
দূৰত্ব; ১৯ ইহুদী সকলৰ অনেকেই মাৰ্থা আৰু মৰিয়মক
ভায়েকৰ কাৰণে সান্ত্বনা দিবলৈ আহি আছিল। ২০ এনেতে
মাৰ্থাই যেতিয়া যীচু আহিছে বুলি শুনিলে, তেতিয়া তেওঁৰ
লগত দেখা কৰিবলৈ গ’ল; কিন্তু মৰিয়ম তেতিয়াও ঘৰতে
বহি আছিল। ২১ মাৰ্থাই যীচুক ক’লে, “হে প্ৰভু, আপুনি
ইয়াত থকা হ’লে, মোৰ ভাই নমৰিলহেঁতেন; ২২ কিন্তু
এতিয়াও মই জানো যে, ঈশ্বৰৰ আগত আপুনি যিহকে
যাচনা কৰিব, ঈশ্বৰে আপোনাক তাকে দিব।” ২৩ যীচুৱে
তেওঁক ক’লে, “তোমাৰ ভায়েৰা পুনৰায় উঠিব।” ২৪
মাৰ্থাই তেওঁক ক’লে, “মই জানো, শেষৰ দিনা পুনৰুত্থানৰ
কালত সি পুণৰায় উঠিব।” ২৫ যীচুৱে মাৰ্থাক ক’লে,
“ময়েই পুনৰুত্থান আৰু জীৱনো; যি কোনোৱে মোক বিশ্বাস
কৰে, তেওঁ মৰিলেও জীয়াই থাকিব; ২৬ আৰু যি কোনোৱে
জীয়াই থাকি মোত বিশ্বাস কৰে, তেওঁ কোনো কালে
নমৰিব। তুমি কি এই কথা বিশ্বাস কৰা নে?” **(aiōn g165)**
২৭ তেওঁ ক’লে, “হয় প্ৰভু; মই বিশ্বাস কৰিছোঁ যে জগতলৈ
যি জন আহিব লগা আছে, আপুনিয়েই সেই অভিষিক্ত
জন, ঈশ্বৰৰ পুত্ৰ; খ্ৰীষ্ট।” ২৮ এই কথা কৈ, মাৰ্থা তাৰ
পৰা আতৰি গ’ল আৰু ভনীয়েক মৰিয়মক গুপুতে মাতি
ক’লে, “গুৰু আহিল, আৰু তোমাক মাতিছে।” ২৯ মৰিয়মে
তাকে শুনি ততাতৈয়াকৈ উঠি তেওঁৰ ওচৰলৈ গ’ল। ৩০
যীচুৱে তেতিয়াও গাঁৱৰ মাজত প্ৰৱেশ কৰা নাছিল। মাৰ্থাই
যি ঠাইত তেওঁৰ লগত দেখা কৰিবলৈ আহিছিল, তেওঁ
সেই ঠাইতে আছিল। ৩১ যি ইহুদী সকল মৰিয়মৰ সৈতে
ঘৰত আছিল আৰু তেওঁক সান্ত্বনা দি আছিল, তেওঁলোকে
মৰিয়মক বেগাই উঠি বাহিৰলৈ যোৱা দেখি, তেওঁৰ পাছে
পাছে আহিল। তেওঁলোকে ভাৱিলে যে মৰিয়মে মৈদামৰ
ওচৰত কান্দিবলৈ গৈছে। ৩২ যি ঠাইত যীচু আছিল,
মৰিয়মে সেই ঠাই পাই, তেওঁৰ চৰণত পৰি ক’লে, “হে প্ৰভু,
আপুনি ইয়াত থকা হ’লে, মোৰ ভাই নমৰিলেহেঁতেন।”
৩৩ যীচুৱে যেতিয়া দেখিলে যে মৰিয়মে কান্দিছে আৰু
তেওঁৰ লগত অহা ইহুদী সকলেও কান্দিছে, তেতিয়া তেওঁ
আত্মাত যন্ত্ৰণা পালে আৰু গভীৰ ভাবে উদ্বিগ্ন হৈ পৰিল।
৩৪ তেওঁ ক’লে, “তোমালোকে তেওঁক ক’ত ৰাখিছা?”
তেওঁলোকে ক’লে, “প্ৰভু, আহি চাওকহি।” ৩৫ যীচুৱে
ক্ৰন্দন কৰিলে। ৩৬ ইহুদী সকলে ক’লে, “চোৱা, তেওঁ
লাজাৰক কিমান যে প্ৰেম কৰিছিল!” ৩৭ কিন্তু তেওঁলোকৰ
কোনো কোনোৱে ক’লে, “যি জনে এজন অন্ধৰ চকু মুকলি
কৰিলে, তেওঁ এই মানুহ জনৰো মৃত্যু নহবলৈ এনে একো
কৰিব নোৱাৰিলেহেঁতেন নে?” ৩৮ তেতিয়া যীচুৱে পুনৰ
নিজে অন্তৰত যন্ত্ৰণা পালে, আৰু মৈদামৰ ওচৰলৈ গ’ল।
সেই মৈদাম এটা গুহা আছিল। গুহাৰ মুখত এচটা শিল
পাতি থোৱা আছিল। ৩৯ যীচুৱে ক’লে, “শিলচটা গুচাই
দিয়া।” মৃত লাজাৰৰ বায়েক মাৰ্থাই যীচুক ক’লে, “প্ৰভু,
এতিয়া শৰীৰ পচি দুৰ্গন্ধ হৈছে; কিয়নো সি মৰাৰ আজি
চাৰি দিন হ’ল।” ৪০ যীচুৱে তেওঁক ক’লে, “মই জানো
তোমাক কোৱা নাছিলো, যদি বিশ্বাস কৰা, তেনেহলে
ঈশ্বৰৰ মহিমা দেখিবলৈ পাবা?” ৪১ তেতিয়া লোক সকলে
শিলচটা আতৰাই দিলে। যীচুৱে ওপৰলৈ চকু তুলি ক’লে,
“হে পিতৃ, তুমি মোৰ কথা শুনাৰ কাৰণে মই তোমাক
ধন্যবাদ দিওঁ। ৪২ মই জানো, তুমি সকলো সময়তে মোৰ
কথা শুনি থাকা। কিন্তু মোৰ চাৰিওফালে থিয় হৈ থকা
লোক সকলৰ কাৰণে মই এই কথা কৈছোঁ, তেওঁলোকে
যেন বিশ্বাস কৰে যে তুমি মোক পঠাইছা।” ৪৩ ইয়াকে
কৈ, তেওঁ ডাঙৰ মাতেৰে ক’লে, “লাজাৰ বাহিৰলৈ ওলাই
আহা!” ৪৪ তেতিয়াই মৃত লাজাৰ সেই মৈদামৰ পৰা বাহিৰ
ওলাই আহিল। তেওঁৰ হাত-ভৰি মৈদামৰ কাপোৰেৰে
মেৰিয়াই বন্ধা আছিল আৰু তেওঁৰ মুখ এখন গামোচাৰে
বন্ধা আছিল। যীচুৱে তেওঁলোকক ক’লে, “বান্ধ খুলি দিয়া
আৰু তেওঁক যাবলৈ দিয়া।” ৪৫ মৰিয়মৰ ওচৰলৈ যি সকল
ইহুদী লোক আহিছিল, সেই লোক সকলৰ মাজৰ অনেকে
যীচুৱে যি কৰিলে তাকে দেখি তেওঁক বিশ্বাস কৰিলে। ৪৬
কিন্তু তেওঁলোকৰ কিছুমানে ফৰীচী সকলৰ ওচৰলৈ গৈ,
যীচুৱে যি কৰিলে, সেই সকলোকে তেওঁলোকক জনালে।।
৪৭ তেতিয়া প্ৰধান পুৰোহিত আৰু ফৰীচী সকলে একেলগে
পৰিষদক লগত লৈ মহাসভা পাতি ক’লে, “আমি এতিয়া কি
কৰিম? এই মানুহে দেখোন অনেক আচৰিত চিনৰ কাৰ্য

কৰিছে; ৪৮ তাক যদি আমি এইভাৱে এনেয়ে এৰি দিওঁ,
তেনেহলে সকলো মানুহে তাক বিশ্বাস কৰিব। তেতিয়া
ৰোম দেশীয় লোক সকলে আহি আমাৰ জাতি আৰু ঠাই
উভয়কে অধিকাৰ কৰি ল'ব।" ৪৯ কিন্তু তেওঁলোকৰ
মাজত কায়াফা নামৰ এজন, যি জন সেই বছৰত মহা-
পুৰোহিত হৈছিল, তেওঁ তেওঁলোকক ক'লে, "তোমালোকে
একোকে নাজানা। ৫০ তোমালোকে ভাৱিও নোচোঁৱা যে,
সকলোৰে লগত আমাৰ জাতিৰ বিনাশ হোৱাতকৈ, বৰং
তোমালোকৰ পক্ষে সকলো লোকৰ কাৰণে এজন মানুহৰ
মৃত্যু হোৱাই ভাল।" ৫১ এই কথা কায়াফাই যে নিজৰ
পৰা ক'লে এনে নহয়; কিন্তু সেই বছৰত মহা-পুৰোহিত
হোৱা বাবে ভাববাণী স্বৰূপে ক'লে যে, সকলো জাতিৰ
কাৰণে যীচুৱে মৃত্যুবৰণ কৰিব লাগিব। ৫২ কিন্তু যীচুৱে
যে কেৱল ইহুদী জাতিৰ কাৰণে মৃত্যুবৰণ কৰিব, তেনে
নহয়; কিন্তু ঈশ্বৰৰ যি সকলো সন্তান চাৰিওফালে সিচঁৰতি
হৈ আছে, সেই সকলোকে যেন একত্ৰিত কৰিব পাৰে,
এই কাৰণে যীচুৱে মৃত্যুবৰণ কৰিব। ৫৩ সেইদিনা খনৰ
পৰা তেওঁলোকে যীচুক বধ কৰিববলৈ ষড়যন্ত্ৰ কৰিববলৈ
ধৰিলে। ৫৪ সেয়ে, যীচুৱে তেতিয়া প্ৰকাশ্যে ইহুদী সকলৰ
মাজত চলা-ফুৰা বন্ধ কৰি দিলে। তেওঁ সেই ঠাইৰ পৰা
মৰুপ্ৰান্তৰৰ ওচৰৰ দেশত থকা ইফ্ৰয়িম নামেৰে এখন
নগৰলৈ গ'ল আৰু তাত তেওঁ শিষ্য সকলৰ সৈতে থাকিল।
৫৫ ইহুদী সকলৰ নিস্তাৰ-পৰ্বৰ দিন ওচৰ চাপি আহিছিল
আৰু দেশৰ বহুলোকে পৰ্বৰ আগেয়ে নিজকে শুচি কৰিবৰ
কাৰণে যিৰূচালেমলৈ গ'ল। ৫৬ তাত তেওঁলোকে যীচুক
বিচাৰিববলৈ ধৰিলে। তেওঁলোকে মন্দিৰত থিয় হৈ পৰস্পৰে
কোৱা-কুই কৰিলে, "তেওঁ কি এই পৰ্বলৈ নাহিব নেকি?
আপোনালোকে কি ভাৱে?" ৫৭ প্ৰধান পুৰোহিত আৰু
ফৰীচী সকলে এই আজ্ঞা দিছিল যে, যীচু ক'ত আছে
সেই বিষয়ে যদি কোনোবাই জানে, তেনেহলে খবৰটো
তেওঁলোকক জনাওঁক যাতে তেওঁলোকে তেওঁক ধৰিব
পাৰে।

**১২** নিস্তাৰ-পৰ্বৰ ছয় দিনৰ আগতে যীচু বৈথনিয়া
গাওঁলৈ আহিল, সেই ঠাইত লাজাৰে বাস কৰিছিল।
এই জন লাজাৰকে যীচুৱে মৃত্যুৰ পৰা তুলিছিল। ২ সেই
ঠাইতে তেওঁলোকে যীচুৰ কাৰণে ৰাতিৰ আহাৰ যুগুত
কৰিলে। মাৰ্থাই খোৱা আহাৰ বাঢ়ি দিছিল, যীচুৰ লগত যি
সকলে ভোজনত বহিছিল তেওঁলোকৰ মাজতে লাজাৰো
আছিল। ৩ তেতিয়া মৰিয়মে বহুমূল্য বিশুদ্ধ জটামাংসীৰ
সুগন্ধি তেল আনি যীচুৰ চৰণত ঘঁহিলে আৰু নিজৰ চুলিৰে
যীচুৰ চৰণ মচি সেই তেল সানি দিলে; তেতিয়া সেই
তেলৰ সু-গন্ধই গোটেই ঘৰ জুৰিলে। ৪ তেতিয়া তেওঁৰ
শিষ্য সকলৰ মাজৰ যি জনে তেওঁক শত্ৰুৰ হাতত শোধাই
দিব, সেই ঈষ্কৰিয়োতীয়া যিহূদাই মৰিয়মৰ এই কাৰ্যক
বিৰোধ কৰিলে আৰু ক'লে, ৫ "আমি এই তেল তিনি
শ আধলিত বিক্ৰী কৰি, দৰিদ্ৰ সকলৰ মাজত কিয় দান
নকৰিলোঁ?" ৬ তেওঁ যে দৰিদ্ৰ সকললৈ চিন্তা কৰি এই
কথা কৈছিল, এনে নহয়, কিন্তু তেওঁ চোৰ; তেওঁৰ হাতত
ধনৰ জোলোঙা আছিল, সেই কাৰণে তাৰ ভিতৰত যি দিয়া
যায়, তাকে তেওঁ চোৰ কৰে, এই কাৰণতে তেওঁ এনে
কথা কৈছিল। ৭ তেতিয়া যীচুৱে ক'লে, "তেওঁক অকলে
থাকিবলৈ দিয়া! মোক মৈদামত থোৱা দিনৰ কাৰণে তেওঁক
এই সুগন্ধি ৰাখিবলৈ দিয়া হৈছিল। ৮ কিয়নো দৰিদ্ৰ সকল
তোমালোকৰ লগত সদায় থাকিব; কিন্তু মই তোমালোকৰ
লগত সদায় নাথাকো।" ৯ ইহুদী সকলৰ বহুতে গম পালে
যে, যীচু বৈথনিয়াতে আছে। তেতিয়া তেওঁলোক তালৈ
আহিল, কিন্তু যীচুক চাবৰ কাৰণে যে আহিল এনে নহয়, যি
জন লাজাৰক মৃত লোকৰ মাজৰ পৰা যীচুৱে তুলিছিল, সেই
জন লাজাৰক চাবলৈহে তেওঁলোক আহিল। ১০ সেয়েহে
প্ৰধান পুৰোহিত সকলে লাজাৰক বধ কৰিবলৈ চক্ৰান্ত
কৰিব ধৰিলে; ১১ কিয়নো সেই কাৰণে বহুতো ইহুদী
লোকে যীচুত বিশ্বাস কৰিছিল। ১২ পাছদিনা নিস্তাৰপৰ্বলৈ
অহা লোক সকলে শুনিবলৈ পালে যে, যীচু যিৰূচালেমলৈ
আহিছে। ১৩ তেতিয়া তেওঁলোকে খেজুৰ পাত হাতত
লৈ তেওঁক আগ বঢ়াবলৈ নগৰলৈ গল আৰু চিঞৰি-
চিঞৰি ক'লে, "হোচানা! হোচানা! যি জন প্ৰভুৰ নামেৰে
আহিছে, ঈশ্বৰে তেওঁক আশীৰ্বাদ কৰক। ইস্ৰায়েলৰ ৰজাক
ঈশ্বৰে আশীৰ্বাদ কৰক।" ১৪ তেতিয়া যীচুৱে এটা গাধ
পোৱালি দেখা পালে আৰু তেওঁ তাৰ ওপৰত বহিল,
যেনেকৈ শাস্ত্ৰত লিখা আছে ১৫ "তোমালোকে ভয় নকৰিবা,
হে চিয়োন জীয়ৰী; চোৱা তোমালোকৰ ৰজা আহিছে,
তেওঁ গাধ পোৱালিৰ ওপৰত উঠি আহিছে।" ১৬ এই
সকলো বিষয় তেওঁৰ শিষ্য সকলে প্ৰথমতে বুজি পোৱা
নাছিল; কিন্তু যেতিয়া যীচু মহিমান্বিত হৈ উত্তোলিত হ'ল,
তেতিয়া তেওঁলোকৰ মনত পৰিল যে, শাস্ত্ৰত এই বিষয়ে
লিখা আছিল আৰু তেওঁলোকে তেওঁৰ কাৰণে এনে কৰ্ম
কৰিছিল। ১৭ যেতিয়া যীচুৱে লাজাৰক মৈদামৰ পৰা উঠি
আহিবলৈ কৈছিল আৰু তেওঁক মৃত লোকৰ মাজৰ পৰা
জীৱিত কৰি তুলিছিল, সেই সময়ত যি সকল লোক তেওঁৰ
লগত আছিল, তেওঁলোকে এই বিষয়ে আন লোকৰ আগত
সাক্ষ্য দিবলৈ ধৰিলে। ১৮ এই কাৰণে লোক সকলে তেওঁক
দেখা কৰিববলৈ আহিল, কিয়নো তেওঁলোকে শুনিছিল যে,
এই আচৰিত কাৰ্যবোৰ তেওঁ কৰিছে। ১৯ তাতে ফৰীচী
সকলে ইজনে সিজনৰ মাজত কোৱা-কুই কৰি ক'লে,
"তোমালোকে দেখিলা, আমাৰ সকলো চেষ্টা ব্যৰ্থ হল।
চোৱা, গোটেই জগত খনে তেওঁৰ পাছত গ'ল।" ২০

সেই সময়ত নিস্তাৰ পৰ্ব উপলক্ষে উপাসনা কৰিবৰ বাবে
লোক সকল যিৰূচালেমলৈ আহিছিল, তেওঁলোকৰ মাজত
কেইজনমান গ্ৰীক মানুহ আছিল। ২১ তেওঁলোকে গালীল
দেশৰ বৈৎ-চৈদা গাওঁৰ পৰা ফিলিপৰ ওচৰলৈ আহি
অনুৰোধ কৰি ক'লে, "হে মহাশয়, আমি যীচুক চাবলৈ
ইচ্ছা কৰোঁ।" ২২ ফিলিপে আহি আন্দ্ৰিয়ক এই কথা ক'লে;
তেতিয়া আন্দ্ৰিয়ই ফিলিপে সৈতে আহি যীচুক জনালে।
২৩ যীচুৱে উত্তৰ দি তেওঁলোকক ক'লে, "মানুহৰ পুত্ৰ
মহিমান্বিত হ'বৰ সময় হৈছে। ২৪ মই তোমালোকক অতি
স্বৰূপকৈ কওঁ, ধানৰ গুটি এটি যদি মাটিত পৰি মৰি নাযায়,
তাতে সি অকল এটা গুটি হৈয়েই থাকে; কিন্তু যদি মৰে,
তেনেহলে তাত অনেক গুটি ধৰে। ২৫ যি কোনোৱে নিজৰ
জীৱনক প্ৰেম কৰে, তেওঁ তাক হেৰুৱাই আৰু যি কোনোৱে
এই জগতত নিজৰ জীৱনক প্ৰেম নকৰে, তেওঁ অনন্ত
জীৱনলৈ তাক ৰক্ষা কৰে। **(aiōnios g166)** ২৬ কোনোৱে যদি
মোৰ পৰিচৰ্যা কৰিব খোজে, তেনেহলে তেওঁ মোৰ পাছে
পাছে আহক; তাতে মই যি ঠাইত থাকোঁ, মোৰ সেৱক
জনো সেই ঠাইতে থাকিব; কোনোৱে যদি মোৰ সেৱা
কৰে, তেনেহলে মোৰ পিতৃয়ে তেওঁক সমাদৰ কৰিব। ২৭
এতিয়া মোৰ প্ৰাণ ব্যাকুল হৈছে আৰু মই কি ক'ম? হে
পিতৃ, এই সময়ৰ পৰা মোক ৰক্ষা কৰা, ইয়াকে ক'ম নে?
কিন্তু এই কাৰণেহে মই এই সময়লৈ আহিলোঁ। ২৮ হে
পিতৃ, তোমাৰ নাম মহিমান্বিত কৰা৷" তেতিয়া স্বৰ্গৰ পৰা
এটা বাণী আহিল আৰু ক'লে, "মই মহিমান্বিত কৰিলোঁ,
আকৌ মহিমান্বিত কৰিম"। ২৯ তেতিয়া তাতে লোক সকল
থিয় হৈ আছিল আৰু তেওঁলোকে ইয়াক মেঘ-গৰ্জন বুলি
কলে; কিছুমানে কলে, "স্বৰ্গৰ দূতে তেওঁৰ সৈতে কথা
ক'লে।" ৩০ যীচুৱে উত্তৰ দি ক'লে, "মোৰ কাৰণে এই
বাণী হোৱা নাই, তোমালোকৰ কাৰণেহে এই বাণী হ'ল।
৩১ এতিয়া এই জগতৰ সোধ-বিচাৰ হৈছে; এতিয়া এই
জগতৰ অধিকাৰীক বাহিৰ কৰা হ'ব; ৩২ আৰু মই পৃথিৱীৰ
পৰা উত্তোলিত হ'লে, সকলোকে মোৰ ওচৰলৈ আকৰ্ষণ
কৰিম।" ৩৩ তেওঁৰ মৃত্যু কেনে ধৰণে হব, সেই বিষয়ে
বুজাবলৈ তেওঁ এই কথা ক'লে। ৩৪ তাতে লোক সকলে
তেওঁক উত্তৰ দি কলে, "আমি বিধান-শাস্ত্ৰত শুনিছোঁ, খ্ৰীষ্ট
চিৰকাল থাকিব; তেনেহলে এনে কথা আপুনি কেনেকৈ
কৈছে যে, 'মানুহৰ পুত্ৰ উত্তোলিত হব? মানুহৰ পুত্ৰ নো
কোন'?" **(aiōn g165)** ৩৫ তেতিয়া যীচুৱে তেওঁলোকক ক'লে,
"তোমালোকৰ মাজত এতিয়াও অলপ কাল পোহৰ আছে।
যেতিয়ালৈকে পোহৰ আছে, আগবাঢ়ি থাকা; যাতে আন্ধাৰে
তোমালোকক পাছ নেপেলাই। যি জন আন্ধাৰত ফুৰে, তেওঁ
ক'লৈ যায় সেই বিষয়ে নাজানে। ৩৬ যেতিয়ালৈ পোহৰ
আছে, তেতিয়ালৈকে পোহৰৰ ওপৰত বিশ্বাস ৰাখা; যাতে
তোমালোক পোহৰৰ সন্তান হোৱা।" যীচুৱে এই সকলো
কথা কৈ তেওঁলোকৰ ওচৰৰ পৰা গৈ নিজক লুকুৱালে।
৩৭ সেই কথা সিদ্ধ হ'বলৈ, তেওঁ তেওঁলোকৰ আগত বহুত
আচৰিত কৰ্ম কৰিলে, কিন্তু তেওঁলোকে তেওঁত বিশ্বাস
নকৰিলে; ৩৮ যাতে যিচয়া ভাববাদীৰ সেই কথাষাৰ যেন
সম্পূৰ্ণ হয়, কিয়নো তেওঁ কৈছিল, "হে প্ৰভু, আমি কোৱা
সংবাদ কোনে বিশ্বাস কৰিলে? আৰু প্ৰভুৰ বাহুবল কাৰ
আগত প্ৰকাশিত হ'ব?" ৩৯ কাৰণ এই বিষয়ে তেওঁলোকে
বিশ্বাস নকৰিলে, যিচয়াই আকৌ তেওঁলোকক কৈছিল,
৪০ "তেওঁ তেওঁলোকৰ চকু অন্ধ কৰিলে আৰু তেওঁলোকৰ
অন্তৰ কঠোৰ কৰিলে, নহ'লে তেওঁলোকে নিজ চকুৰে
দেখিলেহেঁতেন আৰু হৃদয়েৰে নিজকে বুজিলেহেঁতেন আৰু
ঘূৰিলেহেঁতেন আৰু মই তেওঁলোকক সুস্থ কৰিলোঁহেতেন।"
৪১ এইদৰে যিচয়াই এই বিষয়ে ক'লে, কাৰণ যীচুৰ গৌৰৱ
তেওঁ দেখিছিল আৰু সেয়েহে তেওঁ কৈছিল। ৪২ তথাপি
শাসনকৰ্তা সকলৰ মাজৰ অনেকে যীচুত বিশ্বাস কৰিলে;
কিন্তু তেওঁলোকক নাম-ঘৰৰ পৰা নিষিদ্ধ কৰাৰ ভয়তে
ফৰীচী সকলৰ কাৰণে তেওঁলোকে স্বীকাৰ নকৰিলে; ৪৩
কিয়নো তেওঁলোকে ঈশ্বৰৰ পৰা পোৱা প্ৰশংসা তকৈ
মানুহৰ পৰা পোৱা প্ৰশংসাক বেছি প্ৰেম কৰিছিল। ৪৪
যীচুৱে অতি উচ্চস্বৰে ক'লে, "যি কোনোৱে মোক বিশ্বাস
কৰে, তেওঁ মোক নহয়, কিন্তু মোক পঠোৱা জনকহে বিশ্বাস
কৰে। ৪৫ আৰু যি কোনোৱে মোক দেখে, তেওঁ মোক
পঠোৱা জনকেই দেখে। ৪৬ মই এই জগতলৈ পোহৰ
হৈ আহিছোঁ, গতিকে যি কোনোৱে মোক বিশ্বাস কৰে,
তেওঁ যেন আন্ধাৰত নাথাকে। ৪৭ কোনোৱে মোৰ কথা
শুনিও যদি পালন নকৰে, তথাপি মই তেওঁৰ সোধ-বিচাৰ
নকৰোঁ; কিয়নো মই জগতৰ সোধ-বিচাৰ কৰিবলৈ অহা
নাই; কিন্তু জগতৰ পৰিত্ৰাণ কৰিবলৈহে আহিলোঁ। ৪৮ যি
কোনোৱে মোক অগ্ৰাহ্য কৰে, আৰু মোৰ কথাও গ্ৰহণ
নকৰে, তেওঁৰ সোধ-বিচাৰ কৰোঁতা এজন আছে, আৰু
মই যি বাৰ্তা দিছোঁ শেষৰ দিনা সেই বাৰ্তাই তেওঁৰ সোধ-
বিচাৰ কৰিব। ৪৯ কিয়নো মই নিজৰ পৰা এই কথা কোৱা
নাই; কিন্তু মোক পঠোৱা পিতৃয়ে মই কি কব লাগে, আৰু
কেনেদৰে কব লাগিব, এই বিষয়ে মোক আজ্ঞা কৰিলে।
৫০ মই জানো যে, তেওঁৰ আজ্ঞাত অনন্ত জীৱন আছে; এই
হেতুকে মই যি যি কথা কওঁ, পিতৃয়ে মোক কোৱাৰ দৰেই
কওঁ।" **(aiōnios g166)**

**১৩** ইহুদী সকলৰ নিস্তাৰ-পৰ্বৰ পূৰ্বে যীচুৱে জানিব
পাৰিলে, যে এই জগতৰ পৰা পিতৃৰ ওচৰলৈ
তেওঁৰ যোৱাৰ সময় ওচৰ চাপি আহিছে; সেয়েহে জগতত
থকা নিজৰ লোক সকলক সকলো সময়তে প্ৰেম কৰি
তেওঁলোকক শেষলৈকে প্ৰকৃত প্ৰেমৰ প্ৰমাণ দিলে। ২

তেওঁলোকৰ ৰাতিৰ আহাৰ খোৱাৰ সময় হ'ল; ইতিমধ্যে
চয়তানে যীচুক বিশ্বাসঘাতকতা কৰিবলৈ চিমোনৰ পুত্ৰ
ঈষ্কৰিয়োতীয়া যিহূদাৰ মনত কু-বুদ্ধি সুমুৱাই দিলে।
৩ যীচুৱে জানিছিল যে, পিতৃয়ে তেওঁক সকলো বস্তুৰ
ওপৰত ক্ষমতা দিছে; তেওঁ ঈশ্বৰৰ পৰা আহিছে আৰু
পুনৰাই তেওঁ ঈশ্বৰৰ ওচৰলৈ উভতি যাব। ৪ তেওঁ ৰাতি
আহাৰ খোৱা ঠাইৰ পৰা উঠি আহিল আৰু গাত লোৱা
কাপোৰ খন থৈ, এখন গামোচা ললে আৰু নিজৰ কঁকাল
বান্ধিলে, ৫ তাৰ পাছত চৰিয়াত পানী বাকি লৈ তেওঁ
শিষ্য সকলৰ ভৰি ধুৱাবলৈ ধৰিলে আৰু কঁকালত বান্ধি
লোৱা গামোচাৰে তেওঁলোকৰ ভৰি মচিলে। ৬ তাতে তেওঁ
চিমোন পিতৰৰ ওচৰলৈ অহাত, পিতৰে তেওঁক ক'লে,
"হে প্ৰভু আপুনি মোৰ ভৰি ধুৱাব নে?" ৭ যীচুৱে উত্তৰ দি
তেওঁক ক'লে, "মই কি কৰিছোঁ তুমি এতিয়া বুজি নাপাবা;
কিন্তু এই বিষয়ে পাছত বুজি পাবা।" ৮ পিতৰে তেওঁক
ক'লে "আপুনি মোৰ ভৰি কেতিয়াও নুধুৱাব।" যীচুৱে
উত্তৰ দিলে, "যদি তোমাৰ ভৰি নুধুৱাওঁ, তেনেহলে মোৰে
সৈতে তোমাৰ একো সম্পৰ্ক নাই।" **(aiōn g165)** ৯ তেতিয়া
চিমোন পিতৰে তেওঁক ক'লে, "হে প্ৰভু, মোৰ অকল ভৰি
ধুই দিয়াই নহয়, কিন্তু মোৰ হাত আৰু মূৰো ধুৱাওক।"
১০ যীচুৱে তেওঁক ক'লে, "গা ধোৱা লোকৰ ভৰি ধোৱাৰ
বাহিৰে, আন একো ধুবৰ প্ৰয়োজন নাই; কিয়নো তেওঁৰ
গোটেই শৰীৰ পৰিষ্কাৰ আছে। তোমালোকো পৰিষ্কাৰ
হৈ আছা, কিন্তু সকলোৱেই নহয়।" ১১ কোনে তেওঁক
বিশ্বাসঘাতকতা কৰিব, সেই বিষয়ে যীচুৱে জানিছিল;
এই কাৰণে তেওঁ ক'লে, "তোমালোক সকলো নিৰ্মল
নহয়।" ১২ যীচুৱে তেওঁলোকৰ ভৰি ধুৱাই উঠি, নিজৰ
পিন্ধা কাপোৰ লৈ আকৌ বহিল; পাছত তেওঁ তেওঁলোকক
ক'লে, "তোমালোকৰ কাৰণে মই যি কৰিলোঁ, সেই বিষয়ে
তোমালোকে বুজিলা নে? ১৩ তোমালোকে যে মোক 'গুৰু'
আৰু 'প্ৰভু' বুলি মাতিছা, সেয়া ঠিকেই কৰিছা; কিয়নো
মই সেয়েই হওঁ। ১৪ এতেকে প্ৰভু আৰু গুৰু যি মই; মই
যদি তোমালোকৰ ভৰি ধুৱালোঁ, তেনেহলে তোমালোকেও
ইজনে সিজনৰ ভৰি ধুই দিয়া উচিত। ১৫ কিয়নো মই
তোমালোকলৈ যি দৰে কৰিলোঁ, তোমালোকেও যেন
সেইদৰে কৰা, এই কাৰণে তোমালোকক আৰ্হি দেখুৱালোঁ।
১৬ মই তোমালোকক অতি স্বৰূপকৈ কওঁ, নিজ গৰাকীতকৈ
দাস ডাঙৰ নহয়; আৰু যি জনে পঠালে সেই জনতকৈ
পঠোৱা বাৰ্তাবাহক জন ডাঙৰ নহয়। ১৭ তোমালোকে
এই সকলোবোৰ পালন কৰা; এইবোৰ পালন কৰিলে,
তোমালোক আশীৰ্বাদৰ ভাগী হবা। ১৮ তোমালোকৰ
সকলোৰে বাবে এই বিষয়ে কথা কৈছোঁ এনে নহয়; কিন্তু
যি সকলক মই জানো তেওঁলোককহে মনোনীত কৰিলোঁ,
তেওঁলোকক জানো; কিন্তু ধৰ্মশাস্ত্ৰৰ বচন সিদ্ধ হ'বলৈ;
'যি জনে মোৰ পিঠা খায়, সেই জনে মোৰ বিৰুদ্ধে গেৰুৱা
দাঙিলে।' ১৯ এইদৰে যেতিয়া ঘটিব, তেতিয়া ময়েই যে
সেই জন হয়, ইয়াক তোমালোকে যেন বিশ্বাস কৰা, এই
কাৰণে ঘটাৰ আগেয়ে, মই এতিয়াৰ পৰা তোমালোকক
কৈ আছোঁ। ২০ মই তোমালোকক অতি স্বৰূপকৈ কওঁ,
মই যি জনক পঠাই দিওঁ, তেওঁক যি কোনাৱে গ্ৰহণ
কৰে; তেওঁ মোকেই গ্ৰহণ কৰে আৰু যি কোনোৱে মোক
গ্ৰহণ কৰে, তেওঁ মোক পঠোৱা জনকেই গ্ৰহণ কৰে।"
২১ এই কথা কৈ, যীচুৱে আত্মাত বিৰক্তি পাই সাক্ষ্য দি
ক'লে, "মই তোমালোকক অতি সঁচাকৈ কওঁ, তোমালোকৰ
মাজৰ এজনেই মোক বিশ্বাসঘাতকতা কৰিব৷" ২২ শিষ্য
সকলে ইজনে সিজনৰ মুখলৈ চাব ধৰিলে, কিন্তু কোন
জনৰ বিষয়ে এই কথা ক'লে, সেই বিষয়ে নজনাৰ বাবে
তেওঁলোক আচৰিত হ'ল। ২৩ যীচুৰ শিষ্য সকলৰ মাজৰ
এজনক তেওঁ বহুত প্ৰেম কৰিছিল সেই শিষ্য জনে মেজৰ
কাষত হেলনীয়া হৈ পৰি যীচুৰ বুকুৰ কাষতে আছিল৷
২৪ তেতিয়া চিমোন পিতৰে ইঙ্গিত দি সেই শিষ্য জনক
ক'লে, "তেওঁ কাৰ বিষয়ে এই কথা কৈছে, সোধাচোন"?
২৫ তেতিয়া তেওঁ যীচুৰ বুকুলৈ হাউলি গৈ সুধিলে, "হে
প্ৰভু, সেই জন নো কোন?" ২৬ যীচুৱে উত্তৰ দিলে,
"মই যি জনক এই পিঠা ডোখৰ ভাঙি জুবুৰিয়াই ভগাই
দিম, তেৱেঁই সেই জন।" তেতিয়া তেওঁ পিঠা ডোখৰ
জুবুৰিয়াই লৈ, ঈষ্কৰিয়োতীয়া চিমোনৰ পুতেক যিহূদাক
দিলে। ২৭ সেই পিঠা ডোখৰ পোৱাৰ পাছতেই, চয়তান
তেওঁৰ ভিতৰ সোমাল। তেতিয়া যীচুৱে তেওঁক ক'লে,
"তুমি যি কাম কৰিবলৈ লৈছা, সেই কাম বেগতে কৰা।"
২৮ কিন্তু তেওঁ কিয় এই কথা ক'লে, সেই বিষয়ে তেওঁৰ
লগত মেজত ভোজন কৰিবলৈ বহা লোক সকলৰ কোনেও
বুজি পোৱা নাছিল৷ ২৯ কিয়নো কিছুমানে ভাবিলে যে,
যিহূদাৰ লগত ধনৰ জোলোঙা থকাৰ কাৰণে, 'পৰ্বলৈ
যি যি লাগে সেইবোৰ কিনিবলৈ নাইবা দৰিদ্ৰ সকলক
কোনো বস্তু দিবলৈ' যীচুৱে তেওঁক এই কথা ক'লে, ।
৩০ তাতে তেওঁ সেই পিঠা ডোখৰ গ্ৰহণ কৰি, তেতিয়াই
বাহিৰলৈ গ'ল। সেই সময়, নিশাৰ সময় আছিল। ৩১
যেতিয়া সেই ঠাইৰ পৰা যিহূদা বাহিৰলৈ ওলাই গ'ল,
যীচুৱে ক'লে, "এতিয়া মানুহৰ পুত্ৰ মহিমান্বিত হ'ল, ঈশ্বৰো
তেওঁৰ যোগেদি মহিমান্বিত হ'ল৷ ৩২ ঈশ্বৰ যদি তেওঁৰ
যোগেদি মহিমান্বিত হ'ল, তেতিয়া ঈশ্বৰেও পুত্ৰক নিজৰ
যোগেদি মহিমান্বিত কৰিব, তেওঁ তৎক্ষণাৎতেই কৰিব।"
৩৩ মোৰ প্ৰিয় সন্তান সকল, তোমালোকৰ লগত মই
অলপ সময়হে আছোঁ। তোমালোকে মোক বিচাৰিবা; কিন্তু
ইহুদী সকলক যেনেকৈ কৈছিলোঁ যে, 'মই যি ঠাইলৈ

যাওঁ, সেই ঠাইলৈ তোমালোকে যাব নোৱাৰা’, তেনেকৈ
এতিয়া তোমালোককো কৈছোঁ। ৩৪ মই তোমালোকক
এটা নতুন আজ্ঞা দিওঁ, তোমালোকে পৰস্পৰে প্ৰেম
কৰিবা; মই যেনেকৈ তোমালোকক প্ৰেম কৰিলোঁ, তেনেকৈ
তোমালোকেও পৰস্পৰে প্ৰেম কৰিবা। ৩৫ তোমালোকৰ
যদি পৰস্পৰৰ মাজত প্ৰেম থাকে, তেনেহলে তোমালোক
যে মোৰ শিষ্য হয়, ইয়াক তাৰ দ্বাৰাই সকলোৱে জানিব।”
৩৬ চিমোন পিতৰে তেওঁক সুধিলে, “হে প্ৰভু, আপুনি ক’লৈ
যায়?” যীচুৱে উত্তৰ দি ক’লে, “মই য’লৈ যাওঁ, তালৈ তুমি
এতিয়া মোৰ পাছে পাছে আহিব নোৱাৰা; কিন্তু পাছত তুমি
মোৰ পাছে পাছে আহিবা।” ৩৭ পিতৰে তেওঁক ক’লে, “হে
প্ৰভু, এতিয়াই নো কি কাৰণে আপোনাৰ পাছে পাছে যাব
নোৱাৰো? মই আপোনাৰ কাৰণে মোৰ প্ৰাণকো দিম।”
৩৮ যীচুৱে উত্তৰ দি ক’লে, “মোৰ কাৰণে তোমাৰ প্ৰাণ
দিবা নে? মই তোমাক অতি স্বৰূপকৈ কওঁ, তুমি মোক
দোকমোকালিতে কুকুৰাই ডাক দিয়াৰ আগেয়ে তিনি বাৰ
অস্বীকাৰ কৰিবা।”

**১৪** “তোমালোকৰ হৃদয় ব্যাকুল নহওক৷ ঈশ্বৰত বিশ্বাস
কৰা আৰু মোকো বিশ্বাস কৰা। ২ মোৰ পিতৃৰ ঘৰত
অনেক থকা ঠাই আছে; আৰু নথকা হ’লে তোমালোকক
ক’লোহেঁতেন; কিয়নো মই তোমালোকলৈ ঠাই যুগুত
কৰিবলৈ যাওঁ। ৩ যদি মই যাওঁ আৰু তোমালোকলৈ ঠাই
যুগুত কৰোঁ, তেনেহলে মই যি ঠাইত থাকোঁ, তোমালোকো
সেই ঠাইতে থাকিবলৈ পাবা, এই কাৰণে মই আকৌ
আহি তোমালোকক মোৰ ওচৰলৈ লৈ যাম। ৪ মই যি
ঠাইলৈ যাওঁ, তোমালোকে তাৰ বাট জানা।” ৫ থোমাই
যীচুক ক’লে, “হে প্ৰভু, আপুনি ক’লৈ যায়, তাকেই আমি
নাজানো; তেনেহলে বাট নো আমি কেনেকৈ জানিম?”
৬ যীচুৱে তেওঁক ক’লে, “ময়েই বাট, সত্য আৰু জীৱন;
মোৰ যোগেদি নগ’লে, পিতৃৰ ওচৰলৈ কোনো নাযাব
নোৱাৰে। ৭ তোমালোকে মোক জনা হ’লে, মোৰ পিতৃকো
জানিলাহেঁতেন; এতিয়াৰ পৰা তোমালোকে তেওঁক জানিছা
আৰু দেখিছাও।” ৮ ফিলিপে যীচুক ক’লে, “হে প্ৰভু,
পিতৃক আমাক দেখুৱাওঁক, সেয়ে আমালৈ যথেষ্ট হ’ব”। ৯
যীচুৱে ক’লে, “হে ফিলিপ, তোমালোকৰ সৈতে ইমান দিন
থকাতো তুমি মোক চিনি পোৱা নাই নে? যি জনে মোক
দেখিলে, তেওঁ মোৰ পিতৃকেই দেখিলে; ইয়াৰ পাছতো
পিতৃক দেখুৱাওঁক বুলি কেনেকৈ কব পাৰিলা?” ১০ “মই
যে পিতৃত আছোঁ আৰু পিতৃও যে মোৰ লগত আছে, ইয়াক
তুমি বিশ্বাস নকৰা নে? মই যি যি কথা তোমালোকক
কওঁ, সেইবোৰ নিজৰ পৰা নকওঁ; কিন্তু পিতৃয়ে মোৰ
লগত থাকি তেওঁৰ কাৰ্যবোৰ সম্পন্ন কৰে। ১১ মই যে
পিতৃত আছোঁ, আৰু পিতৃও যে মোৰ লগত আছে, মোৰ এই
কথাতে বিশ্বাস কৰা; নাইবা মই কৰা কাৰ্যবোৰৰ কাৰণে
মোক বিশ্বাস কৰা। ১২ মই তোমালোকক অতি স্বৰূপকৈ
কওঁ, মই যি যি কাৰ্য কৰোঁ, মোক বিশ্বাস কৰা জনেও
তেনেকুৱা কাৰ্য কৰিব আৰু তাতকৈয়ো মহৎ মহৎ কাৰ্য
কৰিব; কিয়নো মই পিতৃৰ ওচৰলৈ যাওঁ। ১৩ তোমালোকে
মোৰ নামেৰে যিহকে খুজিবা, মই তাকে পূৰ্ণ কৰিম; তাতে
পিতা, পুত্ৰৰ দ্বাৰাই যেন মহিমান্বিত হয়। ১৪ তোমালোকে
মোৰ নামেৰে যদি কিবা খোজা, তেনেহলে সেয়া মই পূৰ্ণ
কৰিম। ১৫ তোমালোকে যদি মোক প্ৰেম কৰা, তেনেহলে
মোৰ আজ্ঞাবোৰ পালন কৰিবা। ১৬ আৰু মই পিতৃৰ ওচৰত
প্ৰাৰ্থনা কৰিম, তেওঁ যাতে তোমালোকক আন এজন
সহায়কৰ্তা দিয়ে আৰু তেওঁ যেন চিৰকাল তোমালোকৰ
লগত থাকে৷ **(aiōn g165)** ১৭ সেই সত্যৰ আত্মাক জগতে
গ্ৰহণ কৰিব নোৱাৰে; কিয়নো জগতে তেওঁক নেদেখে আৰু
নাজানেও; তোমালোকে হ’লে তেওঁক জানা; কিয়নো তেওঁ
তোমালোকৰ সঙ্গে সঙ্গে থাকে আৰু তেওঁ তোমালোকৰ
মাজত থাকিব। ১৮ মই তোমালোকক অনাথকৈ এৰি
নাযাওঁ; মই তোমালোকৰ ওচৰলৈ আকৌ আহিম। ১৯
অলপ সময়ৰ পাছত জগতে মোক পুণৰ দেখিবলৈ নাপায়,
কিন্তু তোমালোকে হ’লে মোক দেখা পাবা; কাৰণ মই
জীয়াই আছোঁ বাবে তোমালোকো জীয়াই থাকিবা। ২০
সেইদিনা তোমালোকে জানিবা যে, মই পিতৃত আছোঁ আৰু
তোমালোকো মোত আছা, ময়ো তোমালোকত আছোঁ। ২১
যি জনে মোৰ আজ্ঞা পাই পালন কৰে, সেই জনে মোক
প্ৰেম কৰে; আৰু যি জনে মোক প্ৰেম কৰে, সেই জন
মোৰ পিতৃৰ প্ৰেমৰ পাত্ৰ হ’ব আৰু ময়ো সেই জনক প্ৰেম
কৰি, তেওঁৰ আগত নিজকে প্ৰকাশ কৰিম।” ২২ তেতিয়া
ঈষ্কৰিয়োতীয়া নহয়, আন যিহুদাই তেওঁক ক’লে, “হে
প্ৰভু, কিনো হ’ল যে, আপুনি জগতৰ আগত প্ৰকাশিত
নহয়, কিন্তু আমাৰ আগত নিজকে প্ৰকাশ কৰিব?” ২৩
যীচুৱে উত্তৰ দি তেওঁক ক’লে, “কোনোৱে যদি মোক প্ৰেম
কৰে, তেনেহলে তেওঁ মোৰ বাক্য পালন কৰিব; মোৰ
পিতৃয়ে তেওঁক প্ৰেম কৰিব, আৰু আমি তেওঁৰ ওচৰলৈ
আহি, তেওঁৰে সৈতে নিবাস কৰিম। ২৪ যি জনে মোক
প্ৰেম নকৰে, সেই জনে মোৰ বাক্যও পালন নকৰে; আৰু
যি বাক্য তোমালোকে শুনিবলৈ পাইছা, সেই বাক্য মোৰ
নহয়, কিন্তু মোক পঠোৱা পিতৃৰহে। ২৫ মই তোমালোকৰ
লগত থাকোতেই, এইবোৰ কথা তোমালোকক ক’লো;
২৬ কিন্তু সেই সহায়কৰ্তা পবিত্ৰ আত্মা, যি জনক পিতৃয়ে
মোৰ নামেৰে পঠিয়াব, তেওঁ তোমালোকক সকলো শিক্ষা
দিব আৰু মই তোমালোকক যি যি কৈছোঁ, এই আটাই কথা
তোমালোকক সোঁৱৰাব। ২৭ মই তোমালোকলৈ শান্তি এৰি
যাওঁ, মোৰ শান্তি তোমালোকক দিওঁ; জগতে যেনেকৈ

দিয়ে মই তেনেকৈ নিদিওঁ। তোমালোকৰ হৃদয় ব্যাকুল
নহওক, আৰু ভয়াতুৰো নহওক। ২৮ মই তোমালোকক
যি দৰে ক'লো, সেই বিষয়ে তোমালোকে শুনিলা, মই
গৈ তোমালোকৰ ওচৰলৈ পুনৰ আহিম। তোমালোকে
যদি মোক প্ৰেম কৰা, তেনেহ'লে মই পিতৃ ওচৰলৈ যাব
ওলোৱাৰ কাৰণে তোমালোকে আনন্দ কৰিলাহেঁতেন;
কিয়নো পিতৃ মোতকৈ মহান। ২৯ এইবোৰ ঘটা কালত
তোমালোকে যেন বিশ্বাস কৰা, এই কাৰণে ঘটাৰ আগেয়ে,
মই তোমালোকক এইবোৰ কথা ক'লোঁ। ৩০ তোমালোকৰ
সৈতে মই অধিক কথা এতিয়া নহ'ম, কিয়নো জগতৰ
অধিকাৰী আহিছে; আৰু মোৰ ওচৰত তাৰ একো নাই।
৩১ কিন্তু মই যে পিতৃক প্ৰেম কৰোঁ, আৰু পিতৃয়ে মোক
দিয়া আজ্ঞাবোৰ মই যে পালন কৰোঁ, এই বিষয়ে জগতে
জানিবলৈ; এতিয়া উঠা, আমি ইয়াৰ পৰা যাওঁহক।"

**১৫** "ময়েই প্ৰকৃত দ্ৰাক্ষালতা; মোৰ পিতৃ খেতিয়ক
২ গুচাই পেলায় আৰু যি যি ডালত গুটি ধৰে;
সেইবোৰ ডালত পুনৰ অধিক গুটি ধৰিবলৈ তেওঁ পৰিষ্কাৰ
কৰি দিয়ে। ৩ মই তোমালোকক কোৱা শিক্ষাৰ যোগেদি
তোমালোক এতিয়া পৰিষ্কৃত হৈছা। ৪ তোমালোক মোত
সংযুক্ত হৈ থাকা, ময়ো তোমালোকৰ সৈতে সংযুক্ত হৈ
থাকিম। দ্ৰাক্ষালতাত লাগি নাথাকিলে, ডালত যেনেকৈ
গুটি ধৰিব নোৱাৰে, তেনেকৈ মোৰ লগত নাথাকিলে,
তোমালোকে ফলবন্ত হব নোৱাৰিবা। ৫ ময়েই দ্ৰাক্ষালতা,
তোমালোক ডাল; যি জন মোৰ লগত থাকে আৰু ময়ো
যি জনত থাকোঁ, সেই জন বহু ফলৱান হয়; কিয়নো
মোৰ বাহিৰে তোমালোকে একো কৰিব নোৱাৰা। ৬
কোনোৱে যদি মোৰ লগত নাথাকে, তেনেহ'লে তেওঁক
শুকান ডালৰ দৰে বাহিৰলৈ পেলোৱাত, সি শুকাই যায়
আৰু সেইবোৰ গোটাই জুইত পেলাই দিয়া হয়, তাতে
সেইবোৰ পোৰা যায়। ৭ তোমালোক যদি মোত থাকা
আৰু মোৰ শিক্ষাও যদি তোমালোকত থাকে, তেনেহ'লে
যি ইচ্ছা কৰা, তাকে খোজা, সেয়াই তোমালোকলৈ কৰা
হব। ৮ ইয়াতে মোৰ পিতৃ মহিমান্বিত হয়, তোমালোকে
অধিক ফল ধৰি নিজকে প্ৰমাণ কৰা যে, তোমালোক মোৰ
প্ৰকৃত শিষ্য। ৯ পিতৃয়ে যেনেকৈ মোক প্ৰেম কৰিলে,
ময়ো তোমালোকক তেনেকৈ প্ৰেম কৰিলোঁ; তোমালোকে
মোৰ প্ৰেমতে থাকা। ১০ যদি মোৰ আজ্ঞা পালন কৰা,
তেনেহলে, মই যেনেকৈ পিতৃৰ আজ্ঞা পালন কৰি, তেওঁৰ
প্ৰেমত থাকোঁ; তোমালোকো তেনেকৈ তেওঁৰ প্ৰেমতে
থাকিবা। ১১ মোৰ আনন্দ তোমালোকত যেন থাকে
আৰু তোমালোকৰ আনন্দ যেন সম্পূৰ্ণ হয়, এই কাৰণে
তোমালোকক এইবোৰ কথা মই ক'লোঁ। ১২ এই মোৰ
আজ্ঞা, মই যেনেকৈ তোমালোকক প্ৰেম কৰিলোঁ, তেনেকৈ
তোমালোকেও পৰস্পৰে প্ৰেম কৰিবা। ১৩ বন্ধুৰ বাবে
নিজৰ প্ৰাণ দিয়াৰ দৰে শ্ৰেষ্ঠ প্ৰেম আন ক'তো নাই। ১৪
তোমালোকক মই যি যি আজ্ঞা দিওঁ, সেইবোৰ যদি পালন
কৰা, তেনেহলে তোমালোক মোৰ বন্ধু। ১৫ এতিয়াৰ পৰা
মই তোমালোকক দাস বুলি নকওঁ, কিয়নো প্ৰভুৱে যি
কৰে দাসে সেই বিষয়ে নাজানে। মই তোমালোকক বন্ধু
বুলি কওঁ, কিয়নো মোৰ পিতৃৰ পৰা যি যি শুনিলোঁ; সেই
বিষয়বোৰ তোমালোকক জনালোঁ। ১৬ তোমালোকে যে
মোক মনোনীত কৰিলা এনে নহয়, মইহে তোমালোকক
মনোনীত কৰিলোঁ; আৰু তোমালোক যেন ফলৱন্ত হোৱা,
তাতে তোমালোকৰ ফল যেন স্থায়ী হয়। মোৰ নামেৰে
পিতৃৰ আগত যি খুজিবা, সেয়াই তেওঁ তোমালোকক
দিব, এই কাৰণে তোমালোকক নিযুক্ত কৰিলোঁ। ১৭
মই তোমালোকক এইবোৰ আজ্ঞা দিছোঁ, তোমালোকে
পৰস্পৰে ইজনে সিজনক প্ৰেম কৰিবা। ১৮ জগতে যদি
তোমালোকক ঘৃণা কৰে, তেনেহলে জানিব লাগে যে
তোমালোকক ঘৃণা কৰাৰ পূৰ্বে মোকেই ঘৃণা কৰিলে। ১৯
তোমালোক জগতৰ হোৱা হ'লে, জগতে তোমালোকক
নিজৰ লোকৰ দৰে প্ৰেম কৰিলেহেঁতেন; কিন্তু তোমালোক
জগতৰ নোহোৱা। মই তোমালোকক জগতৰ মাজৰ পৰা
মনোনীত কৰিলোঁ, এই কাৰণে জগতে তোমালোকক ঘৃণা
কৰে। ২০ মই তোমালোকক যি শিক্ষা দিলোঁ সেই বিষয়ে
সোঁৱৰণ কৰা, 'এজন দাস তেওঁৰ গৰাকীতকৈ ডাঙৰ
নহয়া' তেওঁলোকে যদি মোক তাড়না কৰিলে, তেনেহলে
তোমালোককো তাড়না কৰিব; মোৰ বাক্য যদি পালন
কৰে, তেনেহলে তোমালোকৰ বাক্যও পালন কৰিব।
২১ কিন্তু যি জনে মোক পঠিয়ালে, তেওঁক তেওঁলোকে
নজনাৰ কাৰণে, মোৰ নামৰ কাৰণে তোমালোকক এইদৰে
কৰিব। ২২ মই আহি তেওঁলোকক কথা নোকোৱা হ'লে,
তেওঁলোকৰ পাপ নহ'লহেঁতেন; কিন্তু এতিয়া পাপৰ বিষয়ে
আপত্তি দৰ্শাবলৈ তেওঁলোকৰ কোনো উপায় নাই। ২৩ যি
জনে মোক ঘৃণা, সেই জনে মোৰ পিতৃকো ঘৃণা কৰে।
২৪ যি কৰ্ম আন কোনোৱে কেতিয়াও কৰা নাই, মই
তেওঁলোকৰ মাজত তেনে কৰ্ম নকৰা হ'লে, তেওঁলোকৰ
পাপ নহলহেঁতেন; কিন্তু এতিয়া মোক আৰু মোৰ পিতৃৰ
কৰ্মবোৰক তেওঁলোকে দেখিলে, তথাপি তেওঁলোকে
আমাক ঘৃণা কৰিলে। ২৫ বিধান-শাস্ত্ৰৰ এই বাক্য পূৰ্ণ
হবলৈ, এই সকলো ঘটিল; যেনেদৰে তেওঁলোকৰ শাস্ত্ৰত
লিখা আছে, 'কোনো কাৰণ নোহোৱাতো তেওঁলোকে
মোক ঘৃণা কৰিলে'। ২৬ কিন্তু পিতৃৰ পৰা ওলোৱা সেই
সহায়কৰ্তা আহিব, সেই অগ্ৰসৰ হোৱা সত্যৰ আত্মাক মই
যেতিয়া তোমালোকলৈ পঠাম, তেতিয়া তেওঁ মোৰ বিষয়ে

সাক্ষ্য দিব। ২৭ তোমালোক আদিৰে পৰা মোৰ লগত
থকাৰ কাৰণে, তোমালোকেও সাক্ষ্য দিবা।”

১৬ “মই তোমালোকক এই সকলোবোৰ কথা এই
কাৰণে কলোঁ, যাতে তোমালোকৰ নিজৰ বিশ্বাসত
বিঘিনি নজন্মে৷ ২ মানুহবোৰে নাম-ঘৰৰ পৰা তোমালোকক
বাহিৰ কৰিব, সেই কালত তোমালোকক বধ কৰোঁতা
প্ৰতিজনে ঈশ্বৰৰ সেৱা কৰিছোঁ বুলি ভাবিব, এনে কাল
আহি আছে। ৩ তেওঁলোকে মোৰ পিতৃক আৰু মোক
নজনাৰ কাৰণে এনে কৰ্মবোৰ কৰিব। ৪ কিন্তু যেতিয়া সেই
সময় আহিব, তেতিয়া মই কোৱা কথাবোৰ তোমালোকে
যেন সোঁৱৰিবা, এই কাৰণে মই এইবোৰ কথা এতিয়া
তোমালোকক ক’লোঁ। মই তোমালোকৰ লগত থকাৰ
কাৰণে, এইবোৰ কথা আৰম্ভণিৰে পৰা কোৱা নাছিলোঁ।
৫ কিন্তু যি জনে মোক পঠিয়াইছে, এতিয়া মই তেওঁৰ
ওচৰলৈ ঘূৰি যাওঁ; তথাপি তোমালোকৰ কোনেও মোক
এইদৰে সুধিব নিবিচৰা, ‘তুমি নো কলৈ গৈ আছা’? ৬
কিন্তু মই তোমালোকক এইবোৰ কথা কোৱা কাৰণে,
তোমালোকৰ হৃদয় বেজাৰৰে ভৰি পৰিছে। ৭ তথাপি, মই
তোমালোকক সঁচাকৈ কৈছোঁ; মই যোৱাই তোমালোকৰ
পক্ষে ভাল, কিয়নো মই নগ’লে, তোমালোকৰ ওচৰলৈ
সেই সহায়কৰ্তা নাহিব; কিন্তু মই গ’লে তোমালোকৰ
ওচৰলৈ তেওঁক পঠিয়াই দিম। ৮ তেওঁ যেতিয়া আহিব,
তেওঁ পাপৰ বিষয়ে, ধাৰ্মিকতাৰ বিষয়ে আৰু সোধ-বিচাৰৰ
বিষয়ে, জগতক দোষৰ প্ৰমাণ দিব। ৯ তেওঁ পাপৰ
সম্পৰ্কত চেতনা দিব, কিয়নো তেওঁলোকে মোক বিশ্বাস
নকৰে; ১০ ধাৰ্মিকতাৰ বিষয়ে বুজাব, কিয়নো মই এতিয়া
পিতৃৰ ওচৰলৈ যাওঁ, তোমালোকে মোক এতিয়া দেখিবলৈ
নাপাবা; ১১ আৰু সোধ-বিচাৰৰ বিষয়ে চেতনা দিব,
কিয়নো এই জগতৰ অধিকাৰীৰ সোধ-বিচাৰ কৰা হ’ল।
১২ তোমালোকক ক’বলৈ মোৰ অনেক কথা আছে, কিন্তু
সেই কথা এতিয়া গ্ৰহণ কৰিবলৈ অতিৰিক্ত হব। ১৩ কিন্তু
সেই সত্যৰ আত্মা যেতিয়া আহিব, তেতিয়া তেওঁ আটাই
সত্যলৈ তোমালোকক পথ দেখুৱাই নিব; কিয়নো তেওঁ
নিজৰ পৰা একো কথা নক’ব; কিন্তু যি কথা শুনিব, সেই
বিষয়েহে ক’ব আৰু তোমালোকক ভৱিষ্যতৰ কথা জনাব।
১৪ তেওঁ মোক মহিমান্বিত কৰিব; কিয়নো মোৰ যি আছে,
তেওঁ তাৰ পৰা লৈ, তোমালোকক জনাব। ১৫ পিতৃৰ যি যি
আছে, সেই সকলো মোৰ; এই হেতুকে মই ক’লোঁ, সত্যৰ
আত্মাই মোৰ পৰা সকলো গ্ৰহণ কৰি তোমালোকৰ আগত
ঘোষণা কৰিব। ১৬ কিছু সময়ৰ পাছত তোমালোকে মোক
দেখিবলৈ নোপোৱা; কিন্তু আকৌ অলপ সময়ৰ পাছত,
মোক দেখিবলৈ পাবা।” ১৭ তেতিয়া তেওঁৰ শিষ্য সকলৰ
মাজৰ কোনো কোনোৱে পৰস্পৰৰ মাজত আলোচনা কৰি
ক’লে, “তেওঁ আমাক কি কবলৈ বিচাৰিছে, কিছু সময়ৰ
পাছত মোক দেখিবলৈ নোপোৱা; কিন্তু আকৌ অলপ
সময়ৰ পাছত মোক দেখিবলৈ পাবা; ‘কাৰণ মই পিতৃৰ
ওচৰলৈ যাওঁ’? তেওঁ এই কথা কিয় কলে আমি বুজি
পোৱা নাই৷” ১৮ এতেকে তেওঁলোকে ক’লে, “তেওঁনো
এইটো কি কৈছে, ‘অলপ সময়’? তেওঁ কি কথা কৈ আছে
আমি নাজানো।” ১৯ যীচুৱে দেখিলে যে তেওঁলোকে
তেওঁক সুধিবৰ বাবে আগ্ৰহী, সেয়েহে মনৰ ভাব বুজি পাই
তেওঁলোকক ক’লে, “মই যে তোমালোকক কলোঁ, ‘কিছু
সময়ৰ পাছত তোমালোকে মোক দেখিবলৈ নোপোৱা, কিন্তু
আকৌ অলপ সময়ৰ পাছত মোক দেখিবলৈ পাবা’, এই
কথাৰ ওপৰতে তোমালোকে আলোচনা কৰি আছা নে?”
২০ মই তোমালোকক সঁচাকৈ কওঁ, তোমালোকে ক্ৰন্দন
আৰু বিলাপ কৰিবা, কিন্তু জগতে আনন্দ কৰিব; তেতিয়া
তোমালোকে শোক কৰিবা; কিন্তু পাছত তোমালোকৰ
সেই শোক আনন্দ হৈ যাব। ২১ প্ৰসৱৰ সময়ত উপস্থিত
হোৱাত মহিলাই প্ৰসৱৰ বেদনাত দুখ পায়; কিন্তু সন্তান
ওপজিলেই, জগতলৈ এটি শিশু জন্ম হোৱাৰ আনন্দত,
বেছি সময়লৈ সেই বেদনা তেওঁৰ মনত নাথাকে। ২২ ঠিক
সেইদৰে তোমালোকেও এতিয়া দুখত আছা; কিন্তু মই
আকৌ তোমালোকক দেখা দিম; তেতিয়া তোমালোকৰ
হৃদয় আনন্দিত হ’ব আৰু তোমালোকৰ সেই আনন্দ
কোনেও তোমালোকৰ পৰা কাঢ়ি নিব নোৱাৰিব। ২৩
সেইদিনা মোক একো প্ৰশ্ন নুসুধিবা৷ মই তোমালোকক
সঁচাকৈ কওঁ, তোমালোকে মোৰ নামেৰে পিতৃৰ আগত
যদি কিবা খোজা, তেনেহলে তেওঁ তোমালোকক দিব। ২৪
এতিয়ালৈকে মোৰ নামেৰে তোমালোকে একো খোজা
নাই; খোজা, তেতিয়াহে পাবা, তেতিয়া তোমালোকৰ
আনন্দ পৰিপূৰ্ণ হব। ২৫ এইবোৰ কথা উপমাৰে মই
তোমালোকক ক’লো, যি সময়ত মই তোমালোকক উপমা
দিব নোৱাৰিম, প্ৰকাশকৈ পিতৃৰ কথা জনাম, এনে সময়
আহিছে। ২৬ সেইদিনা যি খোজা, মোৰ নামেৰে খুজিবা;
আৰু মই তোমালোকক কোৱা নাই যে, মই তোমালোকৰ
হৈ পিতৃ ওচৰত প্ৰাৰ্থনা কৰিম; ২৭ কিয়নো পিতৃয়ে নিজেই
তোমালোকক প্ৰেম কৰে; কাৰণ তোমালোকে মোক
প্ৰেম কৰিলা আৰু মই যে পিতৃৰ পৰা আহিছোঁ, ইয়াকো
বিশ্বাস কৰিলা। ২৮ মই পিতৃৰ ওচৰৰ পৰা জগতলৈ
আহিলোঁ; আকৌ জগতক এৰি এতিয়া মই পিতৃৰ ওচৰলৈ
যাওঁ।” ২৯ তেতিয়া তেওঁৰ শিষ্য সকলে ক’লে, “চাওক,
আপুনি এতিয়া স্পষ্টকৈ কব ধৰিছে; আপুনি কোনো কথা
অস্পষ্টকৈ কৈ থকা নাই। ৩০ এতিয়া আমি বুজি পালোঁ
যে আপুনি সকলো জানে, কোনো ব্যক্তিয়ে আপোনাক
সুধাৰ আগতেই আপুনি তাৰ উত্তৰ দিব পাৰে, আপুনি যে

ঈশ্বৰৰ পৰা আহিছে, ইয়াকে আমি বিশ্বাস কৰিছোঁ। ৩১
যীচুৱে তেওঁলোকক ক'লে, "এতিয়া বিশ্বাস কৰিছা নে?"
৩২ চোৱা, এনে সময় আহিছে, আৰু প্ৰকৃতে এনে সময়
আহিব, যেতিয়া তোমালোকে নিজ নিজ সা-সম্পত্তিত গোট
গোট হৈ থাকিবা আৰু মোক অকলশৰীয়াকৈ এৰি যাবা,
তথাপি মই অকলশৰীয়া নহওঁ, কিয়নো পিতৃ মোৰ লগত
আছে। ৩৩ এই কাৰণে মই তোমালোকক এইবোৰ কথা
ক'লোঁ, যাতে তোমালোকে মোৰ শান্তি পোৱা৷ জগতত
তোমালোকে কষ্ট পাবা; কিন্তু নিৰ্ভয় হোৱা; মই জগতৰ
ওপৰত জয় কৰিলোঁ।"

**১৭** যীচুৱে এইবোৰ কথা কোৱাৰ পাছত, স্বৰ্গলৈ চকু
তুলি ক'লে, "হে পিতৃ, এতিয়া সময় হৈছে; তোমাৰ
পুত্ৰক মহিমান্বিত কৰা, যাতে তোমাৰ পুত্ৰয়ো তোমাক
মহিমান্বিত কৰিব পাৰে; ২ যি দৰে সকলোকে অনন্ত
জীৱন দিবলৈ তুমি সকলো মানুহৰ ওপৰত তোমাৰ পুত্ৰক
অধিকাৰ কৰিবলৈ দিলা। **(aiōnios g166)** ৩ এইটোৱে অনন্ত
জীৱন; একমাত্ৰ সত্য ঈশ্বৰ যি তুমি, তোমাক আৰু তুমি
পঠোৱা যীচু খ্ৰীষ্টক তেওঁলোকে যেন জানে। **(aiōnios g166)**
৪ তুমি মোক যি কৰ্ম কৰিবলৈ দিছিলা, সেয়া মই সিদ্ধ কৰি
পৃথিৱীত তোমাক মহিমান্বিত কৰিলোঁ ৫ এতিয়া, হে পিতৃ,
তোমাৰ সান্নিধ্যৰে মোক মহিমান্বিত কৰা৷ জগত সৃষ্টিৰ
পূৰ্বে তোমাৰ সৈতে মোৰ যি মহিমা আছিল, সেই মহিমাৰে,
এতিয়া মোক মহিমান্বিত কৰা। ৬ তুমি এই জগতৰ মাজৰ
পৰা যি সকল মানুহক মোক দিলা, সেই সকলৰ আগত
মই তোমাৰ নাম প্ৰকাশ কৰিলোঁ; তেওঁলোক তোমাৰেই
আছিল, তুমি তেওঁলোকক মোক দিলা; আৰু তেওঁলোকে
তোমাৰ বাক্য ধৰি ৰাখিছে। ৭ এতিয়া তেওঁলোকে জানিছে,
তুমি মোক যি যি দিছিলা, সেই সকলোৱেই যে, তোমাৰ
কাষৰ পৰাই হৈছে৷ ৮ কিয়নো তুমি যি বাক্য মোক দিলা,
সেই বাক্য মই তেওঁলোকক দিলোঁ আৰু তেওঁলোকে সেই
সকলোকে গ্ৰহণো কৰিলে, মই যে তোমাৰ পৰা আহিলোঁ,
ইয়াকো তেওঁলোকে সঁচাকৈ জানিলে আৰু তুমি যে মোক
পঠালা সেয়াও বিশ্বাস কৰিলে। ৯ মই তেওঁলোকৰ কাৰণে
প্ৰাৰ্থনা কৰিছোঁ। মই গোটেই জগতৰ কাৰণে প্ৰাৰ্থনা কৰা
নাই, কিন্তু যি সকলক মোক দিলা, তেওঁলোকৰ কাৰণেহে
কৰিছোঁ; কিয়নো তেওঁলোক তোমাৰ৷ ১০ মোৰ সকলো
বস্তু তোমাৰ আৰু যি যি তোমাৰ, সেই সকলোৱেই মোৰ;
মই তোমাৰ যোগেদিয়েই সেইবোৰত মহিমান্বিত হৈছোঁ।
১১ মই এই জগতত বেছি দিন নাথাকো; কিন্তু এই লোক
সকল হ'লে জগতত থাকিব, মই তোমাৰ ওচৰলৈ যাওঁ।
হে পবিত্ৰ পিতৃ, আমি যেনেকৈ এক হৈ আছোঁ, তোমাৰ
নামেৰে মোক দিয়া লোক সকলো যেন তেনেকৈ এক হব
পাৰে৷ ১২ মই তেওঁলোকৰ লগত থকা সময়ত, তুমি যি
নাম মোক দিছা, তোমাৰ সেই নামত মই তেওঁলোকক
ৰক্ষা কৰিলোঁ; আৰু মই তেওঁলোকক পহৰা দিলোঁ; তাতে
তেওঁলোকৰ এজনো বিনষ্ট নহ'ল, কেৱল বিনাশৰ পুত্ৰহে
শাস্ত্ৰীয় বচন সিদ্ধ কৰিবলৈ বিনষ্ট হ'ল। ১৩ কিন্তু এতিয়া মই
তোমাৰ ওচৰলৈ আহিছোঁ; এই কাৰণে জগতত থাকোতেই
এইবোৰ কথা কৈছোঁ। মোৰ আনন্দ যেন তেওঁলোকে
সম্পূৰ্ণৰূপে পায়৷ ১৪ মই তোমাৰ বাক্য তেওঁলোকক দিলোঁ;
কিন্তু জগতে তেওঁলোকক ঘৃণা কৰে, কাৰণ তেওঁলোক
জগতৰ নহয়; মই যেনেকৈ জগতৰ নহওঁ৷ ১৫ তেওঁলোকক
এই জগতৰ পৰা নিবলৈ মই তোমাক প্ৰাৰ্থনা নকৰোঁ,
কিন্তু তুমি তেওঁলোকক চয়তানৰ পৰা ৰক্ষা কৰা। ১৬
তেওঁলোক জগতৰ নহয়, মই যেনেকৈ জগতৰ নহওঁ। ১৭
তোমাৰ বাক্যই সত্য; সত্যতাৰে তোমাৰ সেৱা কৰিবলৈ
তেওঁলোকক পবিত্ৰ কৰা। ১৮ তুমি যেনেকৈ মোক জগতলৈ
পঠালা, ময়ো তেনেকৈ তেওঁলোকক জগতলৈ পঠালোঁ।
১৯ তেওঁলোকৰ কাৰণে মই নিজকে পবিত্ৰ কৰিছোঁ, যাতে
তেওঁলোকো সত্য ৰূপে পবিত্ৰ হব পাৰে৷ ২০ মই কেৱল
এওঁলোকৰ কাৰণে প্ৰাৰ্থনা নকৰোঁ, কিন্তু এওঁলোকৰ
বাক্যৰ দ্বাৰাই মোক বিশ্বাস কৰা সকলোৰে কাৰণে প্ৰাৰ্থনা
কৰোঁ, ২১ গতিকে তেওঁলোক যেন সকলোৱে এক হয়;
হে পিতৃ, তুমি যেনেকৈ মোৰ লগত আছা, তেনেকৈ ময়ো
তোমাৰ লগত আছোঁ, তেনেকৈ তেওঁলোকেও যেন আমাৰ
লগত থাকে, তাতে জগতে যেন বিশ্বাস কৰে তুমি যে
মোক পঠিয়ালা৷ ২২ আৰু তুমি মোক যি মহিমা দিলা, সেই
মহিমা ময়ো তেওঁলোকক দিলোঁ, সেই কাৰণে তেওঁলোক
এক; আমি সকলোৱেই যেন এক হব পাৰোঁ, ২৩ তাৰ
বাবে মই তেওঁলোকত আৰু তুমি মোৰ লগত থাকিবা,
এইদৰে তেওঁলোক যেন সম্পূৰ্ণকৈ এক হয়, জগতে যাতে
জানে তুমি মোক পঠিয়াইছা, আৰু তুমি যেনেকৈ মোক
প্ৰেম কৰিলা, তেনেকৈ তেওঁলোককো প্ৰেম কৰা৷ ২৪ হে
পিতৃ, মই বিচাৰো, তুমি মোক যি দিছা, যি ঠাইত মই
আছোঁ, তেওঁলোকো যেন মোৰ লগত সেই ঠাইত থাকে,
তুমি যি মহিমা মোক দিছা সেই মহিমা যেন তেওঁলোকে
দেখিবলৈ পায়; কাৰণ জগত স্থাপন কৰাৰ পূৰ্বেই তুমি
মোক প্ৰেম কৰিলা৷ ২৫ হে ন্যায়ৱান পিতৃ, জগতে তোমাক
নাজানিলে, কিন্তু মই তোমাক জানিলোঁ; আৰু তুমি যে
মোক পঠালা, সেয়া তেওঁলোকেও জানিলে। ২৬ তুমি কোন
হয়, সেই বিষয়ে মই তেওঁলোকৰ ওচৰত প্ৰকাশ কৰিছোঁ,
আৰু ইয়াৰ পাছতো মই ইয়াকে কৰি থাকিম, তেতিয়া
তুমি মোক যেনে প্ৰেম কৰা, তেওঁলোকেও একেদৰে আন
লোকক প্ৰেম কৰিব আৰু মই তেওঁলোকৰ লগত থাকিম।

**১৮** যীচুৱে এইবোৰ কথা কৈ, কিদ্ৰোণ উপত্যকাৰ
সিপাৰে য'ত এখন বাগিছা আছিল, সেই ঠাইলৈ

তেওঁ শিষ্য সকলৰ সৈতে তালৈ ওলাই গ'ল; আৰু সেই বাগিচাত তেওঁ আৰু তেওঁৰ শিষ্য সকল সোমাল। ২ শত্ৰুৰ হাতত শোধাই দিয়া যিহূদায় সেই ঠাই চিনি পাইছিল; কিয়নো যীচুৱে তেওঁৰ শিষ্য সকলক লগত লৈ বহুত বাৰ সেই ঠাইলৈ গৈছিল। ৩ তেতিয়া যিহূদায় প্ৰধান পুৰোহিত, ফৰীচী সকলৰ বিষয়া আৰু সৈন্যৰ দল এটাৰ সৈতে জোঁৰ, আৰিয়া আৰু অস্ত্ৰ-শস্ত্ৰ লৈ, সেই ঠাইত উপস্থিত হ'ল। ৪ তেতিয়া যীচুৱে, তেওঁৰ প্ৰতি কি ঘটিবলৈ গৈ আছে সেই বিষয়ে আগেয়ে জনাৰ বাবে, তেওঁলোকৰ আগলৈ ওলাই গৈ তেওঁ সুধিলে, "তোমালোকে কোন জনক বিচাৰিছা?" ৫ তেওঁলোকে উত্তৰ দিলে, "নাচৰতীয়া যীচুক।" যীচুৱে তেওঁলোকক ক'লে, "ময়েই সেই জন।" তেওঁক শত্ৰুৰ হাতত শোধাই দিয়া যিহূদাও তেওঁলোকৰ সৈতে থিয় হৈ আছিল। ৬ যেতিয়া তেওঁ তেওঁলোকক ক'লে, "ময়েই সেই জন", তেতিয়া তেওঁলোক পাছ হুঁহকি আহিল আৰু মাটিত পৰি গ'ল। ৭ তেতিয়া তেওঁ তেওঁলোকক আকৌ সুধিলে, "তোমালোকে কোন জনক বিচাৰিছা?" তেওঁলোকে ক'লে, "নাচৰতীয়া যীচুক।" ৮ যীচুৱে উত্তৰ দিলে, "মই তোমালোকক কৈছোঁ, ময়েই সেই জন; এতেকে যদি মোক বিচাৰিছা, তেনেহলে এওঁলোকক যাবলৈ দিয়া।" ৯ তেওঁ আগেয়ে কোৱা কথা সম্পূৰ্ণ হবলৈ এইবোৰ ঘটিল। তেওঁ কৈছিল, "মোক যি সকলক দিলা, তেওঁলোকৰ এজনকো মই হেৰুওৱা নাই।" ১০ তেতিয়া চিমোন পিতৰৰ, এখন তৰোৱাল আছিল, তেওঁ সেই তৰোৱাল ফাঁকৰ পৰা উলিয়াই, মহা-পুৰোহিতৰ দাসক ঘাপ মাৰি, তাৰ সোঁ কাণ খন কাটি পেলালে। সেই দাসৰ নাম আছিল 'মল্ক'। ১১ তেতিয়া যীচুৱে পিতৰক ক'লে, "তৰোৱাল ফাকত সুমুৱাই থোৱা; পিতৃয়ে মোক যি দুখৰ পান-পাত্ৰ দিলে, মই তাতে পান নকৰিম নে?" ১২ তেতিয়া সৈন্য দল আৰু তেওঁলোকৰ সেনাপতি আৰু ইহুদী সকলৰ ৰখীয়াবোৰে যীচুক ধৰি বান্ধি, ১৩ প্ৰথমতে হাননৰ ওচৰলৈ লৈ গ'ল; কিয়নো তেওঁ সেই বছৰত মহা-পুৰোহিত হোৱা কায়াফাৰ শহুৰেক আছিল। ১৪ এই কায়াফাই ইহুদী সকলক পৰামৰ্শ দিছিল যে, 'লোক সকলৰ কাৰণে এজন মানুহ মৰা ভাল'। ১৫ তেতিয়া চিমোন পিতৰ আৰু আন এজন শিষ্য যীচুৰ পাছে পাছে গ'ল। সেই শিষ্যৰ মহা-পুৰোহিতৰ সৈতে চিনাকি থকা বাবে যীচুৰে সৈতে মহা-পুৰোহিতৰ চোতাললৈ সোমাই গ'ল। ১৬ কিন্তু পিতৰ দুৱাৰৰ বাহিৰত থিয় হৈ থাকিল। এই হেতুকে মহা-পুৰোহিতৰ চিনাকি সেই আন শিষ্যই আকৌ বাহিৰলৈ আহি, দুৱৰী মহিলা গৰাকীক কৈ, পিতৰক ভিতৰলৈ আনিলে। ১৭ তাতে সেই দুৱৰী মহিলা গৰাকীয়ে পিতৰক ক'লে, "তুমিও এই মানুহ জনৰ শিষ্য সকলৰ মাজৰ এজন নহয় নে?" তেওঁ ক'লে, "মই নহয়।" ১৮ সেই ঠাইতে দাস আৰু ৰক্ষকবোৰে ঠাণ্ডাৰ কাৰণে জুই জ্বলাইছিল আৰু থিয় হৈ জুই পুৱাই আছিল; পিতৰেও সিহঁতৰ লগত থিয় হৈ জুই পুৱাই আছিল। ১৯ তেতিয়া মহা-পুৰোহিতে যীচুক, তেওঁৰ শিষ্য সকলৰ বিষয়ে আৰু শিক্ষাৰ বিষয়ে সুধিলে। ২০ যীচুৱে তেওঁক উত্তৰ দি ক'লে, "মই জগতৰ আগত মুকলিকৈ ক'লোঁ; মই নাম-ঘৰত আৰু মন্দিৰত, ইহুদী সকলৰ গোট খোৱা ঠাইত সদায় শিক্ষা দিলোঁ আৰু কেতিয়াও গুপুতে একো কোৱা নাই। ২১ আপোনালোকে মোক কিয় সুধি আছে? তেওঁলোকক সোধক যি সকলে মোৰ কথা শুনিলে; তেওঁলোকক মই কি ক'লো, সেই বিষয়ে তেওঁলোকে জানে।" ২২ যীচুৱে এইবোৰ কথা কোৱাত, ওচৰত থিয় হৈ থকা টেকেলাবোৰৰ মাজৰ এজনে যীচুক চৰ মাৰিলে আৰু ক'লে, "এনে ধৰণৰ উত্তৰ মহা-পুৰোহিতক কিয় দিছা?" ২৩ যীচুৱে তেওঁক উত্তৰ দিলে, "যদি মই কিবা অন্যায় কথা কৈছোঁ, তেতিয়াহলে অন্যায় কথাৰ প্ৰমাণ দিয়া; কিন্তু যদি মই সঠিক কথা কৈছোঁ, তেনেহলে মোক কিয় মাৰিছা?" ২৪ তাৰ পাছত হাননে যীচুক, মহা-পুৰোহিত কায়াফাৰ ওচৰলৈ পঠাই দিলে, যীচুক তেতিয়া বান্ধি থোৱা আছিল। ২৫ তাতে চিমোন পিতৰে থিয় হৈ জুই পুৱাই আছিল। তাত থকা মানুহবোৰে তেওঁক সুধিলে, "তুমিও তেওঁৰ শিষ্য সকলৰ মাজৰ এজন নহয় নে?" তেওঁ অস্বীকাৰ কৰি ক'লে, "মই নহয়।" ২৬ মহা-পুৰোহিতৰ এজন দাসে, যি জনৰ কাণ পিতৰে কাটি পেলাইছিল, তেওঁৰ সমন্ধীয় এজনে ক'লে, "মই তোমাক তেওঁৰ লগত বাগিছাত দেখা নাছিলো নে?" ২৭ তেতিয়া পিতৰে আকৌ অস্বীকাৰ কৰিলে; আৰু সেই সময়তে তৎক্ষণাত কুকুৰাই ডাক দিলে। ২৮ ইয়াৰ পাছত তেওঁলোকে যীচুক কায়াফাৰ ঘৰৰ পৰা প্ৰিটৰিয়মলৈ লৈ গ'ল; তেতিয়া সময় ৰাতিপুৱা আছিল; তেওঁলোকে নিজেই প্ৰিটৰিয়ামৰ ভিতৰত সোমাবলৈ মন নকৰিলে, জানোছা তেওঁলোক অশুচি হৈ পৰে, কিয়নো তেওঁলোকে নিস্তাৰ-পৰ্বৰ ভোজ খাবলৈ আশা কৰি আছিল৷ ২৯ এতেকে পীলাতে বাহিৰলৈ গৈ তেওঁলোকক সুধিলে, "তোমালোকে এই মানুহ জনৰ বিপক্ষে কি গোচৰ আনিছা?" ৩০ তেওঁলোকে উত্তৰ দি পীলাতক ক'লে, "এই লোক জন দুষ্কৰ্মী নোহোৱা হ'লে, আপোনাৰ হাতত এওঁক শোধাই নিদিলোহেঁতেন।" ৩১ তেতিয়া পীলাতে তেওঁলোকক ক'লে, "এওঁক লৈ যোৱা তোমালোকৰ বিধানৰ মতে তেওঁৰ সোধ-বিচাৰ কৰা।" ইহুদী সকলে তেওঁক ক'লে, "কাকো প্ৰাণদণ্ড দিবলৈ বিধান অনুসৰি আমাৰ ক্ষমতা নাই।" ৩২ কিদৰে তেওঁৰ মৃত্যু হব এই বিষয়ে যীচুৱে যি কথা ইঙ্গিত দিছিল, সেই ধৰণৰে মৰিবলৈ এই ইঙ্গিত

সিদ্ধ হ'বলৈ এনে হ'ল। ৩৩ এতেকে পীলাতে আকৌ
প্ৰিটৰিয়মৰ ভিতৰলৈ সোমাই গৈ, যীচুক সুধিলে "তুমি
ইহুদী সকলৰ ৰজা নে?" ৩৪ যীচুৱে উত্তৰ দিলে, "তুমি
নিজেই এই কথা সুধিছা নে নাইবা অন্য লোকে মোৰ
বিষয়ে তোমাক এই কথা সুধিবলৈ ক'লে?" ৩৫ পীলাতে
উত্তৰ দিলে, "মই জানো ইহুদী মানুহ? তোমাৰ নিজৰ
জাতিৰ লোক আৰু প্ৰধান পুৰোহিত সকলে মোৰ হাতত
তোমাক শোধাই দিলে; তুমি কি কৰ্ম কৰিলা?" ৩৬ যীচুৱে
উত্তৰ দিলে, "মোৰ ৰাজ্য এই জগতৰ নহয়; মোৰ ৰাজ্য
এই জগতৰ হোৱা হ'লে ইহুদী সকলৰ হাতত যাতে মোক
শোধাই দিব নোৱাৰে তাৰ কাৰণে মোৰ সেৱক সকলে
মোক ৰক্ষা কৰিবলৈ প্ৰাণপণে যুদ্ধ কৰিলেহেঁতেন; কিন্তু
এতিয়া মোৰ ৰাজ্য ইয়াত নহয়।" ৩৭ তেতিয়া পীলাতে
তেওঁক ক'লে, "তেনেহলে তুমি ৰজা নে?" যীচুৱে উত্তৰ
দিলে, "মই যে ৰজা হওঁ, ইয়াক তুমিয়েই কৈছা। সত্যতাৰ
পক্ষে সাক্ষ্য দিবলৈ মই জন্ম ধৰি এই জগতলৈ আহিলোঁ।
যি কোনোৱে এই সত্যৰ পক্ষত আছে, তেওঁলোকে মোৰ
কথা শুনে।" ৩৮ পীলাতে তেওঁক ক'লে, "সত্য নো কি?"
এই কথা সুধি তেওঁ পুনৰ বাহিৰত থকা ইহুদী সকলৰ
ওচৰলৈ গৈ তেওঁলোকক ক'লে, "মই এই মানুহ জনৰ
একো দোষ দেখা পোৱা নাই। ৩৯ তোমালোকৰ এটা
নিয়ম আছে, সেই নিয়ম অনুসাৰে নিস্তাৰ-পৰ্বৰ সময়ত
মই তোমালোকলৈ এজনক এৰি দিব লাগে, তোমালোকৰ
যদি ইচ্ছা হয়, তেনেহলে মই তোমালোকলৈ ইহুদী সকলৰ
ৰজাক এৰি দিম নে?" ৪০ তেতিয়া তেওঁলোকে আকৌ
আটাহ পাৰি ক'লে, "এই মানুহ জনক নহয় কিন্তু বাৰাব্বাক
এৰি দিয়ক।" সেই 'বাৰাব্বা' এজন ডকাইত আছিল।

**১৯** তেতিয়া পীলাতে যীচুক চাবুকেৰে কোবাবলৈ
আদেশ দিলে। ২ তাৰ পাছত সৈন্য সকলে কাঁইটেৰে
কিৰীটি সাজি যীচুৰ মূৰত দি, বেঙেনা কাপোৰ পিন্ধালে;
৩ ইয়াৰ পাছত তেওঁৰ ওচৰলৈ আহি কবলৈ ধৰিলে,
"অভিনন্দন, হে ইহুদী সকলৰ ৰজা, জয় হওক!" এইদৰে
কৈ তেওঁক চৰ মাৰিবলৈ ধৰিলে। ৪ পীলাতে আকৌ
বাহিৰলৈ গৈ মানুহবোৰক ক'লে, "চোৱা, মই এওঁত একো
দোষ নাপালোঁ আৰু সেয়েহে তোমালোকে জানিবৰ কাৰণে,
এওঁক তোমালোকৰ সন্মুখলৈ উলিয়াই আনিছো।" ৫
এনেতে যীচুক কাঁইটৰ কিৰীটি আৰু উজ্বল বৰণীয়া কাপোৰ
পিন্ধাই বাহিৰলৈ উলিয়াই আনিলে। পীলাতে তেওঁলোকক
ক'লে "চোৱা, এই জনেই সেই মানুহ!" ৬ তেতিয়া প্ৰধান
পুৰোহিত আৰু তেওঁলোকৰ বিষয়া সকলে যীচুক দেখি,
আটাহ পাৰি ক'লে, "ক্ৰুচত দিয়ক, ক্ৰুচত দিয়ক"। পীলাতে
তেওঁলোকক ক'লে, "তোমালোকে নিজে এওঁক নি ক্ৰুচত
দিয়াগৈ; কিয়নো মই এওঁত একো দোষ নাপালোঁ।" ৭
ইহুদী সকলে পীলাতক উত্তৰ দিলে, "আমাৰ এক বিধান
আছে, সেই বিধানৰ মতে তাৰ প্ৰাণদণ্ড হোৱা উচিত;
কিয়নো সি নিজকে নিজে ঈশ্বৰৰ পুত্ৰ বুলি দাবী কৰে।"
৮ তেতিয়া পীলাতে এই কথা শুনি বৰ ভয় পালে, ৯
তেওঁ প্ৰিটৰিয়মৰ ভিতৰলৈ সোমাই যীচুক আকৌ সুধিলে,
"তুমি ক'ৰ পৰা আহিছা?" কিন্তু যীচুৱে তেওঁক একো
উত্তৰ নিদিলে। ১০ তেতিয়া পীলাতে তেওঁক ক'লে, "তুমি
মোক একো কথা নোকোৱা নে? তোমাক যে এৰি দিবলৈ
মোৰ ক্ষমতা আছে আৰু তোমাক ক্ৰুচত দিবলৈকো মোৰ
ক্ষমতা আছে, ইয়াক তুমি নাজানা নেকি?" ১১ যীচুৱে
তেওঁক উত্তৰ দিলে, "ওপৰৰ পৰা ক্ষমতা নিদিয়া হ'লে,
মোৰ বিৰুদ্ধে তোমাৰ একো ক্ষমতা নহ'লহেঁতেন; এই
কাৰণে, যি জনে তোমাৰ হাতত মোক শোধাই দিলে;
তেওঁৰেই পাপ গুৰুতৰ।" ১২ এই উত্তৰ শুনি পীলাতে
তেওঁক এৰি দিবলৈ উপায় বিচাৰিলে; কিন্তু ইহুদী সকলে
আটাহ পাৰি ক'লে, "যদি এওঁক এৰি দিয়ে, তেনেহলে
আপুনি চীজাৰৰ বন্ধু নহয়; যি কোনোৱে নিজকে নিজে
ৰজা পাতে, তেওঁ চীজাৰৰ বিৰুদ্ধে কথা কয়।" ১৩ এইবোৰ
কথা শুনি, পীলাতে যীচুক পুনৰ বাহিৰলৈ অনালে, আৰু
ইব্ৰী ভাষাৰে যাক গব্বথা বোলে, এনে শিলপতা নামেৰে
ঠাইত সোধ-বিচাৰ কৰিবলৈ বিচাৰৰ আসনত বহিল।
১৪ তেতিয়া নিস্তাৰ-পৰ্বৰ আয়োজনৰ দিনৰ প্ৰায় বাৰটা
বজাৰ সময় হৈছিল আৰু পীলাতে ইহুদী সকলক ক'লে,
"চোৱা, এয়া তোমালোকৰ ৰজা" ১৫ তেতিয়া তেওঁলোকে
আটাহ পাৰি ক'লে, "দূৰ কৰক, দূৰ কৰক, ক্ৰুচত দিয়ক"।
পীলাতে তেওঁলোকক ক'লে, তোমালোকৰ ৰজাক নো
ক্ৰুচত দিম নে? প্ৰধান পুৰোহিত সকলে উত্তৰ দিলে,
"চীজাৰৰ বাহিৰে আমাৰ আন ৰজা নাই।" ১৬ তেতিয়া
পীলাতে যীচুক ক্ৰুচত দিবলৈ, তেওঁলোকৰ হাতত শোধাই
দিলে। ১৭ তাৰ পাছত তেওঁলোকে যীচুক বাহিৰলৈ লৈ
আহিল আৰু নিজৰ কাৰণে ক্ৰুচৰ ভাৰ বৈ, ইব্ৰী ভাষাৰে
যাক গলগথা বোলে, এনে মূৰৰ লাউখোলা নামেৰে ঠাইলৈ
লৈ গ'ল। ১৮ সেই ঠাইতে তেওঁলোকে যীচুক ক্ৰুচত দিলে।
তেওঁৰ লগত আন দুজনক মানুহক দুইকাষে ৰাখি যীচুক
মাজত ক্ৰুচত দিলে। ১৯ পীলাতে এখন জাননী লিখি
ক্ৰুচত ওপৰত লগাই দিলে। তাত এই কথা লিখা আছিল,
"নাচৰতীয়া যীচু, ইহুদী সকলৰ ৰজা।" ২০ এই জাননী
ইব্ৰী, ৰোমীয়া আৰু গ্ৰীক ভাষাৰে লিখা আছিল; আৰু যীচুক
ক্ৰুচত দিয়া ঠাই নগৰৰ ওচৰ হোৱাত, ইহুদী সকলৰ
বহুলোকে সেই জাননী খন পঢ়িলে। ২১ এই কাৰণে ইহুদী
সকলৰ প্ৰধান পুৰোহিত সকলে পীলাতক ক'লে, "ইহুদী
সকলৰ ৰজা" এই কথা নিলিখিব; কিন্তু 'মই ইহুদী সকলৰ
ৰজা, এই বুলি এওঁ কৈছিল', ইয়াকে লিখক।" ২২ পীলাতে


উত্তৰ দিলে, "মই যি লিখিলোঁ, লিখিলোঁৱেই"। ২৩ পাছত
সৈন্য সকলে যীচুক ক্রুচত দিলে, তেওঁৰ পিন্ধা কাপোৰ
চাৰি ভাগ কৰি, গাইপতি এভাগ এভাগ ল'লে; আৰু তেওঁৰ
চোলাও ল'লে। সেই চোলা সিয়নি নোহোৱাকৈ ওপৰৰে
পৰা গোটেইটো বোৱা আছিল। ২৪ এই কাৰণে তেওঁলোকে
পৰস্পৰে ক'লে, "এইটো চোলা আমি ফালি নেপেলাও,
কিন্তু এইটো পাবৰ বাবে চিঠি খেলোৱা হওক৷" শাস্ত্রীয়
বচন সিদ্ধ হবলৈ এনে হ'ল৷ "তেওঁলোকে নিজৰ মাজত
মোৰ পিন্ধা কাপোৰ ভাগ-বাঁটি ল'লো. ইয়াক নাফালি
কোনে পাব চিঠি খেলালো৷" ২৫ এতেকে সৈন্য সকলে
এইবোৰ কৰ্ম কৰিলে। যীচুৰ ক্রুচৰ ওচৰতে তেওঁৰ মাক,
মাকৰ ভনীয়েক, ক্লোপাৰ তিৰোতা মৰিয়ম, আৰু মগ্দলীনী
মৰিয়ম থিয় হৈ আছিল। ২৬ যেতিয়া যীচুৱে তেওঁৰ মাক
আৰু যি শিষ্যক তেওঁ প্ৰেম কৰিছিল, সেই শিষ্য ওচৰত থিয়
হৈ থকা দেখিলে, তেতিয়া তেওঁ মাকক ক'লে, "হে নাৰী,
চোৱা, তোমাৰ পুত্ৰ"! ২৭ তেতিয়া তেওঁ সেই শিষ্যকো
ক'লে, "চোৱা, সৌৱা তোমাৰ মাতৃ"! সেই সময়ৰে পৰা
সেই জন শিষ্যই তেওঁক নিজৰ ঘৰলৈ লৈ গ'ল। ২৮ ইয়াৰ
পাছত যীচুৱে বুজিলে যে সকলো কৰ্ম এতিয়া শেষ হ'ল;
সেয়েহে শাস্ত্রীয় বচন সিদ্ধ হ'বৰ কাৰণে ক'লে, "মোৰ
পিয়াহ লাগিছে"। ২৯ সেই ঠাইত চিৰকাৰে পূৰ হোৱা এটা
পাত্ৰ আছিল; তাতে তেওঁলোকে চিৰকাৰে পূৰ হোৱা স্পঞ্জ
এডোখৰ এচোব এডালত লগাই, তেওঁৰ মুখত দিলে। ৩০
তাতে যীচুৱে সেই চিৰকা পাই ক'লে, "সিদ্ধ হ'ল"; তাৰ
পাছত তেওঁ মূৰ দোৱাই আত্মা অৰ্পণ কৰিলে। ৩১ সেইদিন
আয়োজনদিন হোৱাত, বিশ্রামবাৰত দেহ ক্রুচৰ ওপৰত
নাথাকে, (সেই বিশ্রামবাৰ দিনটো এটা বিশেষ দিন বা
বৰ-দিন আছিল, কিয়নো সেইদিনা নিস্তাৰপৰ্বৰ দিনো
আছিল), এই কাৰণে তেওঁলোকৰ ভৰি ভাঙি, দেহ তললৈ
নমাবৰ বাবে ইহুদী সকলে পীলাতৰ ওচৰত গৈ সুধিলে।
৩২ তাতে সৈন্য সকলে আহি, যীচুৰ লগত ক্রুচত দিয়া,
প্ৰথম আৰু দ্বিতীয় জনৰো ভৰি ভাঙিলে। ৩৩ কিন্তু যেতিয়া
যীচুৰ ওচৰলৈ আহিল, তেতিয়া তেওঁৰ মৃত্যু হোৱা দেখি,
ভৰি নাভাঙিলে৷ ৩৪ তথাপি সৈন্য সকলৰ এজনে বৰছাৰে
খোঁচ মাৰি তেওঁৰ কোষ হানিলে; আৰু তেতিয়াই তাৰ পৰা
তেজ আৰু পানী ওলাই আহিল। ৩৫ এই ঘটনা যি জনে
দেখিলে সেই জনে আহি এই বিষয়ে সাক্ষ্য দিলে, তেওঁৰ
সাক্ষ্য সত্য; আৰু তেওঁ জানে যে তেওঁ সত্য কথা কৈছে,
এই কাৰণে তোমালোকেও যেন বিশ্বাস কৰা। ৩৬ কিয়নো
'তেওঁৰ এডাল হাড়ো ভঙা নহব', ধৰ্মশাস্ত্রৰ এই বচন
সিদ্ধ হ'বলৈহে, এই সকলো ঘটনা ঘটিল। ৩৭ ধৰ্মশাস্ত্রই
পুনৰ আন এঠাইত কৈছে, 'তেওঁলোকে যি জনক বিন্ধিলে,
সেই জনলৈকে দৃষ্টি কৰিব'। ৩৮ ইয়াৰ পাছত অৰিমাথিয়া
নগৰৰ যোচেফ নামেৰে যীচুৰ এজন শিষ্যই, যি জন ইহুদী
সকলৰ ভয়ত গোপনে আছিল, সেই জনে যীচুৰ দেহ নিবৰ
বাবে পীলাতৰ ওচৰত গৈ সুধিলে; তাতে পীলাতে অনুমতি
দিয়াত, তেওঁ গৈ যীচুৰ দেহটো নমাই লৈ গ'ল। ৩৯ তেওঁৰ
লগত নীকদীমো আহিছিল, এই জনে প্ৰথম বাৰ ৰাতি
যীচুক চাবলৈ তেওঁৰ ওচৰলৈ গৈছিল, তেৰোঁ আহি গন্ধৰস
মিহলি কৰা প্ৰায় চৌত্রিশ কিলোগ্রাম সুগন্ধি আনিলে।
৪০ এইদৰে তেওঁলোকে যীচুৰ দেহ লৈ, ইহুদী সকলৰ
মৈদামত থোৱা ৰীতি অনুসৰি সেই সুগন্ধি সানি শণ সূতাৰ
মিহি কাপোৰেৰে মেৰিয়াই তেওঁক মৈদামত থলো৷ ৪১
আৰু যি ঠাইত যীচুক ক্রুচত দিয়া হৈছিল, সেই ঠাইতে
এখন বাগিচা আছিল; সেই বাগিচাতে কেতিয়াও কোনো
লোকক নোথোৱা, এনে এটা নতুন মৈদামো আছিল। ৪২
কাৰণ সেইদিনা ইহুদী সকলৰ আয়োজনদিন হোৱাত,
সেই মৈদাম ওচৰত থকা কাৰণে, তেওঁলোকে তাতে যীচুক
শুৱাই থলে।

২০ সপ্তাহৰ প্ৰথম দিনা অতি ৰাতিপুৱা, আন্ধাৰ
থাকোতেই, মগ্দলীনী মৰিয়মে মৈদামৰ ওচৰত
গৈ, মৈদামৰ পৰা শিলচটা আতৰাই থোৱা দেখিলে। ২
তাতে তেওঁ দৌৰ মাৰি, চিমোন পিতৰ আৰু যীচুৰ প্ৰিয় সেই
আন শিষ্যৰ ওচৰলৈ গৈ, তেওঁলোকক ক'লে, কোনোবাই
প্ৰভুক মৈদামৰ পৰা নিলে; কিন্তু তেওঁক ক'ত থলে, সেই
বিষয়ে আমি নাজানো। ৩ তাতে পিতৰ আৰু সেই আন
শিষ্য সকল বাহিৰলৈ ওলাই আহি মৈদামৰ ওচৰলৈ গ'ল।
৪ তেওঁলোক দুয়ো একেলগে দৌৰি গ'ল, কিন্তু অন্য শিষ্য
জন পিতৰক পাছ পেলাই আগত দৌৰি গৈ প্ৰথমে মৈদামৰ
ওচৰ পালে; ৫ আৰু তেওঁলোকে চাপৰি চাই, পৰি থকা
শণ সূতাৰ মিহি কাপোৰ দেখিলে, কিন্তু মৈদামৰ ভিতৰলৈ
নোসোমাল। ৬ তাতে চিমোন পিতৰে তেওঁৰ পাছে পাছে
আহি মৈদামত সোমাল, আৰু দেখিলে যে, শণ সূতাৰ মিহি
কাপোৰ কেইখন সেই ঠাইতে পৰি আছে, ৭ কিন্তু যি
গামোচা তেওঁৰ মূৰত আছিল, সেই গামোচা সেইবোৰ
কাপোৰৰ লগত নাই, সুকীয়াকৈ এঠাইত মেৰিয়াই থোৱা
আছে। ৮ ইয়াৰ পাছত যি জন শিষ্য মৈদামলৈ প্ৰথমতে
গৈছিলে তেওঁ ভিতৰলৈ সোমাই সকলো দেখি বিশ্বাস
কৰিলে। ৯ কাৰণ ধৰ্মশাস্ত্রত এই কথা কোৱা হৈছে যে
'মৃত লোক সকলৰ মাজৰ পৰা তেওঁ পুনৰায় উঠিব', শাস্ত্রৰ
এই শিক্ষা তেওঁলোকে এতিয়ালৈকে বুজা নাছিল। ১০
তাতে সেই দুজন শিষ্য পুনৰ নিজৰ ঘৰলৈ গুচি গ'ল। ১১
কিন্তু মৰিয়মে মৈদামৰ বাহিৰত থিয় হৈ কান্দি আছিল;
আৰু কান্দি কান্দি মৈদামৰ ভিতৰলৈ মূৰ দোৱাই চকু
ফুৰালে, ১২ যীচুৰ দেহ শুৱাই থোৱা ঠাইৰ মূৰ-শিতানত
এজন আৰু ভৰি-পথানত এজন, এনেদৰে দুজন শুক্ল

বস্ত্ৰ পৰিধান কৰা স্বৰ্গৰ দূতক বহি থকা দেখিলে। ১৩
তেতিয়া তেওঁলোকে মৰিয়মক সুধিলে, "হে নাৰী, কিয়
কান্দিছা?" তেওঁ ক'লে, "কোনোবাই মোৰ প্ৰভুক নিলে;
কিন্তু তেওঁক ক'ত থলে নাজানো।" ১৪ এই কথা কৈ,
তেওঁ পাছফাললৈ মূখ ঘূৰাই, যীচুক থিয় হৈ থকা দেখিলে;
কিন্তু তেৱেঁই যে যীচু, তেওঁ চিনি নাপালে। ১৫ তেতিয়া
যীচুৱে তেওঁক সুধিলে, "হে নাৰী, তুমি কিয় কান্দিছা?
কোন জনক নো বিচাৰিছা?" তেতিয়া তেওঁ বাৰীচোৱা
বুলি ভাবি তেওঁক ক'লে, "হে মহাশয়, আপুনি যদি তেওঁক
এই ঠাইৰ পৰা নিলে, তেনেহলে ক'ত থলে, মোক কওক;
মই তাৰ পৰা তেওঁক লৈ যাম।" ১৬ যীচুৱে তেওঁক
ক'লে, "অ', মৰিয়ম৷" তেতিয়া মৰিয়মে মূখ ঘূৰাই ইব্ৰী
ভাষাৰে ক'লে "ৰব্বুণি" ইয়াৰ অৰ্থ, 'হে গুৰু৷' ১৭ যীচুৱে
তেওঁক ক'লে, "তুমি মোক নুচুবা, কিয়নো মোৰ পিতৃৰ
ওচৰলৈ এতিয়ালৈকে মই উঠা নাই। কিন্তু তুমি মোৰ ভাই
সকলৰ ওচৰলৈ গৈ তেওঁলোকক কোৱাগৈ, যি জন মোৰ
পিতৃ আৰু তোমালোকৰো পিতৃ; আৰু মোৰ ঈশ্বৰ আৰু
তোমালোকৰো ঈশ্বৰ, তেওঁৰ ওচৰলৈ মই উঠি যাওঁ৷"
১৮ তেতিয়া মগ্দলীনী মৰিয়ম গ'ল আৰু শিষ্য সকলক
এই সম্বাদ দিলে যে, "মই প্ৰভুক দেখিলোঁ৷" মৰিয়মে
তেওঁলোকক জনালে যে 'তেৱেঁই মোক এই কথা ক'বলৈ
ক'লে'। ১৯ সেইদিনা সন্ধিয়া সময়, এই দিন সপ্তাহৰ
প্ৰথম দিন আছিল, শিষ্য সকল এটা ঘৰত গোট খালে৷
তেওঁলোক থকা ঘৰৰ দুৱাৰবোৰ ইহুদী সকলৰ ভয়ত
বন্ধ কৰি ল'লে, তেতিয়া যীচুৱে আহি তেওঁলোকৰ মাজত
থিয় হৈ ক'লে "তোমালোকৰ শান্তি হওক"। ২০ এই কথা
কোৱাৰ পাছত তেওঁ তেওঁলোকক তেওঁৰ হাত দুখন আৰু
কোষ দেখুৱালে। তাতে শিষ্য সকলে প্ৰভুক দেখি আনন্দ
কৰিলে। ২১ এই কাৰণে যীচুৱে তেওঁলোকক পুনৰ ক'লে,
"তোমালোকৰ শান্তি হওক, পিতৃয়ে যেনেকৈ মোক পঠালে,
ময়ো তেনেকৈ তোমালোকক পঠিয়াই দিম"। ২২ এই
কথা কৈ তেওঁ তেওঁলোকৰ ওপৰত নিশ্বাস পেলাই ক'লে,
"পবিত্ৰ আত্মা গ্ৰহণ কৰা। ২৩ তোমালোকে যি সকলৰ
পাপ ক্ষমা কৰিবা, তেওঁলোকৰ পাপ ক্ষমা কৰা হব; আৰু
যি সকলৰ পাপ ক্ষমা নকৰা, তেওঁলোকৰ পাপ ক্ষমা কৰা
নহব৷" ২৪ থোমা, বাৰ জনৰ মাজৰ যাক দিদুমো বোলে,
তেওঁ যীচু অহা সময়ত তেওঁলোকৰ লগত নাছিল। ২৫
এতেকে আন শিষ্য সকলে তেওঁক ক'লে, "আমি প্ৰভুক
দেখিলোঁ"। কিন্তু তেওঁ তেওঁলোকক ক'লে, "তেওঁৰ হাতত
গজালৰ চিন নেদেখিলে আৰু গজালৰ চিনত মোৰ আঙুলি
নুসুমুৱালে, অাৰু তেওঁৰ কোষত হাত নুসুমুৱালে মই
কোনোমতে বিশ্বাস নকৰোঁ।" ২৬ আকৌ আঠ দিনৰ পাছত,
তেওঁৰ শিষ্য সকল থোমাৰ সৈতে ভিতৰত থাকোঁতে,
দুৱাৰ বন্ধ হৈ থকাতো, যীচুৱে আহি মাজত থিয় হৈ ক'লে,
"তোমালোকৰ শান্তি হওক"। ২৭ তেতিয়া তেওঁ থোমাক
ক'লে, "ইয়াত তোমাৰ আঙুলি দি, মোৰ হাত চোৱা; আৰু
তোমাৰ হাত মেলি, মোৰ কোষত সুমুউৱা৷ অবিশ্বাসী নহৈ
বিশ্বাসকাৰী হোৱা।" ২৮ থোমাই উত্তৰ দি তেওঁক ক'লে,
"হে মোৰ প্ৰভু, হে মোৰ ঈশ্বৰ!" ২৯ যীচুৱে তেওঁক ক'লে,
"মোক দেখাৰ কাৰণেহে তুমি বিশ্বাস কৰিছা। যি সকলে
নেদেখিও বিশ্বাস কৰে, তেওঁলোকেই ধন্য।" ৩০ যীচুৱে
তেওঁৰ শিষ্য সকলৰ আগত ইয়াতকৈয়ো অনেক আচৰিত
চিন দেখুৱাইছিল, যিবোৰ এই পুস্তকত লিখা নাই৷ ৩১
কিন্তু যীচু যে ঈশ্বৰৰ পুত্ৰ খ্ৰীষ্ট, ইয়াক যেন তোমালোকে
বিশ্বাস কৰা, বিশ্বাস কৰি তেওঁৰ নামত যেন জীৱন পোৱা,
এই কাৰণে এইবোৰ কথা লিখা হ'ল।

২১ এই সকলোবোৰ ঘটি যোৱাৰ পাছত যীচুয়ে নিজকে
তিবিৰিয়া সাগৰৰ দাঁতিত শিষ্য সকলৰ সন্মুখত
দেখা দিলে৷ এই ভাবে যীচুৱে পুনৰ শিষ্য সকলক দৰ্শন
দিলে: ২ চিমোন পিতৰ আৰু যাক দিদুমো বোলে, সেই
থোমা, আৰু গালীল প্ৰদেশৰ কান্না নগৰত থকা নথনেল
আৰু চিবদিয়ৰ পুতেক দুজন আৰু আন দুজন যীচুৰ শিষ্য,
এওঁলোক সকলোৱে একে ঠাইতে আছিল। ৩ চিমোন
পিতৰে তেওঁলোকক ক'লে, "মই মাছ মাৰিবলৈ যাওঁ"।
তেওঁলোকে ক'লে, "আমিও, তোমাৰ লগত যাওঁ"। এই
বুলি তেওঁলোক ওলাই গৈ নাৱত উঠিল; কিন্তু সেই ৰাতি
তেওঁলোকে একোকে নাপালে। ৪ পাছত ৰাতি পুৱালত,
যীচু বামত থিয় হ'ল; কিন্তু তেওঁ যে যীচু, ইয়াক সেই
শিষ্যকেইজনে নাজানিলে। ৫ তেতিয়া যীচুৱে তেওঁলোকক
সুধিলে, "হেৰ যুৱক সকল, তোমালোকৰ লগত কিবা খোৱা
বস্তু আছে নে?" তেওঁলোকে তেওঁক উত্তৰ দিলে, "নাই"।
৬ তেতিয়া যীচুৱে তেওঁলোকক ক'লে, "নাৱৰ সোঁফালে
জাল পেলোৱা, তেতিয়াহে পাবা"। তাতে তেওঁলোকে
জাল পেলালে আৰু বহুত মাছ লাগিল, মাছৰ ভৰত,
জাল টানি তুলিবই নোৱাৰিলে। ৭ তেতিয়া যীচুৰ প্ৰিয়
শিষ্যই পিতৰক ক'লে, "এৱেঁই প্ৰভু"। যেতিয়া চিমোন
পিতৰে এই কথা শুনিলে যে, এৱেঁই ঈশ্বৰ, তেতিয়া
তেওঁ গাত চোলা পিন্ধি নিজেই জাঁপ মাৰি সাগৰত পৰিল
(কিয়নো তেওঁ সাধাৰণভাৱে কাপোৰ পিন্ধি আছিল)। ৮
কিন্তু আন শিষ্যকেইজনে, মাছে সৈতে জাল টানি টানি
নাৱেৰে আহিল; তেওঁলোক বাম পাবলৈ বেছি দুৰ নাছিল,
কিয়নো তেওঁলোক বামৰ পৰা দুশ হাত মানৰ অধিক
আতৰত নাছিল। ৯ পাছত তেওঁলোক বামত উঠিল,
তাতে কয়লাৰ জুইৰ ওপৰত মাছ আৰু পিঠা দেখিলে৷ ১০
যীচুৱে তেওঁলোকক ক'লে, "এতিয়া যিবোৰ মাছ ধৰিলা
তাৰ পৰা কিছুমান মাছ আনাগৈ"। ১১ তেতিয়া চিমোন

পিতৰে নাৱত উঠি, এশ দুইকুৰি তেৰ টা; বৰ মাছেৰে
ভৰি থকা জাল টানি বামলৈ তুলিলে; ইমানবোৰ মাছ
লাগিলতো, জাল নাফাটিল। ১২ যীচুৱে তেওঁলোকক
ক'লে, "আহা তোমালোকে পুৱাৰ আহাৰ ভোজন কৰাহি"।
তেতিয়া তেৰেঁই যে প্ৰভু, ইয়াকে জানি 'তুমি নো কোন?'
এই বুলি সুধিবলৈ শিষ্য সকলৰ মাজৰ কোনো এজনৰ
সাহস নহ'ল। ১৩ পাছত যীচুৱে আহি, পিঠা আৰু মাছ লৈ
তেওঁলোকক দিলে। ১৪ মৃত লোকৰ মাজৰ পৰা উঠাৰ
পাছত, এইদৰে তৃতীয় বাৰ যীচুৱে শিষ্য সকলক দৰ্শন
দিলে। ১৫ তেওঁলোকে আহাৰ গ্ৰহণ কৰাৰ পাছত, যীচুৱে
চিমোন পিতৰক সুধিলে, "হে যোহনৰ পুতেক চিমোন, তুমি
এই সকলোতকৈ মোক অধিক প্ৰেম কৰা নে?" পিতৰে
তেওঁক ক'লে, "হয় প্ৰভু; মই যে আপোনাক প্ৰেম কৰোঁ,
আপুনি জানে"। যীচুৱে তেওঁক ক'লে, "মোৰ মেৰ-পোৱালি
সকলক চৰোৱা।" ১৬ পুনৰ দ্বিতীয় বাৰ তেওঁ সুধিলে,
"হে যোহনৰ পুতেক চিমোন তুমি মোক প্ৰেম কৰা নে?"
পিতৰে তেওঁক ক'লে, "হয় প্ৰভু; আপোনাক মই প্ৰেম
কৰোঁ, এই বিষয়ে আপুনি জানে।" যীচুৱে তেওঁক ক'লে,
"মোৰ মেৰবোৰ প্ৰতিপালন কৰা।" ১৭ তৃতীয় বাৰ তেওঁ
সুধিলে, "হে যোহনৰ পুতেক চিমোন, তুমি মোক প্ৰেম কৰা
নে?" পিতৰে অসন্তোষ কৰি ক'লে, 'তেওঁ কিয় আকৌ
তৃতীয় বাৰ এই কথা সুধিলে, তুমি মোক ভাল পোৱা নে?'
ইয়াকে ভাবি তেওঁ ক'লে, "হে প্ৰভু, আপুনি সকলো জানে;
মই যে আপোনাক প্ৰেম কৰোঁ, আপুনি জানে।" যীচুৱে
তেওঁক ক'লে, "মোৰ মেৰবোৰক চৰোৱা। ১৮ মই তোমাক
সঁচাকৈ কওঁ, তুমি ডেকা কালত, নিজে নিজৰ কঁকাল বান্ধি,
য'লৈকে ইচ্ছা ত'লৈকে গৈছিলা; কিন্তু যেতিয়া তুমি বুঢ়া
হ'বা, তেতিয়া হাত মেলিবা আৰু আন লোকে তোমাৰ
কঁকাল বান্ধি, তোমাৰ য'লৈ যাবৰ ইচ্ছা নাই, ত'লৈকে
তোমাক লৈ যাব।" ১৯ তেতিয়া যীচুৱে এই সকলো কথাৰে
বুজাই দিলে যে, তেওঁ কেনে মৰণেৰে ঈশ্বৰক মহিমান্বিত
কৰিব। এইদৰে কোৱাৰ পাছত যীচুৱে তেওঁক ক'লে,
"মোৰ পাছে পাছে আহা।" ২০ তেতিয়া পিতৰে মূখ ঘূৰাই,
যি জনে ৰাতিৰ ভোজনৰ সময়ত, যীচুৰ বুকুলৈ হাউলি গৈ
সুধিছিল, 'হে প্ৰভু, আপোনাক শত্ৰুৰ হাতত কোনে শোধাই
দিব?' যীচুৰ সেই প্ৰিয় শিষ্যক পাছে পাছে অহা দেখিলে।
২১ তাতে পিতৰে তেওঁক দেখি, যীচুক সুধিলে, "হে প্ৰভু,
এই মানুহ জনৰ কি অৱস্থা হ'ব?" ২২ তেতিয়া যীচুৱে
ক'লে, "'মই অহালৈকে তেওঁ যদি জীয়াই থাকে', মই যদি
এনেদৰে থকাটো ইচ্ছা কৰোঁ, তেনেহলে তাৰ পৰা তোমাৰ
কি হ'ব? তুমি মোক অনুসৰণ কৰা।" ২৩ এই কথা ভাই
সকলৰ মাজত বিয়পি গ'ল; সেই শিষ্য নমৰিব বুলি যীচুৱে
তেওঁক কোৱা নাই; কিন্তু 'মই অহালৈকে তেওঁ যদি জীয়াই
থাকে, মই যদি এনেদৰে থকাটো বিচাৰো, তেনেহলে
তাত তোমাৰ কি কাম?' অকল ইয়াকেহে কৈছিল। ২৪
যি জনে এইবোৰৰ বিষয়ে সাক্ষ্য দিছে আৰু এইবোৰ
লিখিলে, এৰেঁই সেই শিষ্য; আমি জানো যে, তেওঁৰ সাক্ষ্য
সত্য। ২৫ ইয়াৰ বাহিৰেও যীচুৱে বহু কৰ্ম কৰিলে৷ সেই
সকলোকে এটা এটাকৈ লিখিবলৈ গ'লে, যিমানবোৰ পুস্তক
হ'ব, বোধ কৰোঁ, সিমানবোৰ পৃথিৱীতো নধৰিব।




আৰু দৰাৰ কাৰণে বিভূষিতা কন্যা যেনে, তেনেকৈ যুগুত হোৱা, সেই পবিত্ৰ নগৰ নতুন যিৰূচালেমক, ঈশ্বৰৰ পৰা,
অৰ্থাৎ স্বৰ্গৰ পৰা নমা দেখিলোঁ। পাছত মই সেই সিংহাসনৰ পৰা এই মহা আকাশ-বাণী শুনিলোঁ, “সৌৱা চোৱা!”
লোক সকলৰ সহিত ঈশ্বৰৰ নিবাস আৰু তেওঁলোকৰ সহিত তেওঁ নিবাস কৰিব৷ তেওঁলোক তেওঁৰ নিজ লোক হব,
আৰু ঈশ্বৰ নিজে সঙ্গী হৈ তেওঁলোকৰ ঈশ্বৰ হ’ব৷
প্ৰকাশিত বাক্য ২১:২-৩

# প্ৰকাশিত বাক্য

**১৯** এইবোৰ ঘটনা ঘটাৰ পাছত, মই স্বৰ্গত থকা বৃহৎ এদল মানুহৰ মহাধ্বনি শুনিলোঁ, বোলে, “হাল্লিলুয়া৷ পৰিত্ৰাণ, মহিমা আৰু পৰাক্ৰম আমাৰ ঈশ্বৰৰ৷ ২ তেওঁৰ সকলো সোধ-বিচাৰ, সত্য আৰু ন্যায়; তেওঁ সেই মহা-বেশ্যাৰ বিচাৰ কৰিলে সেই বেশ্যাই নিজৰ বেশ্যা-কৰ্মৰ দ্বাৰা পৃথিৱী ভ্ৰষ্ট কৰিছিল৷ যি ৰক্তপাত তাইয়ে বোৱাইছিল, তেওঁ নিজৰ সেই দাস সকলৰ ৰক্তপাতৰ প্ৰতিশোধ ল’লে, ৷” ৩ আৰু তেওঁলোকে পুণৰাই ক’লে, “হাল্লিলুয়া! আৰু তাইৰ ধোঁৱা চিৰকাল তাইৰ পৰা উঠি থাকিব।” **(aiōn g165)** ৪ পাছত সেই চৌবিশ জন পৰিচাৰক আৰু চাৰি জীৱিত প্ৰাণীয়ে সিংহাসনত বহি থকা ঈশ্বৰক দণ্ডৱতে আৰাধনা কৰিলে৷ তেওঁলোকে কলে, “আমেন৷ হাল্লিলুয়া!” ৫ তেতিয়া সিংহাসনৰ পৰা আৰু এটা মাত ওলাল, বোলে, “হে ঈশ্বৰৰ দাস সকল, হে তেওঁৰ ভয়কাৰী সকল, তোমালোক সৰু বৰ সকলোৱে আমাৰ ঈশ্বৰৰ স্তুতি কৰা৷” ৬ পাছত বৃহৎ এদল মানুহৰ মাতৰ নিচিনা, নিনাদিত কৰা পানীৰ মাতৰ নিচিনা আৰু ঘোৰ মেঘ-গৰ্জ্জনৰ মাতৰ দৰে এই বাণী শুনিলোঁ, “হাল্লিলুয়া! কিয়নো যি জন প্ৰভু আৰু পৰমেশ্বৰ, আমাৰ সকলোৰে শাসনকৰ্তা জনে, ৰাজত্ব গ্ৰহণ কৰিছে। ৭ আহা, আমি অতি আনন্দেৰে উল্লাসিত হৈ তেওঁৰ মহিমা স্বীকাৰ কৰোঁহক; কিয়নো সেই মেৰ-পোৱালিৰ বিবাহ উপস্থিত হ’ল; আৰু তেওঁৰ ভাৰ্যাই নিজকে যুগুত কৰিলে।” ৮ আৰু পিন্ধিবৰ কাৰণে তাইক সন্মতিৰ সৈতে, শণ সুতাৰ উজ্জ্বল আৰু শুদ্ধ মিহি কাপোৰ দিয়া হ’ল; (কিয়নো সেই মিহি বস্ত্ৰ পবিত্ৰ লোকৰ ধাৰ্মিকতা স্বৰূপ।) ৯ পাছত দূত জনে মোক ক’লে, “তুমি এই কথা লিখা: মেৰ-পোৱালিৰ বিবাহৰ ভোজলৈ যি সকল নিমন্ত্ৰিত হৈছে তেওঁলোক ধন্য।” তেওঁ মোক পুনৰ ক’লে, “এইবোৰ ঈশ্বৰৰ সত্য বাক্য।” ১০ তেতিয়া তেওঁক প্ৰণিপাত কৰিবলৈ মই তেওঁৰ চৰণত পৰিলো। কিন্তু তেওঁ মোক ক’লে, “সাৱধান, এনে নকৰিবা! মই তোমাৰ সহদাস আৰু যীচুৰ সাক্ষ্য ধাৰণ কৰা তোমাৰ ভাই সকলৰো সহদাস; ঈশ্বৰকহে প্ৰণিপাত কৰা, কিয়নো যীচুৰ সাক্ষ্যই ভাববাণীৰ আত্মা।” ১১ তেতিয়া মই স্বৰ্গৰ দ্বাৰ মুকলি কৰা দেখিলোঁ; আৰু মই চাওতে তাত এটা বগা ঘোঁৰা দেখিলোঁ; তাৰ ওপৰত উঠা জনক বিশ্বাসী আৰু সত্য বোলে; তেওঁ ধাৰ্মিকতাৰে সোধ-বিচাৰ আৰু যুদ্ধ কৰে। ১২ তেওঁৰ চকু অগ্নিশিখা আৰু তেওঁৰ মুৰত অনেক কিৰীটি আছে৷ তেওঁৰ এটা নাম লিখা আছে কিন্তু সেই নাম তেওঁৰ বাহিৰে আন কোনেও নাজানে। ১৩ তেওঁ পিন্ধা বস্ত্ৰ তেজত দুব মৰা; তেওঁৰ নাম হ’ল- ঈশ্বৰৰ বাক্য৷ ১৪ স্বৰ্গীয় সৈন্য সকলে শণ সুতাৰ বগা আৰু শুদ্ধ মিহি কাপোৰ পিন্ধি, বগা ঘোঁৰাবোৰৰ ওপৰত উঠি তেওঁৰ পাছে পাছে গ’ল। ১৫ তেওঁ জাতি সকলক আঘাত কৰিবলৈ তেওঁৰ মুখৰ পৰা এখন চোকা তৰোৱাল ওলায় আৰু তেওঁ লোহাৰ দণ্ডেৰে তেওঁলোকক শাসন কৰিব; আৰু সৰ্বশক্তিমান ঈশ্বৰৰ প্ৰচণ্ড ক্ৰোধৰূপ দ্ৰাক্ষাৰসৰ পেৰাশাল তেৰেঁই গচকে। ১৬ তেওঁৰ বস্ত্ৰত আৰু কৰঙণত, এই নাম লিখা আছে, “ৰজাৰো ৰজা আৰু প্ৰভুৰো প্ৰভু৷” ১৭ পাছত মই সুৰ্য্যত থিয় হোৱা এজন দূত দেখিলোঁ; তেওঁৰ মুৰৰ ওপৰত আকাশত উড়ি ফুৰা সকলো পক্ষীক বৰ মাতেৰে ৰিঙিয়াই ক’লে, “আহা, তোমালোকে ঈশ্বৰৰ ভোজনৰ বাবে একলগ হোৱা৷ ১৮ তোমালোকে ৰজা সকলৰ মঙহ, সেনাপতি সকলৰ মঙহ, শক্তিমন্ত সকলৰ মঙহ, ঘোঁৰা আৰু তাত উঠি থকাবোৰৰ মঙহ, দুয়ো স্বাধীন আৰু দাস, সৰু আৰু বৰ সকলোৰে মঙহ আহি খোৱা।” ১৯ পাছত সেই পশু আৰু পৃথিৱীৰ ৰজা সকল আৰু তেওঁলোকৰ সৈন্যবোৰকো গোট খোৱা দেখিলোঁ। তেওঁলোকে সেই ঘোঁৰাত উঠা জনৰ লগত তেওঁৰ সৈন্যৰ সৈতে যুদ্ধ কৰিবলৈ ওলাই আহিছিল৷ ২০ তেতিয়া পশু আৰু তাৰে সৈতে যি ভাঁৰি-কোৱা ভাববাদীয়ে তাৰ আগত আচৰিত চিন দেখুৱাইছিল, যাৰ দ্বাৰাই সেই পশুৰ ছাব মাৰি লোৱা সকলক আৰু তাৰ প্ৰতিমূৰ্তিক প্ৰণিপাত কৰাবোৰক ভুলাইছিল, সেই দুয়োকো বন্দী কৰা হ’ল আৰু গন্ধকেৰে জ্বলি থকা জুইৰ সৰোবৰত, জীয়াই জীয়াই দুয়োকো পেলোৱা হ’ল। **(Limnē Pyr g3041 g4442)** ২১ আৰু অৱশিষ্ট সকলক সেই ঘোঁৰাত উঠা জনৰ মুখৰ পৰা ওলোৱা তৰোৱালৰ দ্বাৰাই বধ কৰা হ’ল; আৰু সকলো চৰাইবোৰ সিহঁতৰ মঙহেৰে তৃপ্ত হ’ল।

**২০** তেতিয়া মই এজন দূতক স্বৰ্গৰ পৰা নামি অহা দেখিলোঁ, তেওঁৰ হাতত সেই অগাধ ঠাইৰ চাবি আৰু এডাল বৰ শিকলি আছিল। **(Abyssos g12)** ২ তেওঁ সেই ড্ৰেগন, সেই পুৰণি সৰ্প; যি দিয়াবল আৰু চয়তান, তাক ধৰি, এহেজাৰ বছৰলৈ বান্ধি ৰাখিলে৷ দূত জনে সেই অগাধ ঠাইত তাক পেলাই দি, সেই ঠাইৰ মুখ বন্ধ কৰিলে, আৰু তাৰ ওপৰত চাব মাৰি দিলে৷ ৩ তাক এনেদৰে অগাধ ঠাইত পেলাই দিয়াৰ কাৰণ এয়ে যে, সি যেন জাতিবোৰক, যেতিয়ালৈ সেই এহেজাৰ বছৰ পুৰ নহয়, তেতিয়ালৈকে ভুলাব নোৱাৰে৷ তাৰ পাছত অলপ কালৰ বাবে সি মুক্ত হ’ব লাগিব। **(Abyssos g12)** ৪ পাছত মই কেইখন মান সিংহাসন দেখিলোঁ৷ সেইবোৰৰ ওপৰত যি লোক সকল বহি আছিল, তেওঁলোকক সোধ-বিচাৰৰ ভাৰ দিয়া হ’ল; আৰু মই সেই লোক সকলৰ জীৱাত্মা দেখিলোঁ; যি সকলক যীচুৰ সাক্ষ্যৰ কাৰণে আৰু ঈশ্বৰৰ বাক্যৰ কাৰণে মুৰ ছেদন কৰা হৈছিল আৰু যি সকলে সেই পশু বা তাৰ প্ৰতিমূৰ্তিক প্ৰণিপাত কৰা নাছিল আৰু নিজৰ কপালত আৰু

হাতত তাৰ ছাব লোৱা নাছিল, তেওঁলোকে জীৱিত হ'ল
আৰু এহেজাৰ বছৰ খ্ৰীষ্টৰ সৈতে ৰাজত্ব কৰিলে। ৫ মৃত
সকলৰ অৱশিষ্ট লোক সেই হাজাৰ বছৰ পুৰ নহোৱালৈকে
জীৱিত নহ'ল। এয়ে প্ৰথম পুনৰুত্থান। ৬ যি জনে এই
প্ৰথম উত্থানৰ ভাগী হয়, তেওঁ ধন্য আৰু পবিত্ৰ লোক৷
তেওঁলোকৰ ওপৰত দ্বিতীয় মৃত্যুৰ কোনো ক্ষমতা নাই;
তেওঁলোক ঈশ্বৰৰ আৰু খ্ৰীষ্টৰ পুৰোহিত হৈ তেৰেঁ সৈতে
এহেজাৰ বছৰ ৰাজত্ব কৰিব। ৭ যেতিয়া সেই হাজাৰ বছৰ
পুৰ হব, চয়তান নিজ বন্দীশালৰ পৰা মুক্ত হব আৰু, ৮
তেতিয়া সি ওলাই আহি, পৃথিৱীৰ চাৰি চুকত থকা গোগ
আৰু মাগোগ জাতি সকলক ভুলাই, সৈন্যৰ দল যোগাৰ
কৰি, ৰণলৈ গোট খুৱাব। তেওঁলোকৰ সংখ্যা সাগৰৰ
বালিৰ সমান হব৷ ৯ সিহঁতে পৃথিৱীৰ বিস্তাৰেদি গৈ, পবিত্ৰ
লোক সকলৰ ছাউনি আৰু প্ৰিয় নগৰ বেৰি ধৰিলে; কিন্তু
স্বৰ্গৰ পৰা জুই পৰি, সিহঁতক গ্ৰাস কৰিলে। ১০ আৰু
সিহঁতক ভুলুৱা চয়তানক, গন্ধক আৰু জুইৰ সৰোবৰত
পেলোৱা হ'ল যত সেই পশু আৰু ভাঁৰি-কোৱা ভাববাদীও
আছে; আৰু সিহঁতে চিৰকাললৈকে দিনে-ৰাতিয়ে যাতনা
ভোগ কৰিব। (aiōn g165, Limnē Pyr g3041 g4442) ১১ তাৰ
পাছত মই এখন ডাঙৰ বগা সিংহাসন, আৰু তাৰ ওপৰত
বহি থকা জনক দেখিলোঁ; তেওঁৰ উপস্থিতিত পৃথিৱী আৰু
আকাশমণ্ডল পলাই গ'ল কিন্তু সেইবোৰৰ কাৰণে যাবলৈ
ঠাই পুনৰ পোৱা নগ'ল। ১২ সেই সিংহাসনৰ আগত সৰু
বৰ সকলো মৃত সকলক থিয় হৈ থকা দেখিলোঁ; আৰু
কেইখন মান পুস্তক মেলা হ'ল; পাছত আৰু এখন পুস্তক
মেলা হ'ল- জীৱন পুস্তক৷ সেই পুস্তকবোৰত লিখা মতে
মৃত সকলৰ নিজ নিজ কৰ্ম অনুসাৰে সোধ-বিচাৰ কৰা
হ'ল। ১৩ তেতিয়া সাগৰে নিজৰ লগত থকা মৃত সকলক
শোধাই দিলে; মৃত্যু আৰু পৰলোকেও নিজৰ লগত থকা
মৃত সকলক শোধাই দিলে; তাতে সেই মৃত লোক সকলক
নিজ নিজ কৰ্ম অনুসাৰে সোধ-বিচাৰ কৰা হ'ল। (Hadēs
g86) ১৪ পাছত মৃত্যু আৰু পৰলোকক সেই জুইৰ সৰোবৰত
পেলোৱা হ'ল। সেয়েই অৰ্থাৎ অগ্নিৰ সৰোবৰেই দ্বিতীয়
মৃত্যু; (Hadēs g86, Limnē Pyr g3041 g4442) ১৫ আৰু জীৱন
পুস্তকত যি কোনো জনৰ নাম পোৱা নগ'ল, তেওঁলোকক
সেই জুইৰ সৰোবৰত পেলোৱা হ'ল। (Limnē Pyr g3041
g4442)

## ২১

তাৰ পাছত মই নতুন আকাশমণ্ডল আৰু নতুন
পৃথিৱী দেখিলোঁ; কিয়নো প্ৰথম আকাশমণ্ডল আৰু
প্ৰথম পৃথিৱী গুচি গ'ল; সমুদ্ৰও নাছিল। ২ আৰু দৰাৰ
কাৰণে বিভূষিতা কন্যা যেনে, তেনেকৈ যুগুত হোৱা, সেই
পবিত্ৰ নগৰৰ নতুন যিৰূচালেমক, ঈশ্বৰৰ পৰা, অৰ্থাৎ স্বৰ্গৰ
পৰা নমা দেখিলোঁ। ৩ পাছত মই সেই সিংহাসনৰ পৰা
এই মহা আকাশ-বাণী শুনিলোঁ, “সৌৱা চোৱা!” লোক
সকলৰ সহিত ঈশ্বৰৰ নিবাস আৰু তেওঁলোকৰ সহিত
তেওঁ নিবাস কৰিব৷ তেওঁলোক তেওঁৰ নিজ লোক হব,
আৰু ঈশ্বৰ নিজে সঙ্গী হৈ তেওঁলোকৰ ঈশ্বৰ হ'ব৷ ৪
তেওঁলোকৰ চকুৰ পৰা আটাই চকুলো মচি গুচাব; তাতে
মৃত্যু পুনৰ নহব; শোক বা ক্ৰন্দন বা বেদনাও পুনৰ নহব৷
আগৰবোৰ গুচি গ'ল। ৫ পাছত সিংহাসনৰ ওপৰত বহা
জনে কলে, “চোৱা! মই সকলোকে নতুন কৰোঁ।” তেওঁ
পুনৰ কলে, “লিখা, কিয়নো এইবোৰ কথা বিশ্বাসযোগ্য
আৰু সত্য।” ৬ পাছত তেওঁ মোক কলে, “এই সকলো
হ'ল! মই আলফা আৰু ওমেগা, আদি আৰু অন্ত। পিয়াহ
লগা জনক মই জীৱন-জলৰ ভুমুকৰ পানী বিনামুল্যে দিম।
৭ যি জনে জয় কৰে, তেওঁ এইবোৰৰ অধিকাৰী হ'ব; মই
তেওঁৰ ঈশ্বৰ হ'ম আৰু তেওঁ মোৰ পুত্ৰ হ'ব। ৮ কিন্তু যি
সকল ভয়াতুৰ, অবিশ্বাসী, ঘিণলগীয়া, নৰবধী, ব্যভীচাৰি,
মায়াবী, মূৰ্তিপূজক আৰু সকলো মিছলীয়া সকলে জ্বলি
থকা গন্ধক আৰু জুইৰ সৰোবৰত নিজ নিজ ভাগ পাব৷
সেয়াই দ্বিতীয় মৃত্যু।” (Limnē Pyr g3041 g4442) ৯ তেতিয়া
শেষৰ সাত উৎপাতেৰে পৰিপূৰ্ণ সাতোটা বাটি লোৱা
সাত জন দূতৰ এজন আহিল, আৰু মোৰ ওচৰলৈ আহি
কলে, “ইয়ালৈ আহা৷ মই তোমাক সেই কন্যা, অৰ্থাৎ
মেৰ-পোৱালিৰ ভাৰ্যাক দেখুৱাম।” ১০ তাতে তেওঁ মোক
আত্মাত এখন ডাঙৰ ওখ পৰ্বতলৈ নিলে, আৰু ঈশ্বৰৰ পৰা,
অৰ্থাৎ স্বৰ্গৰ পৰা নামি অহা ঈশ্বৰৰ প্ৰভাৱ-যুক্ত সেই পবিত্ৰ
যিৰূচালেম নগৰ দেখুৱালে। ১১ সেই নতুন যিৰূচালেম
ঈশ্বৰৰ মহিমাৰে পূৰ্ণ আছিল আৰু তাৰ জ্যোতি বহুমূলীয়া
মণি, অৰ্থাৎ স্ফটিকৰ দৰে নিৰ্ম্মল সূৰ্য্যকান্ত মণিৰ নিচিনা
আছিল৷ ১২ তাত ওখ আৰু ডাঙৰ গড় আৰু বাৰ খন দ্বাৰ
আছিল; সেই বাৰ খন দ্বাৰত বাৰ জন দূত থাকে আৰু সেই
দ্বাৰত ইস্ৰায়েলৰ সন্তান সকলৰ বাৰ ফৈদৰ নাম লিখা
আছিল৷ ১৩ তাৰে তিনি খনৰ দ্বাৰ পূব ফালে, তিনি খন
দ্বাৰ উত্তৰ ফালে, তিনি খন দ্বাৰ দক্ষিণ ফালে আৰু তিনি
খন দুৱাৰ পশ্চিম ফালে। ১৪ আৰু নগৰৰ গড়ৰ বাৰটা
ভিত্তিমূল; তাত মেৰ-পোৱালিৰ বাৰ জন পাঁচনিৰ বাৰটা
নাম আছে। ১৫ আৰু সেই নগৰ আৰু তাৰ দুৱাৰবোৰ
আৰু তাৰ গড় জুখিবৰ কাৰণে, মোৰে সৈতে কথা হোৱা
জনৰ সোণৰ নলৰ এডাল জোখ আছিল। ১৬ সেই নগৰ
চাৰি-চুকীয়া, তাৰ দীঘে-পথালিয়ে সমান। পাছত তেওঁ
নলেৰে নগৰৰ খনৰ জোখ লৈ পোন্ধৰ শ মাইল পালে;
দীঘে-পথালিয়ে আৰু উচ্চতাত সমান। ১৭ পাছত গড়
জুখি, মানুহৰ অৰ্থাৎ দূতৰ জোখ ডালেৰে এশ চৌৱাল্লিশ
হাত হ'ল। ১৮ সেই গড়ৰ গাঁঠনি সূৰ্য্যকান্ত মণিৰ আৰু
নগৰৰ খন শুদ্ধ সোণৰ পৰিষ্কাৰ দৰ্পণৰ নিচিনা। ১৯ নগৰৰ

গড়ৰ ভিত্তিমূলবোৰ আটাইবিধ বহুমূলীয়া মণিৰে বিভূষিত
আছিল। ২০ প্ৰথম মূল সূৰ্য্যকান্তৰ, দ্বিতীয় নীলকান্তৰ,
তৃতীয় তাম্ৰমণিৰ, চতুৰ্থ মৰকতৰ, পঞ্চম বৈদুৰ্য্যৰ, ষষ্ঠ
চাৰ্দ্দীয় মণিৰ, সপ্তম স্বৰ্ণমণিৰ, অষ্টম গোমেদকৰ, নৱম
পদ্মৰাগৰ, দশম লশুনীয়ৰ, একাদশ পেৰোজৰ, দ্বাদশ
কটাহেলাৰ আছিল। ২১ সেই বাৰটা দ্বাৰত বাৰটা মুকুতা
আছিল, আৰু প্ৰত্যেকটো দ্বাৰে এটা এটা মুকুতাৰে সজা
হৈছিল৷ নগৰৰ আলিবাট শুদ্ধ সোণৰ আৰু পৰিষ্কাৰ দৰ্পণৰ
নিচিনা আছিল। ২২ তাৰ ভিতৰত মই কোনো মন্দিৰ
নেদেখিলোঁ, কিয়নো সৰ্ব্বশক্তিমান প্ৰভু পৰমেশ্বৰ আৰু
সেই মেৰ-পোৱালি জনে তাৰ মন্দিৰ। ২৩ সেই নগৰত
দীপ্তিৰ বাবে সূৰ্য বা চন্দ্ৰৰ প্ৰয়োজন নাই; কিয়নো তাত
ঈশ্বৰৰ প্ৰতাপে দীপ্তি দিয়ে, আৰু মেৰ-পোৱালি জন তাৰ
প্ৰদীপ স্বৰূপ। ২৪ জাতিবোৰে সেই দীপ্তিত অহা-যোৱা
কৰিব; আৰু পৃথিৱীৰ ৰজা সকলে নিজৰ প্ৰতাপ তাৰ
ভিতৰলৈ আনিব। ২৫ তাৰ দ্বাৰবোৰ দিনত কেতিয়াও বন্ধ
নহব; কিয়নো তাত ৰাতি নহব; ২৬ তেওঁলোকে জাতি
সকলৰ প্ৰতাপ আৰু মৰ্যদা তাৰ ভিতৰলৈ আনিব। ২৭ আৰু
কোনো অশুচি বস্তু তাৰ ভিতৰত প্ৰৱেশ নকৰিব৷ সেয়েহে
তাতে ঘিণলগীয়া কৰ্ম কৰা আৰু মিছা কথা কোৱা কোনেও
তাৰ ভিতৰত কেতিয়াও প্ৰৱেশ নকৰিব, কিন্তু কেৱল যি
সকলৰ নাম সেই মেৰ-পোৱালিৰ জীৱন পুস্তকত লিখা
আছে, তেওঁলোকেহে ভিতৰত প্ৰৱেশ কৰিব৷

২২ পাছত সেই দূত জনে মোক জীৱন-জলৰ সেই নদী
দেখুৱালে, সেই পানী স্ফটিকৰ নিচিনা উজ্জ্বল৷
ঈশ্বৰ আৰু মেৰ-পোৱালিৰ সেই সিংহাসনৰ পৰা সেই
নদী, ২ তাৰ আলিবাটৰ মাজেৰে বৈ গৈছিল। সেই নদীৰ
ইপাৰে-সিপাৰে জীৱন-বৃক্ষ আছিল; সেই বৃক্ষই বাৰ বিধ
ফল উৎপন্ন কৰিছিল আৰু প্ৰতি মাহে তাত ফল ধৰে৷
সেই বৃক্ষৰ পাত জাতি সকলক সুস্থ কৰাৰ কাৰণে। ৩
তাতে কোনো শাও নহ'ব। সেই নগৰত ঈশ্বৰ আৰু সেই
মেৰ-পোৱালিৰ সিংহাসন থাকিব আৰু তেওঁৰ দাস সকলে
তেওঁক সেৱা কৰিব৷ ৪ তেওঁলোকে তেওঁৰ মুখ দেখা পাব;
আৰু তেওঁলোকৰ কপালত তেওঁৰ নাম লিখা থাকিব। ৫
তাতে ৰাতিও নহ'ব; আৰু চাকিৰ পোহৰ বা সূৰ্যৰ পোহৰ
তেওঁলোকৰ প্ৰয়োজন নহব; কিয়নো প্ৰভু পৰমেশ্বৰে
তেওঁলোকক দীপ্তি দিব আৰু তেওঁলোকে চিৰকাল ৰাজত্ব
কৰিব। (aiōn g165) ৬ পাছত দূত জনে মোক ক'লে,
“এইবোৰ কথা বিশ্বাসযোগ্য আৰু সত্য; ঈশ্বৰ, যি জন
ভাববাদী সকলৰ আত্মাৰ প্ৰভু, তেওঁ তেওঁৰ দাস সকলক
যি যি অলপতে ঘটিব লগা আছে সেই বিষয়ে দেখুৱাবলৈ
নিজ দূতক পঠিয়ালে৷” ৭ “আৰু চোৱা! মই বেগাই আহি
আছোঁ; যি জনে এই পুস্তকৰ ভাববাণীৰ কথাবোৰ পালন
কৰে, তেওঁ ধন্য।” ৮ মই, যোহনেই এইবোৰ কথা শুনিলোঁ
আৰু এই সকলো দেখিলোঁ; যেতিয়া মই এনে শুনি-দেখি
সেই দূত জনক যি জনে এই সকলোকে মোক দেখুৱালে
তেওঁক প্ৰণিপাত কৰিবলৈ তেওঁৰ চৰণত পৰিলো। ৯
তেতিয়া তেওঁ মোক ক'লে, “সাৱধান, এনে নকৰিবা!
মইয়ো তোমাৰ সহদাস আৰু তোমাৰ ভাই ভাববাদী
সকলৰ আৰু এই পুস্তকত লিখা বাক্য পালন কৰোঁতা
সকলৰো সহদাস; ঈশ্বৰকহে প্ৰণিপাত কৰা।” ১০ পুনৰায়
তেওঁ মোক কলে, “এই পুস্তকৰ ভাববাণী কৰা বাক্যবোৰ
ছাব মাৰি বন্ধ নকৰিবা, কিয়নো কাল ওচৰ চাপিছে। ১১
যি জন অন্যায়কাৰী, তেওঁক পুনৰ অন্যায় কৰি থাকিবলৈ
দিয়া; যি জন কলঙ্কী, তেওঁ পুনৰ কলঙ্ক কৰি থাকক; যি
জন ধাৰ্মিক, তেওঁ পুনৰ ধৰ্ম আচৰণ কৰক; যি জন পবিত্ৰ
লোক, তেওঁ পবিত্ৰ হৈ থাকক।” ১২ “চোৱা! মই বেগাই
আহি আছোঁ; মই দিবলগীয়া পুৰস্কাৰ মোৰ লগত আছে,
যাৰ যেনে কৰ্ম, তেওঁক তেনে প্ৰতিফল দিয়া হব৷ ১৩
মই আলফা আৰু ওমেগা, প্ৰথম আৰু শেষ, আদি আৰু
অন্ত। ১৪ যি সকল জীৱন-বৃক্ষৰ অধিকাৰী আৰু দুৱাৰেদি
নগৰত সোমাবৰ কাৰণে নিজ নিজ বস্ত্ৰ ধোৱে, সেই লোক
সকল ধন্য৷ ১৫ কিন্তু বাহিৰৰ কুকুৰবোৰ, মায়াবীবোৰ,
ব্যভীচাৰিবোৰ, নৰবধীবোৰ আৰু মূৰ্তিপূজকবোৰ আৰু
মিছা কথাক প্ৰেম কৰা আৰু মিছা কথাক অভ্যাস প্ৰতিজন
লোক বাহিৰত থাকে। ১৬ মই যীচুৱে, মণ্ডলী সমূহৰ কাৰণে
তোমালোকক এইবোৰ কথাৰ সাক্ষ্য দিবলৈ, মোৰ দূতক
পঠালোঁ। মই দায়ুদৰ মূল আৰু বংশ, উজ্জ্বল প্ৰভাতীয়
তৰা।” ১৭ আত্মা আৰু কন্যাই কয় “আহা!” আৰু যি জনাই
শুনে, তেৰোঁ কয়, “আহা৷” যি জনৰ পিয়াহ লাগে, তেওঁ
আহক আৰু যি জনে ইচ্ছা কৰে, তেওঁ বিনামূল্যে জীৱন
জল গ্ৰহণ কৰক। ১৮ এই পুস্তকৰ ভাববাণীৰ বাক্য শুনা
প্ৰতিজনলৈ মই এই সাক্ষ্য দি কৈছোঁ: কোনোৱে যদি এই
বাক্যবোৰত কিবা যোগ কৰে, তেনেহলে এই পুস্তকত
লিখা উৎপাতবোৰো ঈশ্বৰে সেই জনৰ ওপৰত যোগ
কৰিব; ১৯ আৰু কোনোৱে যদি এই ভাববাণীৰ পুস্তকৰ
বাক্যবোৰৰ পৰা কিবা গুচায়, তেনেহলে এই পুস্তকত লিখা
জীৱন-বৃক্ষ আৰু পবিত্ৰ নগৰৰ পৰা ঈশ্বৰে তেওঁৰ ভাগ
গুচাব। ২০ যি জনে এই কথাৰ সাক্ষ্য দিছে, তেৱেঁ কৈছে,
“হয়! মই বেগাই আহি আছোঁ।” আমেন! হে প্ৰভু যীচু,
আহক! ২১ প্ৰভু যীচুৰ অনুগ্ৰহ সকলোৰে লগত থাকক;
আমেন।

# 66 পদ

অসমীয়া at AionianBible.org

The Bible is a library of 66 books in the Protestant Canon written by 40 different men over a span of 1,500 years from 1435 BC to 65 AD with one consistent message. From the first page through the last, Jesus. Genesis promised our deliverer is coming, Jesus. Moses said our better prophet is coming, Jesus. Isaiah prophesied our Messiah will be a suffering servant, Jesus. John announced our Anointed One is here, Jesus. Jesus himself testified he is our Lord God, Yahweh. The gospels agree our conqueror of death has risen, Jesus. The Apostles witnessed our victor ascend to his throne in Heaven, Jesus. And Revelation promises Jesus' return for our final judgment. Are you ready? Read the Bible cover to cover at AionianBible.org and answer these questions. How did I get here? Why am I here? How do I determine right or wrong? How can I escape condemnation? What is my destiny? Begin with the primer verses below.

**আদিপুস্তক** ৯:৮ তাৰ পাছত ঈশ্বৰে নোহক আৰু তেওঁৰ লগত থকা তেওঁৰ পুত্ৰসকলক ক'লে, ৯:৯ "চোৱা! মই তোমালোকৰ আৰু তোমালোকৰ বংশধৰসকলৰ সৈতে আৰু ৯:১০ যি সকলো প্ৰাণী তোমালোকৰ লগত আছে অৰ্থাৎ চৰাই, ঘৰচীয়া আৰু বনৰীয়া পশু আদি কৰি তোমালোকৰ লগত থকা যিমান জীৱ-জন্তু জাহাজৰ পৰা ওলাল, পৃথিৱীত থকা সেই সকলোবোৰৰ কাৰণে মই মোৰ নিয়ম স্থাপন কৰোঁ। ৯:১১ মই তোমালোকৰ সৈতে মোৰ এই নিয়মটি স্থাপন কৰিলোঁ যে, জল-প্লাৱনৰ দ্বাৰাই কেতিয়াও কোনো প্ৰাণীকে আৰু বিনষ্ট কৰা নহব; পৃথিৱী ধ্বংস কৰাৰ দৰে জল-প্লাৱনো আৰু কেতিয়াও নহ'ব।" ৯:১২ ঈশ্বৰে আৰু ক'লে, "মোৰ আৰু তোমালোকৰ মাজত আৰু তোমালোকৰ লগত যি সকলো জীৱিত প্ৰাণী আছে, সেই সকলোৰে সৈতে ভৱিষ্যতৰ সকলো বংশৰ কাৰণে যি নিয়ম স্থাপন কৰিলোঁ, তাৰ চিন এই: ৯:১৩ মেঘত মই মোৰ ধনু থৈছো; এই মেঘধনুয়েই হ'ব মোৰ আৰু পৃথিৱীৰ মাজত হোৱা প্ৰতিজ্ঞাৰ চিন।

**যাত্ৰাপুস্তক** ১৪:১৩ মোচিয়ে লোকসকলক ক'লে, "ভয় নকৰি। নিৰৱে থাকা; আৰু চাওক, যিহোৱাই আজি তোমালোকলৈ পৰিত্ৰাণৰ কাৰ্য সিদ্ধ কৰিব। কাৰণ যি মিচৰীয়া সকলক আজি তোমালোকে দেখিছা, তেওঁলোকক পুনৰ কেতিয়াও নেদেখিবা। ১৪:১৪ যিহোৱাই তোমালোকৰ বাবে যুদ্ধ কৰিব; আৰু আপোনালোক কেৱল নিৰৱে থাকা।"

**লেবীয় পুস্তক** ২০:২৬ তোমালোক মোৰ উদ্দেশ্যে পবিত্ৰ হব লাগে; কিয়নো মই যিহোৱা পবিত্ৰ আৰু তোমালোক মোৰ হবলৈ মই তোমালোকক আন জাতিৰ পৰা পৃথক বেলেগ কৰিলোঁ।

**গণনা পুস্তক** ৬:২৪ যিহোৱাই তোমালোকক আশীৰ্ব্বাদ কৰি ৰাখক। ৬:২৫ যিহোৱাই তেওঁৰ নিজ পোহৰৰে তোমালোকক উজ্জ্বল কৰি ৰাখক আৰু তোমালোকৰ প্ৰতি দয়ালু হওঁক। ৬:২৬ যিহোৱাই তোমালৈ দৃষ্টি কৰক আৰু তোমাক শান্তি দান কৰক।'

**দ্বিতীয় বিবৰণ** ১৮:১৮ মই তেওঁলোকৰ ভাইসকলৰ মাজৰ পৰা তেওঁলোকৰ কাৰণে তোমাৰ দৰে এজন ভাববাদী উৎপন্ন কৰিম। তেওঁৰ মুখেৰেই মই মোৰ কথা ক'ম আৰু মই যি সকলো কবলৈ তেওঁক আজ্ঞা দিম, তেওঁ তাকে ক'ব। ১৮:১৯ সেই ভাৱবাদীয়ে মোৰ নামেৰে এই যি কথা ক'ব, কোনোৰে যদি মোৰ সেই কথা নুশুনে, তেন্তে মই নিজে তেওঁৰ পৰা তাৰ হিচাপ ল'ম।

**যোশুয়া** ১:৭ মোৰ দাস মোচিয়ে তোমাক আজ্ঞা কৰা গোটেই ব্যৱস্থা সাৱধানে পালন কৰি সেই মতে কাৰ্য কৰিবলৈ, মথোন তুমি বলৱান আৰু অতিশয় সাহসিয়াল হোৱা; তুমি যি যি ঠাইলৈ যোৱা, সেই সকলো ঠাইতে কৃতকাৰ্য্য হ'বৰ কাৰণে তুমি সেই ব্যৱস্থাৰ পৰা সোঁ কি বাওঁহাতে নুঘূৰিবা। ১:৮ এই বিধান-পুস্তক খনৰ কথা তোমাৰ মুখৰ পৰা কেতিয়াও আঁতৰি নাযাওঁক; কিন্তু ইয়াতে থকা আটাইখিনি কথাকে পালন কৰি সেই মতে কাৰ্য কৰিবলৈ তুমি দিনে-ৰাতিয়ে ইয়াক ধ্যান কৰা; কিয়নো ইয়াকে কৰিলে তোমাৰ শুভগতি হ'ব আৰু তুমি কৃতকাৰ্য্য হ'বা। ১:৯ মই তোমাক আজ্ঞা দিয়া নাই নে? বলৱান আৰু সাহিয়াল হোৱা! ত্ৰাসিত বা ব্যাকুল নহ'বা; কিয়নো তুমি যি যি ঠাইলৈ যাবা, সেই সকলো ঠাইতে তোমাৰ ঈশ্বৰ যিহোৱা তোমাৰ লগত থাকিব।"

**বিচাৰকচৰিত** ২:৭ যিহোচুৱা যিমান দিন জীয়াই আছিল, সিমান দিনলৈকে ইস্ৰায়েলবাসীয়ে যিহোৱাৰ সেৱা কৰিছিল। যিহোচূৱাৰ মৃত্যুৰ পাছত যিসকল বৃদ্ধলোক জীৱিত আছিল, তেওঁলোকেও নিজৰ জীৱনকালত যিহোৱাৰ সেৱা কৰিছিল। ইস্ৰায়েলৰ লোকসকলৰ কাৰণে যিহোৱাই যি যি মহৎ কৰ্ম কৰিছিল; সেইসকলো কৰ্ম এই বৃদ্ধলোক সকলে দেখিছিল।

**ৰূথ** ১:১৬ কিন্তু ৰূথে ক'লে, "আপোনাক এৰি আপোনাৰ ওচৰৰ পৰা যাবলৈ মোক নকব৷ কিয়নো, আপুনি য'লৈকে যাই, ময়ো তালৈকে যাম, আৰু আপুনি য'ত থাকিব, মইয়ো তাতে থাকিম, আপোনাৰ লোকসকলে মোৰ লোক হ'ব, আৰু আপোনাৰ ঈশ্বৰেই মোৰো ঈশ্বৰ হ'ব৷ ১:১৭ আপোনাৰ যি ঠাইত মৃত্যু হ'ব, মোৰো সেই ঠাইতে মত্যু হ'ব, আৰু তাতেই মোৰ মৈদামো হ'ব; কেৱল মৃত্যুৰ বাহিৰে আন কোনোৱে যদি মোক আপোনাৰ পৰা পৃথক কৰিব পাৰে, তেন্তে যিহোৱাইহে মোক অধিক দণ্ড দিয়ক।"

**১ চামুয়েল** ১৬:৭ কিন্তু যিহোৱাই চমূৱেলক ক'লে, "তুমি তেওঁৰ বাহ্যিকতালৈ বা উচ্চতালৈ দৃষ্টি নকৰিবা; কাৰণ মই তেওঁক অগ্ৰাহ্য কৰিলোঁ। কাৰণ মানুহে যেনেকৈ চাই যিহোৱাই তেনেকৈ নাচায়; কাৰণ মানুহে, যি দেখা পায়, তালৈ চায়, কিন্তু যিহোৱাই মানুহৰ অন্তৰলৈ চায়।"

**২ চামুয়েল** ৭:২২ এই হেতুকে হে ঈশ্বৰ যিহোৱা, তুমি মহান৷ কিয়নো আমি নিজ কাণে যি যি শুনিলোঁ, সেই সকলোৰ দৰে তোমাৰ তুল্য কোনো নাই। আৰু তোমাত বাজে আৰু কোনো ঈশ্বৰ নাই।

**১ ৰাজাবলি** ২:৩ তোমাৰ ঈশ্বৰ যিহোৱাৰ আজ্ঞাবোৰ পালন কৰা আৰু তেওঁৰ পথত চলিবা আৰু তেওঁৰ, তেওঁৰ সকলো বিধি, আজ্ঞা, সিদ্ধান্ত আৰু তেওঁৰ নিয়ম-চুক্তিবোৰ সাৱধানে পালন কৰিবা। যি বিষয়বোৰ মোচিৰ ব্যৱস্থা-পুস্তকত লিখা আছে, তেনেদৰে তেওঁৰ বিধি, আজ্ঞা, শাসন-প্ৰণালী আৰু সাক্ষ্য অনুসাৰে কাৰ্য কৰিবা আৰু সেই সেয়েহে তুমি যেন সকলো কাৰ্যত আৰু যি যি ঠাইত যাবা সেই সকলোতে তুমি শান্তিপ্ৰাপ্ত হ'বা,

**২ ৰাজাবলি** ২২:১৯ তোমাৰ অন্তৰ কোমল আছিল কাৰণে যেতিয়া তুমি মই এই ঠাই আৰু ইয়াৰ লোকসকলৰ বিৰুদ্ধে কোৱা ধ্বংস আৰু শাওৰ কথা শুনিলা, তেতিয়া তুমি যিহোৱাৰ সন্মুখত নম্ৰ থ'লো; নিজৰ কাপোৰ ফালি মোৰ সন্মুখত কান্দি শোক কৰিলা; সেয়ে ময়ো তোমাৰ প্ৰাৰ্থনা শুনিলো' - যিহোৱাই এই কথা প্ৰকাশ কৰিলে।

**১ বংশাবলি** ২৯:১৭ হে মোৰ ঈশ্বৰ, মই এইয়াও জানো যে, আপুনি হৃদয়ৰো পৰীক্ষা কৰে আৰু সৰলতাত সন্তোষ পায়। মই হ'লে মোৰ মনৰ সৰলতাতহে নিজ ইচ্ছাৰে এই সকলো বস্তু দান দিলোঁ, আৰু এতিয়া এই ঠাইত উপস্থিত হোৱা আপোনাৰ লোকসকলেও নিজ ইচ্ছাৰে আপোনাৰ উদ্দেশে দান দিয়া দেখি মই আনন্দিত হৈছোঁ।

**২ বংশাবলি** ৭:১৪ তেনেহ'লে মোৰ নামেৰে প্ৰখ্যাত হোৱা মোৰ প্ৰজাসকলে যদি নিজকে নম্ৰ কৰি প্ৰাৰ্থনা কৰে আৰু মোৰ সাক্ষাৎ হবলৈ বিচাৰে বা নিজ নিজ কু-পথৰ পৰা ঘূৰে, তেনেহ'লে মই স্বৰ্গৰ পৰা শুনি তেওঁলোকৰ পাপবোৰ ক্ষমা কৰিম আৰু তেওঁলোকৰ দেশ আৰোগ্য কৰিম।

**এজৰা** ৭:১০ ইজ্ৰা যিহোৱাৰ বিধান-পুস্তকৰ আজ্ঞাবোৰ অধ্যয়ন আৰু পালন কৰিবলৈ, বিধান-প্ৰণালী আৰু আজ্ঞাবোৰ শিকাবলৈ নিজৰ মন স্থিৰ কৰিলে।

**নেহেমিয়া** ৬:৩ মই তেওঁলোকলৈ বাৰ্ত্তাবাহকক কৈ পঠিয়ালোঁ, "মই এটা ডাঙৰ কাম কৰি আছোঁ, আৰু মই তললৈ নামি যাব নোৱাৰোঁ। এই কাম এৰি বা এই কাম বন্ধ কৰি মই কিয় আপোনালোকৰ ওচৰলৈ যাম?"

**এস্থাৰ** ৪:১৪ যদি তুমি এই সময়ত নিজম দি থকা, তেনেহলে যিহুদী লোকসকলক সহায় আৰু উদ্ধাৰ কৰিবলৈ আন কোনো ঠাইৰ পৰা কোনো এজন আহিব; কিন্তু তুমি আৰু তোমাৰ পিতৃ-বংশ বিনষ্ট হ'ব। কোনে জানে এই বিপদৰ সময়ৰ বাবেই হয়তু তুমি ৰাণী পদ পাইছা?"

**যোব** ১৯:২৫ কিন্তু মই হ'লে জানো, মোৰ মুক্তিদাতা জীয়াই আছে, শেষত তেওঁ পৃথিৱীৰ ওপৰত উঠি থিয় হ'ব।

**সামসঙ্গীত** ২৩:১ যিহোৱা মোৰ ৰক্ষক, মোৰ অভাৱ নহব। ২৩:২ তেওঁ মোক কুমলীয়া ঘাঁহনি পথাৰত শুৱায়; আৰু য'ত শান্তি আছে, এনে পানীৰ কাষে কাষে মোক চলায়। ২৩:৩ তেওঁ মোৰ প্ৰাণ পুনৰায় সুস্থ কৰে; নিজ নামৰ নিমিত্তে তেওঁ মোক ধৰ্মপথত চলায়। ২৩:৪ এনে কি, মই মৃত্যুছায়াৰ উপত্যকায়েদি চলিলেও, মই কোনো আপদলৈ ভয় নকৰোঁ, কিয়নো তুমি মোৰ সঙ্গত আছা; তোমাৰ লাখুটি আৰু লাঠিয়ে মোক শান্তনা দিয়ে। ২৩:৫ তুমি মোৰ শত্ৰুবোৰৰ সাক্ষাতে মোৰ সন্মুখত মেজ সজাইছা; তুমি মোৰ মূৰ তেলেৰে তিয়াইছা; মোৰ পান-পাত্ৰ উপচি পৰিছে। ২৩:৬ অৱশ্যে মঙ্গল

আৰু দয়া আয়ুসৰ সকলো কালত মোৰ পাছত যাওঁতা হ'ব, আৰু মই চিৰকাললৈকে যিহোৱাৰ গৃহত বাস কৰিবলৈ পাম।

**প্ৰবচন** ৩:৫ তুমি সমস্ত মনেৰে সৈতে যিহোৱাক বিশ্বাস কৰা; আৰু তোমাৰ নিজৰ বিবেচনাত তুমি নিৰ্ভৰ নকৰিবা। ৩:৬ তোমাৰ সকলো পথত তেওঁক স্বীকাৰ কৰিবা, আৰু তেওঁ তোমাৰ পথবোৰ পোন কৰিব।

**উপদেশক** ৩:১০ ঈশ্বৰে মনুষ্যক সম্পূৰ্ণ কৰিবলৈ যি কাম দিছে, তাক মই দেখিলোঁ। ৩:১১ নিজ নিজ উপযুক্ত সময়ৰ বাবে ঈশ্বৰে সকলোবোৰ ঠিক কৰি ৰাখিছে। তেওঁ মানুহৰ হৃদয়বোৰত অনন্ত কাল ৰাখিছে। তথাপিও আদিৰ পৰা অন্তলৈকে ঈশ্বৰে যি যি কাম কৰিছে মানুহে তাক বুজিব পৰা নাই।

**পৰম গীত** ২:৪ তেওঁ মোক ভোজৰ ঘৰলৈ লৈ গ'ল, আৰু প্ৰেমেই হ'ল মোৰ ওপৰত তেওঁৰ নিচান।

**ইসাইয়া** ৯:৬ কাৰণ আমালৈ এটি লৰা জন্মিল, আমালৈ এটি পুত্ৰ দান কৰা হ'ল; আৰু তেওঁৰ কান্ধত শাসন ভাৰ অৰ্পিত হ'ব, আৰু তেওঁ আশ্চৰ্য পৰামৰ্শদাতা, পৰাক্ৰমী ঈশ্বৰ, অন্তকালস্থায়ী পিতৃ, আৰু শান্তিৰাজ নামে প্ৰখ্যাত হ'ব। ৯:৭ দায়ূদৰ সিংহাসন আৰু তেওঁৰ ৰাজ্যৰ ওপৰত শাসন কৰোঁতে তাক সুস্থিৰ আৰু দৃঢ় কৰিবলৈ, এই সময়ৰ পৰা চিৰকাললৈকে ন্যায় আৰু ধাৰ্মিকতাৰ সৈতে ৰাজ্যত তেওঁৰ শাসন আৰু শান্তি বৃদ্ধি হৈ থাকিব। বাহিনীসকলৰ যিহোৱাৰ আগ্ৰহে ইয়াক সিদ্ধ কৰিব।

**যেৰেমিয়া** ১:৪ এদিনাখন যিহোৱাই এই বাক্য মোলৈ দিছিল: ১:৫ বোলে, "তোমাৰ মাতৃৰ গৰ্ভত তোমাক নিৰ্ম্মাণ কৰাৰ আগতে মই তোমাক জানিলোঁ। আৰু তুমি গৰ্ভৰ পৰা বাহিৰ হোৱা আগতে মোৰ গৌৰৱৰ অৰ্থেই মই তোমাক পৃথক কৰিলোঁ; আৰু মই তোমাক মোৰ ভাববাদী হবলৈ নিযুক্ত কৰিলোঁ গোটেই জাতিবোৰৰ বাবে।" ১:৬ তেতিয়া মই ক'লোঁ, "হায় হায় মোৰ প্ৰভু যিহোৱা, আপুনি বুজা নাই নে, যে আপোনাৰ কাৰণে কথা কবলৈ মই যোগ্য নহওঁ? কিয়নো মই নিচেই ডেকা!" ১:৭ যিহোৱাই উত্তৰ দি ক'লে, "তুমি এনে কথা নকবা, কিয়নো, মই তোমাক যিসকলৰ ওচৰলৈ পঠিয়াম, তেওঁলোকৰ প্ৰত্যেকজনৰ গুৰিলৈ তুমি যাবই লাগিব, আৰু তোমাক যি যি আজ্ঞা কৰিম, সেই সকলোকে তুমি তেওঁলোকক কবই লাগিব। ১:৮ তুমি যিসকলক কথা ক'বা, তেওঁলোকলৈ ভয় নকৰিবা, কিয়নো তেওঁলোকৰ দ্বাৰাই অনিষ্ট হোৱাৰ পৰা মই তোমাক সুৰক্ষা দিম। আৰু এইয়া নিশ্চয়কে ঘটিব, কিয়নো মই যিহোৱাই ইয়াকে ক'লো। ১:৯ তেতিয়া যিহোৱাই নিজ হাত মেলি মোৰ মুখ স্পৰ্শ কৰিলে আৰু মোক ক'লে, চোৱা, মই মোৰ বাক্য তোমাৰ মুখত দিলোঁ; ১:১০ চোৱা, উঘালিবলৈ আৰু ভাঙিবলৈ, বিনষ্ট কৰিবলৈ আৰু উৎপাত কৰিবলৈ, সাজিবলৈ আৰু ৰুবলৈ, জাতিবোৰৰ আৰু ৰজাসকলৰ ওপৰত মই আজি তোমাক নিযুক্ত কৰিলোঁ।

**বিলাপ-গাথা** ৩:২১ কিন্তু মোৰ মনত ইয়াক পুনৰায় সোঁৱৰণ কৰোঁ, এই হেতুকে মোৰ আশা আছে। ৩:২২ আমি যে সম্পূৰ্ণ শেষ নহলোঁ, এইটোৱে যিহোৱাৰ বিশ্বাসযোগ্য নিয়ম; কিয়নো তেওঁৰ কৰুণাময় কাৰ্যৰ শেষ নাই! ৩:২৩ তেওঁৰ কৰুণাময় কাৰ্য প্ৰতি প্ৰভাততে নতুন হয়; তোমাৰ বিশ্বস্ততা মহৎ!

**এজেকিয়েল** ৩৬:২৬ মই তোমালোকক এক নতুন হৃদয় দিম, আৰু তোমালোকৰ অন্তৰত এক নতুন আত্মা স্থাপন কৰিম; আৰু মই তোমালোকৰ শৰীৰৰ পৰা শিলৰূপ মন গুচাই তোমালোকক মাংসৰূপ মন দিম। ৩৬:২৭ আৰু মই তোমালোকৰ অন্তৰত মোৰ আত্মা স্থাপন কৰি, তোমালোকক মোৰ বিধিবোৰত চলাম; তাতে তোমালোকে মোৰ শাসন প্ৰণালীবোৰ পালন কৰি সেই মতে কাৰ্য কৰিবা।

**দানিয়েল** ৩:১৬ তেতিয়া চদ্ৰক, মৈচক আৰু অবেদ-নেগোৱে ৰজাক উত্তৰ দি ক'লে, "হে নবূখদনেচৰ, আপোনাক এই বিষয়ে উত্তৰ দিয়া আমাৰ একো প্ৰয়োজন নাই। ৩:১৭ ইয়াৰ উত্তৰ যদি আছে, তেনেহ'লে মহাৰাজ, আমি যি জনাৰ সেৱা কৰোঁ, আমাৰ সেই ঈশ্বৰে প্ৰজ্বলিত অগ্নিকুণ্ডৰ পৰা আমাক ৰক্ষা কৰিবলৈ সমৰ্থ, আৰু তেওঁ আমাক আপোনাৰ হাতৰ পৰা উদ্ধাৰ কৰিব পাৰে। ৩:১৮ কিন্তু যদি উদ্ধাৰ নকৰেও, তথাপিও হে মহাৰাজ, আপোনাক জনাওঁ যে, আমি আপোনাৰ দেৱতাবোৰক সেৱা নকৰোঁ, আৰু আপুনি স্থাপন কৰা সোণৰ মূৰ্তিক সাষ্টাঙ্গে প্ৰণিপাত নকৰোঁ।"

**হোচেয়া** ৬:৬ কিয়নো মই বলিদান নিবিচাৰোঁ, বিশ্বাসপূৰ্ণ প্ৰেমহে বিচাৰো; মই বিচাৰো মানুহে যেন হোম-বলিতকৈ ঈশ্বৰ-বিষয়ক জ্ঞান অধিককৈ লাভ কৰে।

**যোয়েল** ২:২৮ তাৰ পাছতে মই গোটেই মনুষ্যজাতিৰ ওপৰত মোৰ আত্মা বাকি দিম, তাতে তোমালোকৰ পো-জীসকলে ভাববাণী প্ৰচাৰ কৰিব। তোমালোকৰ বৃদ্ধসকলে সপোন দেখিব, আৰু তোমালোকৰ যুৱক-যুৱতীসকলে দৰ্শন পাব। ২:২৯ আৰু দাস-দাসীসকলৰ ওপৰতো সেই কালত মোৰ আত্মা বাকি দিম। ২:৩০ মই তেজ, অগ্নি,

ধূঁৱাস্তম্ভৰে আকাশ-মণ্ডল আৰু পৃথিৱীত অদ্ভুত লক্ষণ দেখুৱাম। ২:৩১ যিহোৱাৰ সেই মহৎ আৰু ভয়ানক দিন অহাৰ আগেয়ে সূৰ্য অন্ধকাৰত পৰিণত হ'ব, আৰু চন্দ্ৰ তেজলৈ পৰিৱৰ্তন হ'ব। ২:৩২ যিকোনোৱে যিহোৱাৰ নাম ল'ব, তেওঁ উদ্ধাৰ পাব। কিয়নো যিহোৱাই এইদৰে কৈছে, 'পৰিত্ৰাণ আৰু ৰক্ষা পোৱাসকলৰ মাজৰ পৰা পৰিত্ৰাণ পোৱা আৰু ৰক্ষা পোৱাসকলৰ মাজৰ পৰা যিহোৱাই যিসকলক আহ্বান কৰিলে।

**আমোস** ৫:২৪ কিন্তু ন্যায়বিচাৰ পানীৰ নিচিনাকৈ আৰু ধাৰ্মিকতা অবিৰামে বৈ থকা নদীৰ নিচিনাকৈ বৈ যাওঁক।

**ওবাদিয়া** ১:১৫ যিহোৱাৰ দিন দেশবাসী সকলৰ বাবে ওচৰ চাপিছে। তুমি কৰাৰ দৰেই, তোমালৈ কৰা হ'ব, আৰু তুমি কৰা কাৰ্যৰ প্ৰতিফল তোমাৰ মূৰত পৰিব।

**যোনা** ২:৬ মই ডুবি গৈ পৰ্ব্বতবোৰৰ মূল পৰ্যন্ত নামি গ'লোঁ; নিজৰ ডাংবোৰেৰে পৃথিৱীয়ে মোক চিৰকাললৈকে আটক কৰিলে; কিন্তু, হে মোৰ ঈশ্বৰ যিহোৱা, আপুনি সেই গাতৰ পৰা মোক উঠাই আনিলে। ২:৭ মোৰ প্ৰাণ যেতিয়া মোৰ অন্তৰত ব্যাকুল হ'ল, মই যিহোৱাক সোঁৱৰণ কৰিলোঁ আৰু মোৰ প্ৰাৰ্থনা আপোনাৰ ওচৰত আপোনাৰ পবিত্ৰ মন্দিৰত উপস্থিত হ'ল। ২:৮ যিসকলে অসাৰ দেৱতাবোৰক মানে, তেওঁলোকে আপোনাৰ যি বিশ্বস্ততা, তাক অৱহেলা কৰে। ২:৯ কিন্তু মই হ'লে স্তুতি-ধন্যবাদেৰে আপোনাৰ উদ্দেশ্যে বলি উৎসৰ্গ কৰিম; মই কৰা সংকল্প সিদ্ধ কৰিম; পৰিত্ৰাণ যিহোৱাৰ পৰাই আহে!"

**মিখা** ৬:৮ হে মনুষ্য, যিহোৱাই যি ভাল, সেই বিষয়ে তোমালোকক কৈছিল; আৰু যিহোৱাই তোমালোকৰ পৰা এইবোৰ বিচাৰে: ন্যায়ৰূপ কাৰ্য কৰা, দয়াশীলতাক ভাল পোৱা, আৰু তোমালোকে ঈশ্বৰৰ সৈতে নম্ৰভাৱে চলা।

**নাহুম** ১:২ যিহোৱা নিজ মৰ্য্যদা ৰখাত উদ্যোগী আৰু প্ৰতিকাৰ সাধোতা ঈশ্বৰ; যিহোৱা প্ৰতিকাৰ সাধোতা আৰু ক্ৰোধেৰে পৰিপূৰ্ণ; যিহোৱাই তেওঁৰ নিজ বিৰোধী সকলৰ ওপৰত প্ৰতিকাৰ সাধে আৰু নিজ শত্ৰুবোৰৰ কাৰণে ক্ৰোধ ৰাখে। ১:৩ যিহোৱা ক্ৰোধত ধীৰ আৰু পৰাক্ৰমত মহান; কিন্তু তেওঁ দোষীক কোনো মতেই নিৰ্দ্দোষী ঘোষণা নকৰে; বা-মাৰলী আৰু ধুমুহা হ'ল যিহোৱাৰ পথ আৰু মেঘ তেওঁৰ ভৰিৰ ধূলিস্বৰূপ।

**হাবাকুক** ৩:১৭ যদিও ডিমৰু গছত কলি হোৱা নাই, আৰু তাত দ্ৰাক্ষালতাৰ পৰা গুটি উৎপন্ন হোৱা নাই, যদিও জিত গছৰ উৎপন্নই হতাশ কৰিছে, আৰু পথাৰবোৰত শস্য উৎপন্ন হোৱা নাই, যদিও গঁৰালৰ পৰা মেৰ-ছাগৰ জাকক উচ্ছন্ন কৰা হৈছে, আৰু গোহালিত এটাও গৰু নাই, ৩:১৮ তথাপিও মই যিহোৱাত আনন্দ কৰিম, মোৰ ত্ৰাণকৰ্ত্তা ঈশ্বৰত মই উল্লাস কৰিম। ৩:১৯ প্ৰভু যিহোৱা মোৰ বল; আৰু তেওঁ মোৰ ভৰি হৰিণীৰ ঠেঙৰ দৰে কৰিছে, আৰু মোৰ ওখ ঠাইবোৰত মোক চলাই লৈ যাব। সংগীত পৰিচালকলৈ; মোৰ তাৰযুক্ত বাদ্যেৰে।

**জেফানিয়া** ৩:১৭ তোমাৰ ঈশ্বৰ যিহোৱা তোমাৰ মাজত আছে; সেই পৰাক্ৰমীজনে তোমাক ৰক্ষা কৰিব; তেওঁ আনন্দেৰে সৈতে তোমাৰ বিষয়ে উল্লাস কৰিব; তেওঁ তেওঁৰ গভীৰ প্ৰেমেৰে সৈতে তোমাৰ বিষয়ে নীৰব হ'ব। তেওঁ গানেৰে সৈতে তোমাৰ বিষয়ে আনন্দ কৰিব।

**হগয়** ১:৪ "তোমাৰ বাবে এইটোৱেই সময় যে, তুমি তোমাৰ সম্পূৰ্ণ হোৱা ঘৰত বাস কৰা। যিহেতু এই ঘৰ ধ্বংস হৈছিল।" ১:৫ সেয়ে এতিয়া বাহিনীসকলৰ যিহোৱাই এই কথা কৈছে: তোমালোকৰ পথ বিবেচনা কৰা! ১:৬ তোমালোকে অধিক গুটি সিঁচিছিলা, কিন্তু অলপহে চপালা; তোমালোকে খোৱা, কিন্তু তোমালোকৰ যথেষ্ট পৰিমাণে নাথাকে; তোমালোকে পান কৰা, কিন্তু মতলীয়া নোহোৱা; তোমালোকে বস্ত্ৰ পিন্ধা, কিন্তু তোমালোকে উম নোপোৱা; উপাৰ্জকে উপাৰ্জন কৰা ধন কেৱল বিন্ধা থকা মোনাত থ'বলৈ উপাৰ্জন কৰে!' ১:৭ বাহিনীসকলৰ যিহোৱাই এই কথা কৈছে: 'তোমালোকৰ পথ বিবেচনা কৰা!

**জাখাৰিয়া** ১২:১০ আৰু দায়ূদ-বংশৰ আৰু যিৰূচালেম নিবাসীসকলৰ ওপৰত মই অনুগ্ৰহ আৰু মিনতিৰ কাৰণে আত্মা বাকি দিম; তেতিয়া তেওঁলোকে মোক যি দৰে বিন্ধিছিল, সেই বিষয়ে তেওঁলোকে চাব। একেটি পুত্ৰৰ কাৰণে বিলাপ কৰা নিচিনাকৈ তেওঁলোকে তেওঁৰ কাৰণে বিলাপ কৰিব আৰু প্ৰথমে জন্মা পুত্ৰৰ বিয়োগত মানুহে বেজাৰ পোৱাৰ দৰে তেওঁলোকে তেওঁৰ কাৰণে মনত বেজাৰ পাব।

**মালাখি** ৪:২ কিন্তু মোৰ নামত ভয় ৰাখোঁতা যি তোমালোক, তোমালোকৰ প্ৰতি ধাৰ্মিকতাৰূপ সূৰ্য উদিত হ'ব, যাৰ কিৰণ সুস্থতাদায়ক; তোমালোকে বাহিৰ হৈ গোহালিৰ পৰা মুকলি হোৱা দামুৰিৰ নিচিনাকৈ ডেও দিবা। ৪:৩ তোমালোকে দুষ্ট লোকসকলক গচকিবা; মই এই কাৰ্য কৰাৰ দিনা তেওঁলোক তোমালোকৰ ভৰিৰ তলত থকা ছাঁই যেন হ'ব।" ইয়াক বাহিনীসকলৰ যিহোৱাই কৈছে।

**মথি** ২৮:১৮ তেতিয়া যীচুৱে ওচৰলৈ আহি তেওঁলোকক ক'লে, "বোলে, স্বৰ্গত আৰু পৃথিৱীত সকলো অধিকাৰ মোক দিয়া হ'ল। ২৮:১৯ এই হেতুকে, তোমালোক যোৱা; আৰু সকলো জাতিকে শিষ্য কৰি, পিতৃ, পুত্ৰ আৰু পবিত্ৰ আত্মাৰ নামেৰে তেওঁলোকক বাপ্তাইজ কৰা; ২৮:২০ মই যি যি আজ্ঞা তোমালোকক দিলোঁ, সেই সকলোকে পালন কৰিবলৈ তেওঁলোকক শিক্ষা দিয়া; আৰু চোৱা, জগতৰ শেষলৈকে মই সদায় তোমালোকৰ সঙ্গে সঙ্গে আছোঁ"। (aiōn g165)

**মাৰ্ক** ১:১৪ যোহনক বন্দীশালত থোৱাৰ পাছত যীচু গালীল দেশলৈ গ'ল আৰু ঈশ্বৰৰ শুভবাৰ্তা ঘোষণা কৰিলে৷ ১:১৫ যীচুৱে প্ৰচাৰ কৰিলে আৰু ক'লে, "কাল সম্পূৰ্ণ হ'ল, আৰু ঈশ্বৰৰ ৰাজ্য ওচৰ হ'ল৷ তোমালোকে মন-পালটন কৰা আৰু শুভবাৰ্তাত বিশ্বাস কৰা"। ১:১৬ পাছত তেওঁ গালীল সাগৰৰ তীৰেদি গৈ থাকোতে, চিমোন আৰু চিমোনৰ ভায়েক আন্দ্ৰিয়ক সাগৰত জাল বাই থকা দেখিলে; কিয়নো তেওঁলোক জালোৱা আছিল। ১:১৭ তেতিয়া যীচুৱে তেওঁলোকক ক'লে, "মোৰ পাছত আহা; মই তোমালোকক মানুহ ধৰা জালোৱা কৰিম"। ১:১৮ তেতিয়াই তেওঁলোকে জালবোৰ এৰি যীচুৰ পাছে পাছে গ'ল।

**লূক** ৪:১৮ "প্ৰভুৰ আত্মা মোৰ ওপৰত আছে, কিয়নো দৰিদ্ৰ সকলৰ আগত শুভবাৰ্তা প্ৰচাৰ কৰিবলৈ, তেওঁ মোক অভিষিক্ত কৰিলে। তেওঁ মোক বন্দীয়াৰ সকলৰ আগত মুক্তিৰ কথা আৰু অন্ধৰ আগত পুনৰায় দৃষ্টি পোৱাৰ কথা ঘোষণা কৰিবলৈ পঠালে। চেপা খোৱা সকলক মুকলি কৰিবলৈ পঠালে।

**যোহন** ৩:১৬ কাৰণ ঈশ্বৰে জগতক ইমান প্ৰেম কৰিলে যে, তেওঁ নিজৰ একমাত্ৰ পুত্ৰকে দান কৰিলে, যাতে যি কোনোৱে তেওঁত বিশ্বাস কৰে, তেওঁ নষ্ট নহয়, কিন্তু অনন্ত জীৱন পায়। (aiōnios g166) ৩:১৭ কিয়নো জগতক দোষী সাব্যস্ত কৰিবলৈ নহয়, কিন্তু জগতে তেওঁৰ দ্বাৰাই পৰিত্ৰাণ পাবলৈহে ঈশ্বৰে পুত্ৰক জগতলৈ পঠিয়ালে।

**পাঁচনি** ১:৭ তেতিয়া তেওঁলোকক তেওঁ ক'লে, "যি কাল আৰু সময় পিতৃয়ে নিজৰ ক্ষমতাৰ অধীনত ৰাখিছে, সেই বিষয়ে তোমালোকে জানিবলৈ নোপোৱা। ১:৮ কিন্তু যেতিয়া তোমালোকৰ ওপৰত পবিত্ৰ আত্মা আহিব, তেতিয়া তোমালোক আত্মাত শক্তিশালী হবা৷ তেতিয়া তোমালোকে যিৰূচালেম আদি কৰি গোটেই যিহুদীয়া, চমৰীয়া দেশত আৰু পৃথিৱীৰ সীমালৈকে মোৰ সাক্ষী হবা।"

**ৰোমীয়া** ১১:৩২ কিয়নো ঈশ্বৰে সকলোকে দয়া কৰিবৰ বাবে, সকলোকে অবাধ্যতাত বন্ধ কৰিলে। (eleēsē g1653) ১১:৩৩ ঈশ্বৰৰ জ্ঞান আৰু বুদ্ধিৰূপ ধন কেনে গভীৰ! তেওঁৰ বিচাৰবোৰ বোধৰ কেনে অগম্য! আৰু তেওঁৰ পথ অনুসন্ধান কৰা কেনে অসাধ্য! ১১:৩৪ "কিয়নো প্ৰভুৰ মন কোনে জানিলে? আৰু তেওঁৰ মন্ত্ৰণাকাৰীয়ে বা কোন হ'ল? ১১:৩৫ নতুবা কোনে ঈশ্বৰলৈ আগেয়ে দিলে যে, তাৰ বাবে তেওঁক প্ৰতিদান কৰিব লাগে?" ১১:৩৬ কিয়নো সকলো বস্তু তেওঁৰ পৰা, তেওঁৰ দ্বাৰাই আৰু তেওঁৰ কাৰণেই হয়; তেওঁৰেই মহিমা চিৰকাল হওক। আমেন। (aiōn g165)

**১ কৰিন্থীয়া** ৬:৯ যি সকলে অধৰ্ম আচৰণ কৰে তেওঁলোক যে ঈশ্বৰৰ ৰাজ্যৰ অধিকাৰী নহ'ব, সেই সেই বিষয়ে নাজানে নেকি? আপোনালোক ভ্ৰান্ত নহ'ব; যি সকল অনৈতিক যৌনাচাৰত ব্যভিচাৰী, অধৰ্মি, মূৰ্তিপূজক, পৰস্ত্ৰীগামী, পুৰুষ বেশ্যা, পুংমৈথুনী আদি অভ্যাসত লিপ্ত হয়, ৬:১০ যি সকল চোৰ, লুভীয়া, মতলীয়া, পৰনিন্দাকাৰক আৰু প্ৰতাৰক, তেওঁলোক ঈশ্বৰৰ ৰাজ্যৰ অধিকাৰী নহ'ব। ৬:১১ আপোনালোকো কোনো কোনো তেনেকুৱা লোক আছিল; কিন্তু এতিয়া আমাৰ প্ৰভু যীচু খ্ৰীষ্টৰ নামেৰে আৰু ঈশ্বৰৰ আত্মাৰে আপোনালোক ধৌত হ'ল, পবিত্ৰীকৃত হ'ল, আৰু ধাৰ্মিক বুলি গণিত হ'ল।

**২ কৰিন্থীয়া** ৫:১৭ এতেকে কোনো যদি খ্ৰীষ্টত আছে, তেনেহলে তেওঁ নতুন সৃষ্টি। পুৰণিবোৰ লুপ্ত হ'ল; চাওক, নতুন হ'ল। ৫:১৮ কিন্তু যি ঈশ্বৰে খ্ৰীষ্টৰ দ্বাৰাই তেওঁৰে সৈতে আমাক মিলন কৰালে আৰু সেই মিলনৰ পৰিচৰ্যা পদ আমাক দিলে; সেই ঈশ্বৰৰ পৰাই এই সকলো হয়। ৫:১৯ সেই মিলনৰ কথা এই, ঈশ্বৰে খ্ৰীষ্টত জগত খনক মিলন কৰিলে, তেওঁলোকৰ পাপময় বাধাবোৰ গণনা নকৰিলে; আৰু সেই মিলনৰ বাৰ্তা আমাক গতাই দিলে। ৫:২০ এতেকে ঈশ্বৰে আমাক ৰাজদূত পাতি, আমাৰ দ্বাৰাই মিনতি কৰোঁৱাৰ দৰে আমি খ্ৰীষ্টৰ কাৰণে ৰাজদূতৰ কৰ্ম কৰিছোঁ৷ খ্ৰীষ্টৰ হৈ এই বিনয় কৰোঁ: "আপোনালোকে ঈশ্বৰৰ সৈতে মিলন হওক!" ৫:২১ তেওঁ আমাক খ্ৰীষ্টত ঈশ্বৰীয় ধাৰ্মিকতা স্বৰূপ হ'বলৈ, পাপ নকৰা জনকে পাপী কৰি, তেওঁকে আমাৰ পাপৰ বাবে ক্ৰুচত বলি স্বৰূপে উৎসৰ্গ কৰিলে।

**গালাতীয়া** ১:৬ খ্ৰীষ্টৰ অনুগ্ৰহত যি জনে আপোনালোকক আমন্ত্ৰণ কৰিলে, আপোনালোক ইমান সোনকালে তেওঁৰ পৰা অন্যবিধ শুভবাৰ্তালৈ ঘূৰি গৈছে দেখি মই আচৰিত মানিছো। ১:৭ আচলতে কোনো অন্য শুভবাৰ্তা নাই। কিন্তু কিছুমান লোক আছে, যি সকলে আপোনালোকক বিভ্ৰান্ত কৰে আৰু খ্ৰীষ্টৰ শুভবাৰ্তা বিকৃত কৰিবলৈ বিচাৰে।

**ইফিচীয়া** ২:১ পূর্বতে আপোনালোক নিজ অপৰাধ আৰু পাপবোৰত মৰি আছিল। ২:২ এইবোৰৰ সৈতে আপোনালোকে জীৱন-যাপন কৰি জগতৰ নিয়ম অনুসাৰে চলি আছিল। আপোনালোকে আকাশৰ মন্দ শক্তিৰ অধিকাৰীৰ অনুসৰণকাৰী হৈ, অবাধ্যতাৰ সন্তান সকলৰ জীৱনত কাৰ্য কৰি থকা অশুচি আত্মাৰ দৰে চলি আছিল। **(aiōn g165)** ২:৩ আমি সকলোৱেই এসময়ত মাংস আৰু মনৰ ইচ্ছাৰে কাৰ্য কৰিছিলোঁ আৰু আমাৰ মাংসিক কু-অভিলাষবোৰৰ কামনা পূৰ্ণ কৰি সেই বিশ্বাসবিহীন লোক সকলৰ মাজত জীয়াই আছিলোঁ। আমিও আন সকলোৰে নিচিনা, স্বভাৱতে ঈশ্বৰৰ ক্ৰোধৰ সন্তান আছিলোঁ। ২:৪ কিন্তু দয়া ধনেৰে ধনৱান ঈশ্বৰে যি মহা প্ৰেমেৰে আমাক প্ৰেম কৰিলে, ২:৫ তাৰ কাৰণে আমি অপৰাধত মৰি থকা কালতেই, খ্ৰীষ্টৰ সৈতে তেওঁ আমাক নতুন জীৱন দিলে; অনুগ্ৰহেৰে আপোনালোকে পৰিত্ৰাণ পালে; ২:৬ তেওঁ আমাক খ্ৰীষ্ট যীচুৰ সৈতে তুলিলে আৰু খ্ৰীষ্ট যীচুৰ সৈতে স্বৰ্গীয় ঠাইবোৰত বহুৱালে। ২:৭ ঈশ্বৰে এই কাম কৰিলে, যাতে খ্ৰীষ্ট যীচুত আমাৰ বাবে তেওঁৰ যি স্নেহ, তাৰ দ্বাৰাই যেন ভাবী যুগত তেওঁৰ অনুগ্ৰহৰ মহা ধন যুগে যুগে প্ৰকাশ কৰিব পাৰে। **(aiōn g165)** ২:৮ কিয়নো অনুগ্ৰহৰ যোগেদি বিশ্বাসৰ দ্বাৰাই আপোনালোকে পৰিত্ৰাণ পালে; আৰু সেয়ে আমাৰ পৰা নহয়; কিন্তু সেয়া ঈশ্বৰৰহে এক দান। ২:৯ কোনেও যেন গৰ্ব কৰিব নোৱাৰে, সেয়ে কৰ্মৰ পৰাও নহয়। ২:১০ কিয়নো আমি ঈশ্বৰৰ কাৰিকৰী; যি সৎ কাম ঈশ্বৰে আমাৰ কাৰণে আগেয়ে প্ৰস্তুত কৰিলে, সেই পথত চলিবলৈ আৰু সৎ কাম কৰিবলৈ ঈশ্বৰে আমাক খ্ৰীষ্ট যীচুত সৃষ্টি কৰিলে।

**ফিলিপীয়া** ৩:৭ কিন্তু মোৰ পক্ষে যি যি লাভ আছিল, সেই সকলোকে খ্ৰীষ্টৰ কাৰণে মই মূল্যহীন যেন মানিলো; ৩:৮ মোৰ প্ৰভু খ্ৰীষ্ট যীচুৰ জ্ঞানৰ উত্তমতাৰ কাৰণে, মই সকলোকে মূল্যহীন যেনহে মানিছো; আৰু তেওঁৰ কাৰণে সকলোকে অগ্ৰাহ্য কৰিলোঁ, যাতে মই তেওঁক লাভ কৰিব পাৰোঁ৷ ৩:৯ আৰু এতিয়া মই তেওঁক বিচাৰি পালোঁ৷ মোৰ নিজ ধাৰ্মিকতা, বা বিধানৰ পৰা পোৱা ধাৰ্মিকতাৰে ধাৰ্মিক নহয়; ইয়াৰ পৰিৱৰ্তে মই খ্ৰীষ্টত বিশ্বাস কৰাৰ দ্বাৰাই ঈশ্বৰৰ পৰা পোৱা ধাৰ্মিকতাৰে, ধাৰ্মিক হলোঁ৷

**কলচীয়া** ১:১৫ সেই পুত্ৰ অদৃশ্য ঈশ্বৰৰ প্ৰতিমূৰ্তি৷ তেওঁ গোটেই সৃষ্টিৰ প্ৰথমজাত; ১:১৬ কিয়নো যি যি স্বৰ্গত আৰু পৃথিৱীত, দৃশ্য আৰু অদৃশ্য বস্তু আছে, সেই সকলোবোৰ তেওঁতেই সৃষ্ট হ'ল৷ সিংহাসন হওক বা প্ৰভুত্ব হওক, আধিপত্য হওক বা ক্ষমতা হওক, এই সকলোবোৰ তেওঁৰ দ্বাৰাই আৰু তেওঁৰ কাৰণে সৃষ্টি কৰা হ'ল৷ ১:১৭ তেওঁ সকলোৰে পূৰ্বৰ পৰা আছে আৰু সকলোবোৰ তেওঁৰেই নিয়ন্ত্ৰণত আছে৷ ১:১৮ তেৱেঁই হৈছে, তেওঁৰ শৰীৰ স্বৰূপ মণ্ডলীৰ মূৰ৷ তেৱেঁই প্ৰাথমিক প্ৰাধিকাৰী, তেওঁ আদি আৰু মৃত লোকৰ মাজৰ পৰা প্ৰথমজাত এই কাৰণে সকলো বিষয়তে তেওঁ অগ্ৰগণ্য হয়। ১:১৯ সেই কাৰণে ঈশ্বৰে আনন্দেৰে সিদ্ধান্ত ল'লে যে, তেওঁত সকলো সম্পূৰ্ণতা বাস কৰা উচিত; ১:২০ আৰু তেওঁৰ দ্বাৰাই সকলোবোৰ তেওঁৰে সৈতে মিলন সাধন কৰিলো৷ পৃথিৱীত থকা হওক বা স্বৰ্গত থকা হওক, তেওঁৰ ক্ৰুচৰ পুত্ৰৰ তেজৰ দ্বাৰাই শান্তি স্থাপন কৰিবলৈ ঈশ্বৰে সকলোতে ভাল দেখিলে।

**১ থিচলনীকীয়া** ৪:১ সৰ্বশেষত, হে প্ৰিয় ভাইসকল, ঈশ্বৰক সন্তুষ্ট কৰিবৰ কাৰণে কি ৰূপে জীৱন-যাপন কৰিব লাগে, এই বিষয়ে আপোনালোকে আমাৰ পৰা যি শিক্ষা গ্ৰহণ কৰিলে, সেইভাৱেই আপোনালোকে চলিছে। আমি প্ৰভু যীচুত থাকি আপোনালোকক উদগাওঁ আৰু পৰামৰ্শ দিওঁ, আপোনালোকে যেন অধিককৈ সেইভাৱে জীৱন-যাপন কৰে। ৪:২ কাৰণ প্ৰভু যীচুৰ অধিকাৰৰ দ্বাৰাই আমি আপোনালোকক কি কি পৰামৰ্শ দিছিলোঁ, সেই বিষয়ে আপোনালোকে জানে। ৪:৩ কিয়নো ঈশ্বৰৰ ইচ্ছা এই যে, আপোনালোক যেন পবিত্ৰ হয় অৰ্থাৎ সকলো ধৰণৰ ব্যভিচাৰৰ পৰা যেন দূৰৈত থাকে। ৪:৪ আপোনালোক প্ৰত্যেকে নিজৰ নিজৰ ভাৰ্যাৰ লগত কেনেদৰে পবিত্ৰতাৰে আৰু সন্মানজনক ভাৱে সহবাস কৰিব লাগে, সেই বিষয়ে জানে। ৪:৫ ঈশ্বৰক নজনা অনা-ইহুদী সকলৰ নিচিনা অবৈধ মাংসিক কামনাৰ বশত চলিব নালাগে।

**২ থিচলনীকীয়া** ৩:৬ ভাইসকল, আমি আমাৰ প্ৰভু যীচু খ্ৰীষ্টৰ নামেৰে আপোনালোকক এই আদেশ দিওঁ যে, কোনো ভায়ে যদি এলেহুৱা হৈ অনিয়মত চলে আৰু আমাৰ পৰা আপোনালোকে পোৱা শিক্ষা অনুসাৰে নচলে, তেনেহলে তাৰ লগ এৰক। ৩:৭ কিয়নো আমাৰ অনুকাৰী কেনেকৈ হ'ব লাগে, সেই বিষয়ে আপোনালোকে নিজে জানে। আপোনালোকৰ মাজত থকাৰ সময়ত আমি এলেহুৱা হৈ অনিয়মত চলা নাছিলোঁ; ৩:৮ মূল্য নিদিয়াকৈ আমি কাৰো আহাৰ গ্ৰহণ কৰা নাছিলোঁ। ইয়াৰ পৰিৱৰ্তে আমি আপোনালোকৰ ওপৰত বোজা নহবলৈ দিনে-ৰাতিয়ে পৰিশ্ৰম আৰু কষ্টেৰে কাম কৰিছিলোঁ৷ ৩:৯ ইয়াত আমাৰ যে ক্ষমতা নাই, এনে নহয়; কিন্তু আপোনালোক যেন আমাৰ অনুকাৰী হয়, তাৰ বাবে আপোনালোকৰ ওচৰত আমি আৰ্হি হবলৈহে ইয়াকে কৰিলোঁ। ৩:১০ কাম কৰিবলৈ যদি কোনোৱে অসন্মত হয়, তেনেহলে তেওঁ আহাৰো গ্ৰহন নকৰক, এই বুলি আপোনালোকৰ মাজত থাকোতেই, আমি আপোনালোকক আদেশ দিছিলোঁ।

**১ তীমথিয়** ২:১ মোৰ প্ৰথম নিবেদন এই যে, সকলোবোৰ মানুহৰ কাৰণে অনুৰোধ, প্ৰাৰ্থনা, নিবেদন আৰু ধন্যবাদ কৰা হওক৷ ২:২ ইয়াৰ বাবে ৰজা আৰু অধিকাৰী সকলৰ কাৰণে প্ৰাৰ্থনা কৰিব লাগে, যাতে আমি সকলো ঈশ্বৰভক্তই সততাত থাকি ক্ষান্ত আৰু শান্তিপূৰ্ণ জীৱন-যাপন কৰিব পাৰোঁ; ২:৩ এয়ে আমাৰ ত্ৰাণকৰ্তা ঈশ্বৰৰ দৃষ্টিত উত্তম আৰু গ্ৰহণীয়৷ ২:৪ তেওঁৰ ইচ্ছা এয়ে যে, সকলো মানুহে যেন পৰিত্ৰাণ আৰু সত্যৰ জ্ঞান পায়। ২:৫ কাৰণ ঈশ্বৰ এজন আৰু তেওঁৰ সৈতে মানুহৰ মাজত মধ্যস্থও এজন, তেৱেঁই মনুষ্য খ্ৰীষ্ট যীচু;

**২ তীমথিয়** ২:৮ মোৰ শুভবাৰ্তাৰ দৰে, মৃত লোকৰ মাজৰ পৰা তোলা, দায়ূদৰ বংশৰ যীচু খ্ৰীষ্টক সোঁৱৰণ কৰা৷ ২:৯ সেই শুভবাৰ্তাৰ সম্বন্ধে মই শিকলিৰ বন্ধনত থাকি দুষ্কৰ্মীৰ দৰে ক্লেশ ভোগ কৰিছোঁ। কিন্তু ঈশ্বৰৰ সেই বাক্যত হ'লে শিকলিৰ বন্ধন নাই। ২:১০ এই কাৰণে যি সকলক মনোনীত কৰা হ'ল অৰ্থাৎ তেওঁলোকেও অনন্ত গৌৰৱেৰে সৈতে যেন খ্ৰীষ্ট যীচুত থকা পৰিত্ৰাণ লাভ কৰিব পাৰে, তাৰ কাৰণে মই এই সকলোবোৰকে সহন কৰিছোঁ। **(aiōnios g166)**

**তীত** ২:১১ কিয়নো সকলো মানুহলৈ পৰিত্ৰাণ অনা ঈশ্বৰৰ অনুগ্ৰহ প্ৰকাশিত হ'ল; ২:১২ আৰু আমি ভক্তি লঙ্ঘন আৰু সাংসাৰিক অভিলাষ অস্বীকাৰ কৰি, গম্ভীৰ, ধাৰ্মিক আৰু সৎ ভাবেৰে এই বৰ্তমান সংসাৰত যেন জীৱন-যাপন কৰিব পাৰোঁ, তাৰ বাবে এই অনুগ্ৰহে আমাক এনে শিক্ষা দিছে। **(aiōn g165)** ২:১৩ এতিয়া আমি যেন পৰমধন্য আশা সিদ্ধিৰ অৰ্থে মহান ঈশ্বৰ আৰু ত্ৰাণকৰ্তা যীচু খ্ৰীষ্টৰ প্ৰতাপৰ আবিৰ্ভাৱৰ বাবে অপেক্ষা কৰি থাকো৷ ২:১৪ আমাক সকলো অধৰ্মৰ পৰা মুক্ত আৰু শুচি কৰিবলৈ যীচুৱে নিজকে উৎসৰ্গ কৰিলে, যাতে আমি মূল্যৱান ব্যক্তি সকলৰ দৰে সকলো সৎকৰ্মত উদ্যোগী হওঁ।

**ফিলীমন** ১:৩ আমাৰ পিতৃ ঈশ্বৰ আৰু প্ৰভু যীচু খ্ৰীষ্টৰ পৰা অনুগ্ৰহ আৰু শান্তি কামনা কৰিলোঁ। ১:৪ মোৰ প্ৰাৰ্থনাত মই তোমাৰ নাম উল্লেখ কৰি, সদায় মোৰ ঈশ্বৰৰ ধন্যবাদ দিওঁ, ১:৫ প্ৰভু যীচুৰ প্ৰতি তোমাৰ বিশ্বাস আৰু ঈশ্বৰৰ সকলো পবিত্ৰ লোকৰ প্ৰতি থকা তোমাৰ প্ৰেমৰ কথা শুনিবলৈ পালোঁ। ১:৬ তোমাৰ বিশ্বাসৰ সহভাগিতা যেন আমাৰ লগত থকা সকলো উত্তম বিষয়ৰ জ্ঞানত খ্ৰীষ্টৰ অৰ্থে কাৰ্যসাধক হয়, এনে প্ৰাৰ্থনা কৰোঁ। ১:৭ হে ভাই, তোমাৰ প্ৰেমত মই অতি আনন্দ আৰু সান্ত্বনা পালোঁ, কিয়নো তোমাৰ দ্বাৰা ঈশ্বৰৰ পবিত্ৰ লোক সকলৰ হৃদয় পুনৰাই সজীৱ কৰা হ'ল।

**ইব্ৰী** ১:১ পূৰ্বকালত ঈশ্বৰে ভাববাদী সকলৰ মাধ্যমেদি বহু বাৰ নানাভাৱে আমাৰ পূৰ্বপুৰুষ সকলৰ সৈতে কথা পাতিছিল। ১:২ কিন্তু এতিয়া এই শেষৰ দিনবোৰত ঈশ্বৰে তেওঁৰ পুত্ৰৰ দ্বাৰাই আমাৰ লগত কথা ক'লে; ঈশ্বৰে সেই পুত্ৰকেই সকলোৰে উত্তৰাধিকাৰী হবলৈ নিযুক্ত কৰিলে আৰু তেওঁৰ যোগেদি বিশ্ব-ব্ৰহ্মাণ্ড খনো সৃষ্টি কৰিলে। **(aiōn g165)** ১:৩ সেই পুত্ৰ ঈশ্বৰৰ গৌৰৱময় পোহৰ৷ ঈশ্বৰৰ সকলো গুণৰ পূৰ্ণ প্ৰতিবিম্ব; পুত্ৰই ঈশ্বৰৰ পৰাক্ৰম বাক্যৰ দ্বাৰাই সকলো ধৰি ৰাখিছে। সেই পুত্ৰই সকলো মানুহক পাপৰ পৰা শুচি কৰিলে আৰু তাৰ পাছত স্বৰ্গত ঈশ্বৰৰ মহিমাৰ সোঁ হাতে ওখ সিংহাসনত বহিল।

**যাকোব** ১:১৬ হে মোৰ প্ৰিয় ভাইসকল, আপোনালোক ভ্ৰান্ত নহব। ১:১৭ সকলো উত্তম দান আৰু সকলো সিদ্ধ বৰ ওপৰৰ পৰাহে আহে, আৰু আকাশৰ জ্যোতিবোৰ সেই পিতৃৰ পৰাই তললৈ নামি আহে৷ ছাঁ যি দৰে সলনি হয়, তেনেদৰে তেওঁৰ কোনো পৰিৱৰ্তন নহয়৷ ১:১৮ ঈশ্বৰে তেওঁৰ নিজ ইচ্ছাৰে সত্য বাক্যৰ দ্বাৰাই আমাক জীৱন দিলে যাতে তেওঁৰ সৃষ্ট বস্তুবোৰৰ মাজত আমি যেন এবিধ প্ৰথম ফল হওঁ।

**১ পিতৰ** ৩:১৮ খ্ৰীষ্টয়ো সেই পাপৰ সম্বন্ধে এবাৰ দুখ-ভোগ কৰিলে৷ আমাক ঈশ্বৰৰ ওচৰলৈ নিবলৈ, অধাৰ্মিক সকলৰ কাৰণে ধাৰ্মিক জনে, অৰ্থাৎ খ্ৰীষ্টে পাপবোৰৰ কাৰণে কেৱল এবাৰ দুখভোগ কৰিলে; তেওঁ মাংসত হত হ'ল, কিন্তু আত্মাত হ'লে পুনৰ্জীৱিত হ'ল;

**২ পিতৰ** ১:৩ যি জনে নিজৰ মহিমা আৰু সদগুণেৰে আমাক আমন্ত্ৰণ কৰিলে, তেওঁক গভীৰভাৱে জনাৰ মাধ্যমেদি তেওঁৰ ঐশ্বৰিক শক্তিয়ে আমাক ঈশ্বৰৰ প্ৰতি ভক্তিপূৰ্ণ জীৱন-যাপন কৰাৰ সকলো বিষয় দান কৰিলে। ১:৪ তেওঁ এইবোৰৰ দ্বাৰাই আমাক মূল্যবান আৰু অতি মহৎ প্ৰতিজ্ঞাবোৰ দান কৰিলে। তেওঁ এনেদৰে কৰিলে যাতে আপোনালোকে সেই প্ৰতিজ্ঞাবোৰৰ দ্বাৰাই জগতৰ মন্দ অভিলাষবোৰৰ দুৰ্নীতিৰ পৰা মুক্ত হৈ ঐশ্বৰিক স্বভাৱৰ সহভাগী হ'ব পাৰে।

**১ যোহন** ২:১ হে মোৰ প্ৰিয় সন্তানসকল, আপোনালোকে যেন পাপ নকৰে, এই আশয়েৰে মই আপোনালোকলৈ এইবোৰ কথা লিখিছোঁ। কিন্তু কোনোৱে যদি পাপ কৰে, তথাপি পিতৃৰ আগত আমাৰ সহায় কৰিবলৈ ধাৰ্মিক যীচু খ্ৰীষ্ট আছে। ২:২ তেৱেঁই আমাৰ পাপৰ প্ৰায়শ্চিত্ত কৰোঁতা; কেৱল আমাৰেই নহয়, গোটেই জগতৰে,

**২ যোহন** ১:৭ কিয়নো অনেক প্ৰৱঞ্চক জগতত ওলাল; তেওঁলোকে যীচু খ্ৰীষ্টক মাংসত অহা বুলি স্বীকাৰ নকৰে৷ এওঁলোকেই প্ৰবঞ্চক আৰু খ্ৰীষ্টাৰি।

**৩ যোহন** ১:৪ মোৰ সন্তান সকল সত্যত চলাৰ বাৰ্তা শুনিলে যি আনন্দ জন্মে, সেই বিষয়তকৈ অধিক আনন্দ মোৰ আন ক'ত নাই।

**যিহূদা** ১:৩ হে প্ৰিয় সকল, আমাৰ সকলোৰে পৰিত্ৰাণৰ বিষয়ে লিখিবলৈ মই প্ৰয়োজন বোধ কৰোঁতে, ঈশ্বৰৰ পবিত্ৰ লোক সকলৰ ওপৰত এবাৰ সমৰ্পিত হোৱা বিশ্বাসৰ পক্ষে প্ৰাণপণ কৰিবলৈ দৃঢ় আহ্বান কৰি আপোনালোকলৈ লিখিলোঁ। ১:৪ কিয়নো কোনো কোনো মানুহ গোপনে আপোনালোকৰ মাজত সোমাল; তেওঁলোক যে দণ্ডৰ পাত্ৰ হ'ব, এই বিষয়ে পূৰ্বৰে পৰা লিখা আছে। তেওঁলোক ভক্তিহীন লোক। তেওঁলোকে আমাৰ ঈশ্বৰৰ অনুগ্ৰহক লম্পট আচৰণত সলনি কৰে আৰু আমাৰ একমাত্ৰ অধিপতি আৰু প্ৰভুক, অৰ্থাৎ যীচু খ্ৰীষ্টক অস্বীকাৰ কৰে।

**প্ৰকাশিত বাক্য** ৩:১৯ যি সকলক মই প্ৰেম কৰোঁ, সেই সকলোৱে কেনেকৈ জীৱন-ধাৰণ কৰা উচিত, তাৰ বাবে মই তেওঁলোকক অনুযোগ কৰোঁ আৰু শাস্তি দিওঁ। এই কাৰণে তুমি উদ্যোগী হৈ মন পালটোৱা। ৩:২০ চোৱা, মই দুৱাৰত থিয় হৈ টুকুৰিয়াই থাকোঁ৷ কোনোৱে যদি মোৰ মাত শুনি দুৱাৰ মেলি দিয়ে, তেনেহলে মই তেওঁৰ গৃহলৈ আহিম আৰু তেওঁৰ সৈতে মই ভোজন কৰিম, আৰু তেৱোঁ মোৰে সৈতে ভোজন কৰিব। ৩:২১ মই নিজে যেনেকৈ জয় কৰিমোৰ পিতৃৰ সৈতে তেওঁৰ সিংহাসনত বহিলোঁ, তেনেকৈ যি জনে জয় কৰে, তেওঁকো মোৰে সৈতে মোৰ সিংহাসনত মই বহিবলৈ দিম। ৩:২২ যি জনৰ কাণ আছে, মণ্ডলীবোৰলৈ আত্মাই কোৱা কথা তেওঁ শুনক"।

# পাঠকৰ সহায়িকা

অসমীয়া at AionianBible.org/Readers-Guide

The Aionian Bible republishes public domain and Creative Common Bible texts that are 100% free to copy and print. The original translation is unaltered and notes are added to help your study. The notes show the location of eleven special Greek and Hebrew Aionian Glossary words to help us better understand God's love for individuals and for all mankind, and the nature of afterlife destinies.

Who has the authority to interpret the Bible and examine the underlying Hebrew and Greek words? That is a good question! We read in 1 John 2:27, *"As for you, the anointing which you received from him remains in you, and you do not need for anyone to teach you. But as his anointing teaches you concerning all things, and is true, and is no lie, and even as it taught you, you remain in him."* Every Christian is qualified to interpret the Bible! Now that does not mean we will all agree. Each of us is still growing in our understanding of the truth. However, it does mean that there is no infallible human or tradition to answer all our questions. Instead the Holy Spirit helps each of us to know the truth and grow closer to God and each other.

The Bible is a library with 66 books in the Protestant Canon. The best way to learn God's word is to read entire books. Read the book of Genesis. Read the book of John. Read the entire Bible library. Topical studies and cross-referencing can be good. However, the safest way to understand context and meaning is to read whole Bible books. Chapter and verse numbers were added for convenience in the 16th century, but unfortunately they can cause the Bible to seem like an encyclopedia. The Aionian Bible is formatted with simple verse numbering, minimal notes, and no cross-referencing in order to encourage the reading of Bible books.

Bible reading must also begin with prayer. Any Christian is qualified to interpret the Bible with God's help. However, this freedom is also a responsibility because without the Holy Spirit we cannot interpret accurately. We read in 1 Corinthians 2:13-14, *"And we speak of these things, not with words taught by human wisdom, but with those taught by the Spirit, comparing spiritual things with spiritual things. Now the natural person does not receive the things of the Spirit of God, for they are foolishness to him, and he cannot understand them, because they are spiritually discerned."* So we cannot understand in our natural self, but we can with God's help through prayer.

The Holy Spirit is the best writer and he uses literary devices such as introductions, conclusions, paragraphs, and metaphors. He also writes various genres including historical narrative, prose, and poetry. So Bible study must spiritually discern and understand literature. Pray, read, observe, interpret, and apply. Finally, *"Do your best to present yourself approved by God, a worker who does not need to be ashamed, properly handling the word of truth."* 2 Timothy 2:15. *"God has granted to us his precious and exceedingly great promises; that through these you may become partakers of the divine nature, having escaped from the corruption that is in the world by lust. Yes, and for this very cause adding on your part all diligence, in your faith supply moral excellence; and in moral excellence, knowledge; and in knowledge, self-control; and in self-control patience; and in patience godliness; and in godliness brotherly affection; and in brotherly affection, love. For if these things are yours and abound, they make you to be not idle nor unfruitful to the knowledge of our Lord Jesus Christ,"* 2 Peter 1:4-8.

# শব্দমালা

অসমীয়া at AionianBible.org/Glossary

The Aionian Bible un-translates and instead transliterates eleven special words to help us better understand the extent of God's love for individuals and all mankind, and the nature of afterlife destinies. The original translation is unaltered and a note is added to 64 Old Testament and 200 New Testament verses. Compare the meanings below to the Strong's Concordance and Glossary definitions.

## ***Abyssos*** g12

*Greek:* proper noun, place
*Usage:* 9 times in 3 books, 6 chapters, and 9 verses
*Meaning:*
Temporary prison for special fallen angels such as Apollyon, the Beast, and Satan.

## ***aïdios*** g126

*Greek:* adjective
*Usage:* 2 times in Romans 1:20 and Jude 6
*Meaning:*
Lasting, enduring forever, eternal.

## ***aiōn*** g165

*Greek:* noun
*Usage:* 127 times in 22 books, 75 chapters, and 102 verses
*Meaning:*
A lifetime or time period with a beginning and end, an era, an age, the completion of which is beyond human perception, but known only to God the creator of the aiōns, Hebrews 1:2. Never meaning simple endless or infinite chronological time in Greek usage. Read Dr. Heleen Keizer and Ramelli and Konstan for proofs.

## ***aiōnios*** g166

*Greek:* adjective
*Usage:* 71 times in 19 books, 44 chapters, and 69 verses
*Meaning:*
From start to finish, pertaining to the age, lifetime, entirety, complete, or even consummate. Never meaning simple endless or infinite chronological time in Koine Greek usage. Read Dr. Heleen Keizer and Ramelli and Konstan for proofs.

## ***eleēsē*** g1653

*Greek:* verb, aorist tense, active voice, subjunctive mood, 3rd person singular
*Usage:* 1 time in this conjugation, Romans 11:32
*Meaning:*
To have pity on, to show mercy. Typically, the subjunctive mood indicates possiblity, not certainty. However, a subjunctive in a purpose clause is a resulting action as certain as the causal action. The subjunctive in a purpose clause functions as an indicative, not an optative. Thus, the grand conclusion of grace theology in Romans 11:32 must be clarified. God's mercy on all is not a possibility, but a certainty. See ntgreek.org.


**_Geenna_** g1067
*Greek:* proper noun, place
*Usage:* 12 times in 4 books, 7 chapters, and 12 verses
*Meaning:*
Valley of Hinnom, Jerusalem's trash dump, a place of ruin, destruction, and judgment in this life, or the next, though not eternal to Jesus' audience.

**_Hadēs_** g86
*Greek:* proper noun, place
*Usage:* 11 times in 5 books, 9 chapters, and 11 verses
*Meaning:*
Synonomous with Sheol, though in New Testament usage Hades is the temporal place of punishment for deceased unbelieving mankind, distinct from Paradise for deceased believers.


**_Limnē Pyr_** g3041 g4442
*Greek:* proper noun, place
*Usage:* Phrase 5 times in the New Testament
*Meaning:*
Lake of Fire, final punishment for those not named in the Book of Life, prepared for the Devil and his angels, Matthew 25:41.

**_Sheol_** h7585
*Hebrew:* proper noun, place
*Usage:* 66 times in 17 books, 50 chapters, and 64 verses
*Meaning:*
The grave or temporal afterlife world of both the righteous and unrighteous, believing and unbelieving, until the general resurrection.


**_Tartaroō_** g5020
*Greek:* proper noun, place
*Usage:* 1 time in 2 Peter 2:4
*Meaning:*
Temporary prison for particular fallen angels awaiting final judgment.




ঈশ্বৰত বিশ্বাস আছিল কাৰণে ঈশ্বৰে যেতিয়া অব্ৰাহামক আহ্বান কৰিলে, তেতিয়া তেওঁ বাধ্য হ'ল, আৰু তেওঁক যি দেশ দিম বুলি ঈশ্বৰে কৈছিল, সেই দেশ অধিকাৰ কৰিবৰ বাবে তেওঁ গৈছিল; আৰু ক'লৈ যাব লাগে, সেই বিষয়ে নাজানিও ওলাই গৈছিল। - ইব্ৰী ১১:৮




ফৰৌণে যেতিয়া লোকসকলক যাবলৈ এৰি দিলে, তেতিয়া পলেষ্টীয়াসকলৰ দেশেৰে বাট চমু আছিল যদিও, ঈশ্বৰে তেওঁলোকক সেই বাটেদি নিনিলে। কিয়নো ঈশ্বৰে ক'লে, "হয়তো যুদ্ধৰ সন্মুখিন হ'লে লোকসকলে মন সলনি কৰি মিচৰলৈ উভটি যাব।" - যাত্ৰাপুস্তক ১৩:১৭




কিয়নো মানুহৰ পুত্ৰ সেৱা শুশ্ৰূষা পাবৰ বাবে নহয়, কিন্তু সেৱা শুশ্ৰূষা কৰিবলৈ আৰু অনেকৰ মুক্তিৰ মূল্যৰ অৰ্থে নিজৰ প্ৰাণ দিবলৈহে আহিল। - মাৰ্ক ১০:৪৫




মই পৌল, যীচু খ্ৰীষ্টৰ এজন দাস আৰু ঈশ্বৰৰ শুভবাৰ্তাৰ কাৰণে পৃথক হোৱা আমন্ত্ৰিত পাঁচনি; - ৰোমীয়া ১:১

# Creation 4004 B.C.

| | |
|---|---|
| Adam and Eve created | 4004 |
| Tubal-cain forges metal | 3300 |
| Enoch walks with God | 3017 |
| Methuselah dies at age 969 | 2349 |
| God floods the Earth | 2349 |
| Tower of Babel thwarted | 2247 |
| Abraham sojourns to Canaan | 1922 |
| Jacob moves to Egypt | 1706 |
| Moses leads Exodus from Egypt | 1491 |
| Gideon judges Israel | 1245 |
| Ruth embraces the God of Israel | 1168 |
| David installed as King | 1055 |
| King Solomon builds the Temple | 1018 |
| Elijah defeats Baal's prophets | 896 |
| Jonah preaches to Nineveh | 800 |
| Assyrians conquer Israelites | 721 |
| King Josiah reforms Judah | 630 |
| Babylonians capture Judah | 605 |
| Persians conquer Babylonians | 539 |
| Cyrus frees Jews, rebuilds Temple | 537 |
| Nehemiah rebuilds the wall | 454 |
| Malachi prophecies the Messiah | 416 |
| Greeks conquer Persians | 331 |
| Seleucids conquer Greeks | 312 |
| Hebrew Bible translated to Greek | 250 |
| Maccabees defeat Seleucids | 165 |
| Romans subject Judea | 63 |
| Herod the Great rules Judea | 37 |

(The Annals of the World, James Uusher)

# Jesus Christ born 4 B.C.

# New Heavens and Earth

| | |
|---|---|
| | Christ returns for his people |
| 1956 | Jim Elliot martyrd in Ecuador |
| 1830 | John Williams reaches Polynesia |
| 1731 | Zinzendorf leads Moravian mission |
| 1614 | Japanese kill 40,000 Christians |
| 1572 | Jesuits reach Mexico |
| 1517 | Martin Luther leads Reformation |
| 1455 | Gutenberg prints first Bible |
| 1323 | Franciscans reach Sumatra |
| 1276 | Ramon Llull trains missionaries |
| 1100 | Crusades tarnish the church |
| 1054 | The Great Schism |
| 997 | Adalbert marytyrd in Prussia |
| 864 | Bulgarian Prince Boris converts |
| 716 | Boniface reaches Germany |
| 635 | Alopen reaches China |
| 569 | Longinus reaches Alodia / Sudan |
| 432 | Saint Patrick reaches Ireland |
| 397 | Carthage ratifies Bible Canon |
| 341 | Ulfilas reaches Goth / Romania |
| 325 | Niceae proclaims God is Trinity |
| 250 | Denis reaches Paris, France |
| 197 | Tertullian writes Christian literature |
| 70 | Titus destroys the Jewish Temple |
| 61 | Paul imprisoned in Rome, Italy |
| 52 | Thomas reaches Malabar, India |
| 39 | Peter reaches Gentile Cornelius |
| 33 | Holy Spirit empowers the Church |

(Wikipedia, Timeline of Christian missions)

# Resurrected 33 A.D.

<table>
<tr><td colspan="3">What are we?</td><td colspan="2">Genesis 1:26 - 2:3</td></tr>
<tr><td colspan="3">How are we sinful?</td><td colspan="2">Romans 5:12-19</td></tr>
<tr><td colspan="3" rowspan="3">Where are we?</td><td colspan="2"></td></tr>
<tr><td colspan="2">Innocence</td></tr>
<tr><td>Eternity Past</td><td>Creation 4004 B.C.</td></tr>
<tr><td rowspan="12">Who are we?</td><td rowspan="3">God</td><td>Father</td><td rowspan="3">John 10:30<br><br>God’s perfect fellowship</td><td rowspan="7">Genesis 1:31<br><br>God’s perfect fellowship with Adam in The Garden of Eden</td></tr>
<tr><td>Son</td></tr>
<tr><td>Holy Spirit</td></tr>
<tr><td rowspan="3">Mankind</td><td>Living</td><td rowspan="9">Genesis 1:1<br><br>No Creation<br>No people</td></tr>
<tr><td>Deceased believing</td></tr>
<tr><td>Deceased unbelieving</td></tr>
<tr><td rowspan="6">Angels</td><td>Holy</td></tr>
<tr><td>Imprisoned</td><td rowspan="5">Genesis 1:31<br><br>No Fall<br>No unholy Angels</td></tr>
<tr><td>Fugitive</td></tr>
<tr><td>First Beast</td></tr>
<tr><td>False Prophet</td></tr>
<tr><td>Satan</td></tr>
<tr><td colspan="3">Why are we?</td><td colspan="2">Romans 11:25-36, Ephesian 2:7</td></tr>
</table>

Mankind is created in God’s image, male and female He created us

Sin entered the world through Adam and then death through sin

## When are we? ▼

<table>
<tr><td colspan="4">Fallen</td><td>Glory</td></tr>
<tr><td>Fall to sin<br>No Law</td><td>Moses’ Law<br>1500 B.C.</td><td>Christ<br>33 A.D.</td><td>Church Age<br>Kingdom Age</td><td>New Heavens<br>and Earth</td></tr>
<tr><td colspan="4">1 Timothy 6:16<br>Living in unapproachable light</td><td rowspan="7">Acts 3:21<br>Philippians 2:11<br>Revelation 20:3<br><br>God’s<br>perfectly<br>restored<br>fellowship<br>with all<br>Mankind<br>praising<br>Christ<br>as Lord<br>in the<br>Holy<br>City</td></tr>
<tr><td colspan="2">John 8:58<br>Pre-incarnate</td><td>John 1:14<br>Incarnate</td><td>Luke 23:43<br>Paradise</td></tr>
<tr><td colspan="2">Psalm 139:7<br>Everywhere</td><td colspan="2">John 14:17<br>Living in believers</td></tr>
<tr><td colspan="4">Ephesians 2:1-5<br>Serving the Savior or Satan on Earth</td></tr>
<tr><td colspan="4">Luke 16:22<br>Blessed in Paradise</td></tr>
<tr><td colspan="4">Luke 16:23, Revelation 20:5,13<br>Punished in Hades until the final judgment</td></tr>
<tr><td colspan="4">Hebrews 1:14<br>Serving mankind at God’s command</td></tr>
<tr><td colspan="4">2 Peter 2:4, Jude 6<br>Imprisoned in Tartarus</td><td rowspan="4">Matthew 25:41<br>Revelation 20:10<br><br>Lake of Fire<br>prepared<br>for the<br>Devil<br>and his<br>Angels</td></tr>
<tr><td colspan="3" rowspan="3">1 Peter 5:8, Revelation 12:10<br><br>Rebelling against Christ<br>Accusing mankind</td><td>Revelation 20:13<br>Thalaasa</td></tr>
<tr><td>Revelation 19:20<br>Lake of Fire</td></tr>
<tr><td>Revelation 20:2<br>Abyss</td></tr>
</table>

For God has bound all over to disobedience in order to show mercy to all

# ভাগ্য

অসমীয়া at AionianBible.org/Destiny


The Aionian Bible shows the location of eleven special Greek and Hebrew Aionian Glossary words to help us better understand God's love for individuals and for all mankind, and the nature of after-life destinies. The underlying Hebrew and Greek words typically translated as *Hell* show us that there are not just two after-life destinies, Heaven or Hell. Instead, there are a number of different locations, each with different purposes, different durations, and different inhabitants. Locations include 1) Old Testament *Sheol* and New Testament *Hadēs*, 2) *Geenna*, 3) *Tartaroō*, 4) *Abyssos*, 5) *Limnē Pyr*, 6) *Paradise*, 7) *The New Heaven*, and 8) *The New Earth*. So there is reason to review our conclusions about the destinies of redeemed mankind and fallen angels.

The key observation is that fallen angels will be present at the final judgment, 2 Peter 2:4 and Jude 6. Traditionally, we understand the separation of the Sheep and the Goats at the final judgment to divide believing from unbelieving mankind, Matthew 25:31-46 and Revelation 20:11-15. However, the presence of fallen angels alternatively suggests that Jesus is separating redeemed mankind from the fallen angels. We do know that Jesus is the helper of mankind and not the helper of the Devil, Hebrews 2. We also know that Jesus has atoned for the sins of all mankind, both believer and unbeliever alike, 1 John 2:1-2. Deceased believers are rewarded in Paradise, Luke 23:43, while unbelievers are punished in Hades as the story of Lazarus makes plain, Luke 16:19-31. Yet less commonly known, the punishment of this selfish man and all unbelievers is before the final judgment, is temporal, and is punctuated when Hades is evacuated, Revelation 20:13. So is there hope beyond Hades for unbelieving mankind? Jesus promised, *"the gates of Hades will not prevail,"* Matthew 16:18. Paul asks, *"Hades where is your victory?"* 1 Corinthians 15:55. John wrote, *"Hades gives up,"* Revelation 20:13.

Jesus comforts us saying, *"Do not be afraid,"* because he holds the keys to *unlock* death and Hades, Revelation 1:18. Yet too often our *Good News* sounds like a warning to *"be afraid"* because Jesus holds the keys to *lock* Hades! Wow, we have it backwards! Hades will be evacuated! And to guarrantee hope, once emptied, Hades is thrown into the Lake of Fire, never needed again, Revelation 20:14.

Finally, we read that anyone whose name is not written in the Book of Life is thrown into the Lake of Fire, the second death, with no exit ever mentioned or promised, Revelation 21:1-8. So are those evacuated from Hades then, *"out of the frying pan, into the fire?"* Certainly, the Lake of Fire is the destiny of the Goats. But, do not be afraid. Instead, read the Bible's explicit mention of the purpose of the Lake of Fire and the identity of the Goats, *"Then he will say also to those on the left hand, 'Depart from me, you cursed, into the consummate fire which is prepared for... the devil and his angels,'"* Matthew 25:41. Bad news for the Devil. Good news for all mankind!

Faith is not a pen to write your own name in the Book of Life. Instead, faith is the glasses to see that the love of Christ for all mankind has already written our names in Heaven. *"If the first fruit is holy, so is the lump,"* Romans 11:16. Though unbelievers will suffer regrettable punishment in Hades, redeemed mankind will never enter the Lake of Fire, prepared for the devil and his angels. And as God promised, all mankind will worship Christ together forever, Philippians 2:9-11.




এই হেতুকে, তোমালোক যোৱা; আৰু সকলো জাতিকে শিষ্য কৰি, পিতৃ, পুত্ৰ আৰু পবিত্ৰ আত্মাৰ নামেৰে তেওঁলোকক বাপ্তাইজ কৰা; - মথি ২৮:১৯